Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, APRIL 05, 2025 ■ শনিবাৰ, ২২ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯৮ Guwahati, Assam ।। মূল্যঃ এটকা

# ৱাকফ বিল অসাংবিধানিক! কৰ্তৃত কেন্দ্ৰক চেলেঞ্জ কংগ্ৰেছৰ

নতুন দিল্লী, ৪ এপ্ৰিলঃ সংসদৰ দুয়োখন সদনত সংখ্যাগৰিষ্ঠতাৰে ৱাকফ সংশোধনী বিধেয়ক গৃহীত হোৱাৰ পিছত এতিয়া আইনত পৰিণত হোৱাৰ পূৰ্বেই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে মোদী চৰকাৰ। বিহাৰৰ কিষানগঞ্জৰ সাংসদ মহম্মদ জাভেদে মুছলমান সম্প্ৰদায়ৰ বিৰুদ্ধে বৈষম্যৰ অভিযোগ উত্থাপন কৰি



বিধেয়কখনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ তৰিছে। তেওঁ দাবী কৰে যে এই বিধেয়কখনে একাধিক সাংবিধানিক অধিকাৰ খৰ্ব কৰিছে। সংসদত ১৪ পৃষ্ঠাত

## এখনতে সন্তুষ্ট কংগ্ৰেছ, বিজেপি মিত্ৰজোঁটৰ হাতলৈ ৩৩খন আসন

# ৰাভা হাছং দখল যৌথ মঞ্চৰ

ই-সংবাদ, ৪ এপ্ৰিলঃ বিৰোধীক তীব্ৰ প্ৰত্যাহ্বান জনাই ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ পুনৰ দখল কৰিছে ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে। নিৰ্বাচন শেষাংশ ৫ পৃষ্ঠাত



## অধঃপাতে শিক্ষা! নিৰ্বাচনৰ দোহাই দি বাতিল হ'ল পৰীক্ষা!



ই-সংবাদ, ৪ এপ্ৰিলঃ জনপ্ৰতিনিধি হোৱাৰ পৰীক্ষা আগত ২ পৃষ্ঠাত

## বৃহৎ সকাহ! ডি ভোটাৰ নহয় কোচ-ৰাজবংশী

ই-সংবাদ, ৪ এপ্ৰিলঃ এতিয়াৰ পৰা কোনো কোঁচ-ৰাজবংশী ১৪ পৃষ্ঠাত চাওক

## আপ অসমত ভয়ংকৰ খহনীয়া

ই-সংবাদ, ৪ এপ্ৰিলঃ অসমত ক্ৰমে অস্তিত্বহীন হৈ পৰিছে আম আদমী ৩ পৃষ্ঠাত

## কচুতলীত ৫০টা পৰিয়ালৰ ঘৰত প্ৰশাসনৰ উচ্ছেদ অভিযান

ই-সংবাদ, ৪ এপ্ৰিলঃ আজি পুনৰ গুৱাহাটীৰ সমীপৰ্বতী সোণাপুৰৰ ৩ পৃষ্ঠাত চাওক

# চৰকাৰী কৰ্মচাৰীক বিহুৰ উপহাৰ অসম কেবিনেটৰ! গৌৰৱৰ হৈ ক্ষমাপ্ৰাৰ্থী মুখ্যমন্ত্ৰী হিমন্ত



ই-সংবাদ, ৪ এপ্ৰিলঃ আজি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেইবাটাও গুৰুতৰ সিদ্ধান্ত ৪ পৃষ্ঠাত চাওক

## দিল্লীত জিলা কংগ্ৰেছৰ সভাপতিৰে বৈঠক শীৰ্ষ নেতৃত্বৰ

# ২৬ৰ পূৰ্বে তৃণমূল পৰ্যায়ত দলক শক্তিশালী কৰাৰ মন্ত্ৰণা

ই-সংবাদ, ৪ এপ্ৰিলঃ নতুন দিল্লীৰ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ইন্দিৰা ভৱনত তিনি দিন ধৰি জিলা শেষাংশ ৫ পৃষ্ঠাত




## ক্ষমা খোজক ছোনিয়াই! সদনত বিজেপিৰ দাবী

নতুন দিল্লী, ৪ এপ্ৰিলঃ দুদিনীয়া উত্তপ্ত আলোচনাৰ অন্তত সংসদৰ দুয়োটা সদনতে গৃহীত হ'ল বিতৰ্কিত ৱাকফ সংশোধনী বিধেয়ক। কিন্তু শেষাংশ ২ পৃষ্ঠাত

## জনতা দলত অসন্তুষ্টি

## ৱাকফ বিলৰ বাবে নীতিশৰ সংগ ত্যাগ জ্যেষ্ঠ নেতাৰ

পাটনা, ৪ এপ্ৰিলঃ সংসদত মোদী চৰকাৰৰ সংশোধিত ৱাকফ বিধেয়কক সমৰ্থন কৰি তীব্ৰ ৰাজনৈতিক চাপৰ সন্মুখীন হ'বলগীয়া ৩ পৃষ্ঠাত চাওক

## কেন্দ্ৰৰ সিদ্ধান্তক লৈ বিতৰ্ক

## মনমোহন সিঙৰ পত্নীৰ নিৰাপত্তা হ্ৰাস মোদী চৰকাৰৰ

নতুন দিল্লী, ৪ এপ্ৰিলঃ প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ মৃত্যুৰ পিছত এতিয়া তেওঁৰ পৰিয়ালৰ নিৰাপত্তাক লৈ বিতৰ্কৰ মাজত সোমাই পৰিছে ৪ পৃষ্ঠাত চাওক

# সংখ্যালঘুৰ সুৰক্ষাৰ বাবে ইউনুছক পৰামৰ্শ মোদীৰ

বেংকক, ৪ এপ্ৰিলঃ বিমষ্টেক শীৰ্ষ সন্মিলনৰ আঁৰত বাংলাদেশত হিন্দুকে ধৰি সংখ্যালঘু লোকৰ সুৰক্ষা সন্দৰ্ভত এক শক্তিশালী বাৰ্তা প্ৰদান কৰিলে



হাছিনাৰ প্ৰত্যাৰ্পণৰ বাবে প্ৰধানমন্ত্ৰীক অনুৰোধ জনালে বাংলাদেশৰ ইউনুছে

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছৰ সৈতে সাক্ষাৎ কৰি ২ পৃষ্ঠাত চাওক

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচনৰ দোহাই দি বাতিল হ'ল পৰীক্ষা!

হ'ব লাগিব। ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা নাপাতিলেও হ'ব। কথা যেন এতিয়া তেনেকুৱাই। পঞ্চায়ত নিৰ্বাচনৰ বাবে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাসমূহ বাতিল কৰা হৈছে। একাদশ শ্ৰেণীৰ বাকী থকা পৰীক্ষাসমূহ পৰীক্ষাৰ্থীয়ে দিব নালাগে বুলি আজি এক বিবৃতি যোগে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ঘোষণা কৰিছে। প্ৰশ্নকাকত ফাদিলৰ বাবে যিকেইটা বিষয়ৰ পৰীক্ষা বাতিল বা স্থগিত কৰা হৈছে সেইকেইটা বিষয়ৰ পৰীক্ষা আৰু অনুষ্ঠিত নহয়। স্থগিত ৰখা বিষয়ৰ পৰীক্ষাসমূহৰ নম্বৰ ইউনিট টেষ্ট পৰীক্ষাৰ ভিত্তিত নম্বৰ প্ৰদান কৰা হ'ব। তাৰ লগতে অনুষ্ঠিত হৈ যোৱা পৰীক্ষাৰ মাৰ্কশ্বিট লাভ কৰিব পৰীক্ষাৰ্থীয়ে। বিবৃতিত উল্লেখ কৰা মতে, মাৰ্চ মাহত অনুষ্ঠিত প্ৰথম বৰ্ষৰ বিষয়বোৰৰ পৰীক্ষাত অৱতীৰ্ণ সকলো পৰীক্ষাৰ্থীক ২০২৬ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনুমতি দিয়া হ'ব। বাতিল হোৱা বিষয়সমূহৰ নম্বৰ ইউনিট টেষ্ট পৰীক্ষাৰ নম্বৰৰ ভিত্তিত দিয়া হ'ব। যদি পৰীক্ষাৰ্থীসকলে যি কেইটা বিষয়ত পৰীক্ষাত বহা নাই তেওঁলোকে যদি বিশ্লেষণ, অধ্যয়ন আৰু অনুশীলন কৰিব বিচাৰে তেন্তে নিজ নিজ মহাবিদ্যালয়ৰ পৰা প্ৰশ্নকাকত সংগ্ৰহ কৰিব পাৰিব। সেই কথাক লৈ এতিয়ালৈ কোনো পক্ষই আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। কিন্তু সন্দেহ কৰা মতে, দিলীপ বড়োৱে এখন দেশ ভ্ৰমণ কৰিবলৈ গৈছিল। সেই সময়ৰ এই ভিডিঅ' হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে। অসম আৰক্ষীয়ে এই বিষয়ত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। খোদ দিলীপ বড়োৱেও এতিয়ালৈকে কোনো প্ৰতিক্ৰিয়া দিয়া নাই। কিন্তু ইউপিপিএল প্ৰধান প্ৰমোদ বড়োৱে এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভ্য সমাজে এনে কাণ্ড মানি নলয় বুলি কোৱাৰ লগতে আলোচনামৰ্মে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ক্ষমা খোজক ছোনিয়াই! সদনত বিজেপিৰ দাবী

বিধেয়কখন গৃহীত হোৱাৰ পাছতো বিতৰ্কৰ অন্ত পৰা নাই। বৰং কংগ্ৰেছ সংসদীয় দলৰ নেত্ৰী ছোনিয়াৰ এক মন্তব্যই বিধেয়কখনক লৈ সূত্ৰপাত ঘটাইছে এক নতুন বিতৰ্কৰ। ছোনিয়া গান্ধীৰ মন্তব্যৰ পিছতে কংগ্ৰেছৰ প্ৰাক্তন অধ্যক্ষাগৰাকীয়ে গণতন্ত্ৰৰ মৰ্যাদাত আঘাত হনাৰ অভিযোগ তুলি ৰাজহুৱা ক্ষমা খোজাৰ দাবী তুলিছে বিজেপিয়ে। দৰাচলতে ছোনিয়া গান্ধীয়ে অভিযোগ কৰে যে ৱাকফ বিধেয়কখন কাৰ্যতঃ 'বুলডজাৰ' কৰি লোকসভাত গৃহীত কৰা হৈছে। তেওঁ কয়, "এই বিধেয়কখন সংবিধানৰ ওপৰত প্ৰকাশ্য আক্ৰমণ। বিৰোধীৰ মতামতক কোনো গুৰুত্ব দিয়া হোৱা নাই। সংসদৰ বহু সদস্যই বিধেয়কখনৰ বিৰোধিতা কৰিছে, কিন্তু তেওঁলোকৰ বক্তব্যক কোনো গুৰুত্ব দিয়া হোৱা নাই।" ৱাকফ বিলৰ উপৰি ছোনিয়াই মোদী চৰকাৰৰ কাৰ্যকালত শিক্ষা ব্যৱস্থা, ব্যক্তিগতকৰণ, চোৰাংচোৱাৰ ৰাজনীতিৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰে। তেওঁ দাবী কৰে যে বিজেপিৰ মূল লক্ষ্য হৈছে কেন্দ্ৰীকৰণ, বাণিজ্যিকীকৰণ আৰু সাম্প্ৰদায়িকীকৰণ। 'এক ৰাষ্ট্ৰ, এক ভোট' নীতিকো সমালোচনা কৰি কয় যে ইয়াৰ জৰিয়তে চৰকাৰে দেশত স্থায়ী বিভাজন সৃষ্টিৰ চেষ্টা চলাইছে। এই মন্তব্যৰ পিছতে সংসদত বিজেপিত ক্ষোভৰ সৃষ্টি হয়। শাসকীয় দলটোৱে অভিযোগ কৰে যে 'বুলডজাৰ' শব্দটোৱে সংসদৰ মৰ্যাদাক তুচ্ছ জ্ঞান কৰিছে। শুকুৰবাৰে সংসদত বিজেপিৰ 'সাংসদসকলে একেলগে শ্লোগান উত্থাপন কৰে- ছোনিয়া গান্ধী, ক্ষমা খোজক'। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, "তিনিটা পৰ্যায়ৰ ভোটদানৰ জৰিয়তে বিধেয়কখন গৃহীত কৰা হৈছে। দীঘলীয়া আলোচনাৰ অন্তত এনে মন্তব্য কৰাটো অতি দুৰ্ভাগ্যজনক। ই সংসদীয় গণতন্ত্ৰৰ ওপৰতে এক আক্ৰমণ।" এই ঘটনাই ৰাজনৈতিক মহলত আৰু অধিক উত্তেজনা বৃদ্ধি কৰিছে। এইক্ষেত্ৰত বিজেপি একেবাৰে স্পষ্ট- ছোনিয়া গান্ধীৰ এই মন্তব্যই দেশৰ গণতন্ত্ৰক অসন্মান কৰিছে। সেয়েহে ছোনিয়া গান্ধীয়ে ৰাজহুৱাকৈ ক্ষমা খুজিব লাগিব। ৱাকফ বিল বিৰোধ কৰি কংগ্ৰেছে প্ৰথমৰ পৰাই নিজৰ স্থিতিত অটল হৈ থকা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংখ্যালঘুৰ সুৰক্ষাৰ বাবে ইউনুছক পৰামৰ্শ

সংখ্যালঘুৰ ওপৰত সংঘটিত অত্যাচাৰৰ ঘটনাৰ সম্পূৰ্ণ তদন্তৰ দাবী জনায়। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে দ্বিপাক্ষিক সম্পৰ্ক আৰু অধিক শক্তিশালী কৰাৰ বাবে শান্তিপূৰ্ণ আৰু অংশগ্ৰহণমূলক নিৰ্বাচনত মনোনিৱেশ কৰাৰ পৰামৰ্শও আগবঢ়ায়। উল্লেখযোগ্য যে যোৱা বছৰ শ্বেখ হাছিনাৰ আৱামী লীগ চৰকাৰক উৎখাত কৰাৰ পিছত মোদী আৰু ইউনুছৰ মাজত এয়াই আছিল প্ৰথমখন বৈঠক। এই বৈঠকত মোদীয়ে স্পষ্টকৈ উল্লেখ কৰে যে বাংলাদেশৰ সংখ্যালঘুসকলৰ নিৰাপত্তা চৰকাৰে নিশ্চিত কৰিব লাগিব। বিশেষকৈ হিন্দু সম্প্ৰদায়ৰ ওপৰত হোৱা আক্ৰমণৰ বাবে কঠোৰ তদন্তৰ লগতে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস বিচাৰি তেওঁ ভাৰতৰ দৃষ্টিভংগী দাঙি ধৰে। ভাৰতীয় বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কয়, "প্ৰধানমন্ত্ৰী মোদীয়ে স্পষ্টকৈ উল্লেখ কৰিছে যে চৌপাশৰ পৰিৱেশত বিহ ঢলা যিকোনো প্ৰৰোচনামূলক ভাষণ বা কাৰ্য পৰিহাৰ কৰাটো দুয়োখন দেশৰ বাবে উপযুক্ত। দুয়োখন দেশৰ মাজত পাৰস্পৰিক স্বাৰ্থৰ বিষয়সমূহ দ্বিপাক্ষিক আলোচনাৰ জৰিয়তে সোনকালে সমাধান কৰিব লাগে।" সীমান্তত বাংলাদেশৰ পৰা হোৱা অবৈধ অনুপ্ৰৱেশ ৰোধ কৰা, বিশেষকৈ নিশা সীমান্তৰ সুৰক্ষা নিশ্চিত কৰা, দুয়োখন দেশৰ মাজত স্থাপন কৰা বিভিন্ন যৌথ ব্যৱস্থা সক্ৰিয় কৰা আদি বিষয়তো আলোচনাত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ প্ৰত্যৰ্পণ আৰু বাংলাদেশৰ গণতান্ত্ৰিক নিৰ্বাচনৰ বিষয়েও আলোচনা কৰা হয়। মোডীয়ে কয় যে ভাৰতে বাংলাদেশ গণতান্ত্ৰিক, সুস্থিৰ, শান্তিপূৰ্ণ, সৰ্বাংগীণ আৰু প্ৰগতিশীল হোৱাটো বিচাৰে। তেওঁ সোঁৱৰাই দিয়ে যে ভাৰত আৰু বাংলাদেশে দীৰ্ঘদিনীয়া সহযোগিতাত জড়িত হৈ আহিছে আৰু দুয়োখন দেশৰ সাধাৰণ জনতাৰ সুবিধাৰ্থে এই সম্পৰ্কক আগুৱাই নিয়াৰ প্ৰয়োজন আছে।

# বোনমাঝা উঃ মাঃ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ সম্পন্ন

**ই-সংবাদ, দুনী, ৪ এপ্ৰিলঃ** দুদিনীয়া কাৰ্যসূচীৰে কালিৰেপৰা অনুষ্ঠিত হোৱা পশ্চিম দৰঙৰ আগশাৰীৰ শিক্ষানুষ্ঠান বিষ্ণুপুৰস্থিত বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহখনি আজি সামৰণি পৰে। আজি বন্তি প্ৰজ্বলনৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ হয়। বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ সমাহাৰেৰে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে বোনমাঝা হাই মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত অধীক্ষক সৰলাপ্ৰিয়া দেৱীয়ে। ইয়াৰ পাছতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ চিৰাজ আলী খণ্ডকৰে আঁতধৰা সম্বৰ্ধনা অনুষ্ঠানত বিদ্যালয়ৰ বৰ্তমানৰ আৰু অৱসৰপ্ৰাপ্ত শিক্ষকবৃন্দক সম্বৰ্ধনা জনোৱা হয়। বিয়লিলৈ বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দিলীপ কলিতাই উদ্বোধন কৰা স্মৃতিৰ সঁফুৰা শীৰ্ষক অন্তৰংগ  আলাপত সঞ্চালনা কৰে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধীক্ষক চাহাবুদ্দিন আহমেদে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ত্ৰিদিপ ভাগৱতীয়ে যথেষ্ট মনোগ্ৰাহী ভাষণ আগবঢ়ায়। সন্ধিয়া বন্তি প্ৰজ্জ্বলনেৰে সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। সাংস্কৃতিক মঞ্চ মুকলি কৰে বিশিষ্ট সমাজকৰ্মী কুলদীপ বৰুৱাই। সাংস্কৃতিক অনুষ্ঠানত ডেনিছ চহৰীয়া আৰু কংকনা চৌধুৰীয়ে গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আমোদ দিয়ে। উল্লেখ্য যে প্ৰথম দিনা বিদ্যালয়ৰ পতাকা উত্তোলন, সমাৰোহৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, শ্ৰদ্ধাঞ্জলী অনুষ্ঠান, তোৰণ উন্মোচন, গছপুলি ৰোপণ, বন্তি প্ৰজ্বলন অনুষ্ঠিত হয়। নিশা স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আপ অসমত ভয়ংকৰ খহনীয়া

পাৰ্টী। দিল্লীত দলটোৱে বেয়াকৈ পৰাজিত হোৱাৰ পিছতে সমগ্ৰ দেশৰ নেতাসকলে দল ত্যাগ কৰাৰ লগতে অসমত নেতাসকলে দল ত্যাগ কৰিবলৈ আৰম্ভ কৰিছে। অসমত শেহতীয়াকৈ কেইবাগৰাকী নেতা-নেত্ৰীয়ে দলত্যাগৰ সময়তে আজি ৰাজ্যিক সমিতিৰ সভাপতি আৰু ৰাজ্যিক মহিলা সমিতিৰ সভাপতিয়ে দলত্যাগৰ কথা ঘোষণা কৰিছে। এক কথাত ক'বলৈ গ'লে নেতৃত্ববিহীন হৈ পৰিল আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতি। ৰাজ্যিক সমিতিৰ সভাপতি মনোজ ধানোৱাৰ আৰু ৰাজ্যিক মহিলা সমিতিৰ সভানেত্ৰী মাছুমা বেগমে আজি দল ত্যাগ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ৰাষ্ট্ৰীয় সমিতিলৈ আনুষ্ঠানিক পদত্যাগ-পত্ৰ প্ৰেৰণ কৰিছে দুয়োগৰাকী মুৰব্বীয়ে। কেৱল পদ এৰাই নহয় দলটোৰ প্ৰাথমিক সদস্যপদো ত্যাগ কৰিছে নেতাদ্বয়ে। আজি পুৱাই সামাজিক মাধ্যম যোগে দলত্যাগৰ কথা ঘোষণা কৰিছে ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে। পদত্যাগ-পত্ৰও সামাজিক মাধ্যমত শ্বেয়াৰ কৰে। তাৰ পিছতে আপৰ অসম ৰাজ্যিকৰ সভানেত্ৰী মাছুমা বেগমে দলত্যাগ কৰে। আপ অসমৰ ভাৰপ্ৰাপ্ত সভাপতি ডাঃ ভৱেন চৌধুৰীলৈ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰে মাছুমাই। ২০২৪ চনৰ ছেপ্টেম্বৰ মাহৰ পৰাই নিষ্ক্ৰিয় হৈ আছিল মনোজ ধানোৱাৰ। জানুৱাৰী মাহত জৰুৰী বৈঠক অনুষ্ঠিত কৰি প্ৰাক্তন ৰাজ্যিক সভাপতি ডাঃ ভৱেন চৌধুৰীক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব প্ৰদান কৰে। আজিলৈ এজন বিধায়ক জয়ী কৰিবলৈ সক্ষম হোৱাতো দূৰৰ কথা আজিলৈ যিমান কেইজন প্ৰাৰ্থীয়ে বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হৈছে সকলোৰে আমানতৰ ধন বাজেয়াপ্ত হৈছে যদিও খোৱা-কামোৰা, আভ্যন্তৰীণ কন্দলত জৰ্জৰিত আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতি। ডাঃ ভৱেন চৌধুৰী আৰু মনোজ ধানোৱাৰৰ লবীকেন্দ্ৰিক ৰাজনীতিৰ বাবে পুৰণি নেতাসকল দলটোৰ পৰা আঁতৰি যায়। দলটোৰ পৰা পুৰণি নেতাসকল আঁতৰি যোৱাৰ সময়তে য'ৰ পৰা আপৰ বিস্তাৰ হ'বলৈ আৰম্ভ কৰিছিল সেইখন ৰাজ্য দিল্লীত আপে পৰাজয়বৰণ কৰে। নতুন নেতাসকল নিষ্ক্ৰিয় হৈ পৰে। সমানে দলটোৰ নেতৃত্ব থকা মনোজ ধানোৱাৰে দলটোক নেতৃত্ব দিয়াৰ পৰা আঁতৰি লোকচক্ষুৰ পৰা অন্তৰ্ধান হয়। পুনম গগৈয়ে আপ ত্যাগ কৰে। নাম প্ৰকাশত অনিচ্ছুক ৰাজ্যিক একাংশ নেতাই কয় যে মনোজ ধানোৱাৰে এটা ৰাজনৈতিক দলৰ এজেণ্ট হিচাপে কাম কৰি আছিল। দলটোৰ শ্ৰীবৃদ্ধিৰ বাবে কাম কৰাৰ পৰিৱৰ্তে দলটোক অসমত ধ্বংস কৰিবলৈ যো-জা চলাই আছিল। তাৰ মাজতে আম আদমী পাৰ্টী দিল্লীত পৰাজিত হোৱাৰ পিছতে অসমৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰ নিষ্ক্ৰিয় হৈ পৰে। ফলত অসম আপৰ নেতৃত্বই সভাপতি সলনি কৰিছিল। দিল্লীত কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ সৈতে মনোজ ধানোৱাৰে যোগাযোগত থকা বুলি জানিব পৰা গৈছে। সঘনাই কংগ্ৰেছৰ সৈতে যোগাযোগত থাকি কংগ্ৰেছত যোগদান কৰিবলৈ মন মেলিছে যদিও এটা মাত্ৰ চৰ্ত বান্ধি দিছে। সেয়া হৈছে ২০২৬ চনৰ নিৰ্বাচনত টিকট দিয়াৰ নিশ্চয়তা দিলে কংগ্ৰেছক যোগদান কৰিবলৈ সাজু। মনোজ ধানোৱাৰৰ পিতৃ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা আছিল। পিতৃ থকালৈকে কংগ্ৰেছত আছিল যদিও পিছত কংগ্ৰেছ এৰি আপত যোগ দিছিল। কিন্তু আপত যোগদান কৰি ৰাজনীতিত প্ৰভাৱ পেলাবলৈ সক্ষম হোৱা নাই। আনহাতে বিগত ছমাহ ধৰি তেওঁ নিষ্ক্ৰিয়। দিল্লীত আপে পৰাজয়বৰণ কৰাত দলৰ সভাপতি পদৰ পৰাও আঁতৰি থকাত মনোজ ধানোৱাৰক আঁতৰাই ভাৰপ্ৰাপ্ত সভাপতি নিয়োগ কৰে আপে। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰীয় নেতৃত্বই অসমত দলটোক ধৰি ৰাখিব পাৰিবনে নাই সেয়া লক্ষণীয় হব বুলি চৰ্চা হবলৈ ধৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱাকফ বিলৰ বাবে নীতিশৰ সংগ ত্যাগ জ্যেষ্ঠ

হৈছে এনডিএৰ মিত্ৰদল নীতিশ কুমাৰৰ জেডিইউ-এ। লোকসভা আৰু ৰাজ্যসভা উভয়তে কেন্দ্ৰীয় চৰকাৰে গৃহীত কৰা এই বিধেয়কখনক লৈ ইতিমধ্যে জেডিইউৰ কেইবাজনো মুছলমান নেতাই ক্ষোভ প্ৰকাশ কৰিছে। বিহাৰৰ ৰাজনীতিত একাংশই আনকি দল ত্যাগ কৰা বুলিও তীব্ৰ চৰ্চা আৰম্ভ হৈছে। খবৰ অনুসৰি, বহু নেতাই ইতিমধ্যে নীতিশৰ সংগ এৰাৰ কুচকাৱাজ আৰম্ভ কৰিছে। আনকি এই বিধেয়কখন উত্থাপন হোৱাৰ পূৰ্বেই জেডিইউৰ জ্যেষ্ঠ নেতা তথা বিধান পৰিষদৰ সদস্য গুলাম ঘাউছে ৰাজহুৱাভাৱে বিধেয়কখনৰ বিৰোধিতা কৰিছিল। তেওঁৰ স্পষ্ট অভিযোগ যে এয়া 'মুছলমান বিৰোধী' বিধেয়ক। কোনো কাৰণতে বিধেয়কখন সমৰ্থন নকৰিবলৈ দলীয় নেতৃত্বক আবেদন জনাইছিল ঘাউছে। কিন্তু সেই অনুৰোধ মঞ্জুৰ নহ'ল। ইয়াৰ বিপৰীতে জেডিইউ-এ মোদী চৰকাৰৰ কাষত থিয় দি সংসদৰ দুয়োটা সদনত বিধেয়কখনক সমৰ্থন কৰে। এই মুহূৰ্তত দলটোৰ মুছলমান সংগঠনৰ ভিতৰত ক্ষোভৰ স্ফুলিংগ ফুটিবলৈ আৰম্ভ হৈছে। বৃহস্পতিবাৰে জেডিইউৰ দুই গুৰুত্বপূৰ্ণ মুছলমান নেতা কাছিম আনছাৰী আৰু মহম্মদ নৱাজ মালিকে ৰাজহুৱাভাৱে দলৰ পৰা আঁতৰি যোৱাৰ কথা ঘোষণা কৰে। সূত্ৰটোৱে জনোৱা মতে, দুয়োজনেই হয়তো আৰজেডিত যোগদান কৰিব পাৰে। ইয়াৰ পূৰ্বে পাছমাণ্ডা মুছলমান সম্প্ৰদায়ৰ প্ৰভাৱশালী ব্যক্তি তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ আলী আনোৱাৰে কংগ্ৰেছত যোগদান কৰে। জানিব পৰা মতে যদিও ঘাউছে এতিয়াও আনুষ্ঠানিকভাৱে দলৰ পৰা আঁতৰি যোৱাৰ কথা ঘোষণা কৰা নাই, তথাপি তেওঁৰ স্থিতিও স্পষ্ট। এনে পৰিস্থিতিত জেডিইউৰ শীৰ্ষ নেতৃত্বৰ অস্বস্তি বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ৱাকফ বিতৰ্কৰ বাবে পিছপৰা মুছলমানৰ এক বৃহৎ অংশই জেডিইউক পিঠি দিব পাৰে বুলি আশংকাত কঁপিছে বিহাৰৰ শাসকীয় দল। প্ৰসংগক্ৰমে বিহাৰত চলিত বৰ্ষৰ শেষৰ ফালে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা। দীৰ্ঘদিন ধৰি পিছপৰা মুছলমান ভোট বেংকটোৱেই আছিল নীতিশ কুমাৰৰ আটাইতকৈ ডাঙৰ আশা। কিন্তু ৰাজনৈতিক বিশ্লেষকৰ মতে ৱাকফ বিল বিতৰ্কত ইজনৰ পিছত সিজন নেতাই দল এৰাত জেডিইউৰ আস্থাৰ ভেটি থৰকবৰক কৰিব পাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কচুতলীত ৫০টা পৰিয়ালৰ ঘৰত প্ৰশাসনৰ

কচুতলীত কামৰূপ মহানগৰ জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। আজি পুৱাই আৰক্ষী-অৰ্ধসামৰিক বাহিনী লৈ কামৰূপ মহানগৰ জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। জানিব পৰা মতে, প্ৰায় ৫০ টা পৰিয়ালৰ ঘৰ-দুৱাৰ প্ৰশাসনে উচ্ছেদ কৰে। উল্লেখ্য, ছমাহ পূৰ্বে জনজাতীয় আৰেষ্টনী এলেকাত উচ্ছেদ অভিযান চলোৱা হৈছিল যদিও সেই একেই এলেকাত বেদখল আৰম্ভ হোৱাত প্ৰশাসনে বুলড'জাৰ চলায়। সোণাপুৰৰ কচুতলীৰ পাৰগোমাত ৬ মাহ পূৰ্বে প্ৰশাসনে উচ্ছেদ চলাইছিল। ট্ৰাইবেল বেল্ট এণ্ড ব্লকত বসতি স্থাপন কৰা লোকসকলৰ অধিকাংশৰে নাছিল কোনো উপযুক্ত বৈধ নথি। যাৰ বাবে জনজাতীয় আৰেষ্টনীৰ ভূমিত থকা প্ৰায় সহস্ৰাধিক ঘৰত উচ্ছেদ চলাইছিল প্ৰশাসনে। উচ্ছেদৰ সময়ত প্ৰশাসন তথা নিৰাপত্তাৰক্ষীৰ সৈতে সংঘাতত লিপ্ত হৈছিল একাংশ বেদখলকাৰী। আৰক্ষী-প্ৰশাসনৰ লোকলৈ শিলাবৰ্ষণ কৰিছিল উচ্ছেদিতই। উচ্ছেদিতৰ ৰুদ্ৰমূৰ্তি দেখি ঘটনাস্থলীৰ পৰা দলে-বলে পলাবলৈ বাধ্য হৈছিল উচ্ছেদত নিয়োজিত আৰক্ষীৰ দল। বেদখলকাৰীৰ আক্ৰমণত আহত হৈছিল মহিলা আৰক্ষীসহ কেইবাজনো আৰক্ষীৰ লোক আৰু দণ্ডাধীশ। ফলত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে গুলীচালনা কৰিবলৈ বাধ্য হৈছিল আৰক্ষী। আৰক্ষীয়ে চলোৱা গুলীচালনাত আহত হৈছিল কেইবাজনো বেদখলকাৰী। ২ বেদখলকাৰীৰ সোণাপুৰ জিলা চিকিৎসালয়ত মৃত্যু হৈছিল। তাৰ পাছতে কচুতলীৰ পাৰগোমাত মোতায়েন কৰিছিল আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ বৃহৎ দল। অৱশ্যে পৰৱৰ্তী সময়ত শান্তিপূৰ্ণভাৱে সমাপ্ত হৈছিল উচ্ছেদ অভিযান। কামৰূপ মহানগৰ জিলা প্ৰশাসনে উচ্ছেদ চলোৱাৰ পিছতে শেহতীয়াকৈ পুনৰ কচুতলীত বসতি স্থাপনৰ চেষ্টা চলাইছে বেদখলকাৰীয়ে। ট্ৰাইবেল বেল্টৰ ভূমি দখলৰ উদ্দেশ্যে কচুতলীৰ মছজিদত বাহৰ পাতি আছে প্ৰায় ৩০০ ৰো অধিক উচ্ছেদিত লোকৰ পৰিয়ালে। সেইসকল লোকে পুনৰ কচুতলীত বেদখল আৰম্ভ কৰাত আৰক্ষী,-অৰ্ধসামৰিক বাহিনী লৈ আজি প্ৰশাসনে উচ্ছেদ অভিযান চলায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰী কৰ্মচাৰীক বিহুৰ উপহাৰ অসম

গ্ৰহণ কৰে কেবিনেটে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি সিদ্ধান্তসমূহ ৰাজহুৱা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰা মতে, অসম চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ বাবে ২ শতাংশ মৰগীয়া বানচ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱাৰ কথা উল্লেখ কৰে। আমাৰ ৰাজ্যিক কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ বাবে বিহুৰ বিশেষ উৎসাহৰ বতৰা দিয়া বুলি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ প্ৰগতিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা সকলো চৰকাৰী কৰ্মচাৰীৰ কঠোৰ পৰিশ্ৰমৰ বাবে আমি গৌৰৱান্বিত। আজি অসম কেবিনেটে ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ মৰগীয়া বানচ, মৰগীয়া সাহায্যৰ হাৰ ৫৩ শতাংশৰ পৰা ৫৫ শতাংশলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ১ জানুৱাৰী ২০২৫ ৰ পৰা কাৰ্যকৰী হোৱাকৈ গ্ৰহণ কৰা এই সিদ্ধান্তই ৭ লাখ ৩৮ হাজাৰ অধিক কৰ্মচাৰী, পেঞ্চনাৰক লাভান্বিত কৰিব। ৫৫ শতাংশ মৰগীয়া বানচ-মৰগীয়া সাহায্য প্ৰদান কৰা দেশৰ ভিতৰতে প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে অসম। মুখ্যমন্ত্ৰীয়ে বান পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বান পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে মথাউৰি সমিতি গঠন কৰাৰ সিদ্ধান্ত লৈছে কেবিনেটে। ভৰ বাৰিষাকালত ৮-১০ কিলোমিটাৰ মথাউৰি চাবলৈ ১০-১৫ জনীয়া যুৱ বাহিনী গঠন কৰা হ'ব। সমিতিয়ে স্বেচ্ছামূলকভাৱে সেৱা আগবঢ়াব। গাঁওৰক্ষী বাহিনীৰ দৰে যুৱ বাহিনীয়ে বান নিয়ন্ত্ৰণ আদিত সহায় কৰিব ৰাজ্য চৰকাৰক। এপ্ৰিলৰ মাহৰ পৰা অক্টোবৰ মাহলৈ মথাউৰিসমূহৰ নিৰীক্ষণ কৰিব নৈপৰীয়া ৰাইজৰ দ্বাৰা গঠন কৰা সমিতিয়ে। অক্টোবৰ মাহত যুৱ বাহিনীৰ সদস্যক একোখনকৈ কৃতজ্ঞতা পত্ৰ প্ৰদান কৰিব মুখ্যমন্ত্ৰীয়ে। আজি কেবিনেটে জাগীৰোডত ৱৰ্কিং ৱ'মেন হোষ্টেল খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৪২ কোটি টকা ব্যয়ৰে ৱৰ্কিং ৱ'মেন হোষ্টেল নিৰ্মাণ কৰা হ'ব। এই হোষ্টেলত থাকিব ছেমিকণ্ডাক্টৰৰ মহিলা কৰ্মচাৰী। ১ ব'হাগৰ পৰা সকলো চৰকাৰী কাৰ্যালয়ত অসমীয়া ব্যৱহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰী সকলো জাননী, অধিসূচনা ইংৰাজীৰ লগতে অসমীয়াত প্ৰকাশ কৰিব লাগিব বিভাগে। বিটিআৰ ইংৰাজীৰ লগতে বড়ো আৰু বৰাকত ইংৰাজীৰ লগতে বাংলা অনিবাৰ্য হ'ব। লগতে আজি কেবিনেটে অসমৰ ৫০০ চাহ বাগিচাত মহাপ্ৰভু জগন্নাথ কমিউনিটি হল স্থাপনৰ বাবেও অনুমোদন জনাইছে। চৰকাৰী চিকিৎসালয়ত ঔষধ ক্ৰয়ৰ বাবে ১৯০ কোটি টকা আবণ্টন দিয়ে। আজিৰ সংবাদমেলত মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক কটাক্ষ কৰে। ৱাকফ বিল উত্থাপনৰ সময়ত লোকসভাত গৌৰৱ গগৈয়ে কংগ্ৰেছৰ হৈ বিৰোধৰ নেতৃত্ব দিছিল। সেই সময়ত মুছলমানৰ বিৰুদ্ধে অন্যায়ৰ কথা উল্লেখ কৰি পথত নামাজ পঢ়াত বাধা দিয়াৰ লগতে মুছলমানসকলে স্বাধীনতা আন্দোলনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা বুলি কৈছিল। গৌৰৱ গগৈৰ সেই কথাৰ প্ৰসংগ উল্লেখ কৰি আজি মুখ্যমন্ত্ৰীয়ে দেশবাসীৰ ওচৰত ক্ষমা খোজে। মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ মন্তব্যৰ বাবে দেশবাসীৰ ওচৰত ক্ষমা খোজা বুলি কয়। হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে অসমৰ মুছলমান লোকে ৰাজপথত নামাজ নপঢ়ে। নামাজ পঢ়িবলৈ অসমত সুন্দৰ মছজিদ আছে। স্বাধীনতা সংগ্ৰাম যেন হিন্দু মানুহে কৰাই নাই, এটা বিশেষ ধৰ্মৰ মানুহেহে কৰিছিল। সংসদত তেওঁ যিবোৰ মন্তব্য কৰিলে মুখ্যমন্ত্ৰী হিচাপে মই নিজেই লজ্জিত অনুভৱ কৰিছো, কষ্ট পাইছো। অসমৰ মুছলিম মানুহেও ৰাস্তাত নামাজ পঢ়িব নিবিচাৰে। তেওঁলোকে ধুনীয়া মছজিদ বনাইছে, তেওঁলোকে মছজিদত নামাজ পঢ়ে। অসমৰ কোনো মুছলমান মানুহেও বিচৰা নাই, তেওঁ তাতকৈয়ো ওপৰলৈ গ'ল। দ্বিতীয়তে তেওঁ এনেকুৱা কৰি দিলে যে স্বাধীনতা সংগ্ৰাম মহাত্মা গান্ধী, গোপীনাথ বৰদলৈ আদিয়ে কৰাই নাছিল। মই নিজে লাজ পাইছো। দেশৰ বিভিন্নজনে মোক ফোন কৰি আছে। অসমৰ পৰা এনেকুৱা মানুহো এম পি হয় নেকি বুলি মোক সুধিছে? এনেকুৱা বিবৃতিৰ বাবে দেশৰ ওচৰত অসম লজ্জানত হ'বলগীয়া হৈছে। সেয়ে তেওঁ হৈ ময়ে ক্ষমা বিচাৰিছো বুলি কয় মুখ্যমন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মনমোহন সিঙৰ পত্নীৰ নিৰাপত্তা হ্ৰাস মোদী

কেন্দ্ৰীয় চৰকাৰ। প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ পত্নী গুৰচৰণ কৌৰে এতিয়ালৈকে 'জেড প্লাছ' কেটেগৰী নিৰাপত্তা লাভ কৰি আহিছিল। কিন্তু সিঙৰ মৃত্যুৰ কেইমাহমানৰ ভিতৰতে মোদী চৰকাৰে সেই নিৰাপত্তা হ্ৰাস কৰিছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ নতুন নিৰ্দেশনা অনুসৰি এতিয়াৰ পৰা তেওঁ লাভ কৰিব 'জেড' শ্ৰেণীৰ নিৰাপত্তা। স্বাভাৱিকতে বিৰোধী আৰু বিভিন্ন মহলে কেন্দ্ৰৰ এই সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰিছে। নিয়ম অনুসৰি চৰকাৰে সৰ্বোচ্চ 'জেড প্লাছ' নিৰাপত্তা প্ৰদান কৰে প্ৰাক্তন প্ৰধানমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালৰ লোকক। এই নিৰাপত্তাৰ বাবে কেইবাজনো চিআৰপিএফ জোৱান নিয়োগ কৰা হয়, যিয়ে ২৪ ঘণ্টীয়া নজৰ ৰাখে আৰু ভ্ৰমণৰ সময়ত তেওঁলোকৰ লগত থাকে। কিন্তু বৰ্তমান চৰকাৰে সেই নিয়মৰ ব্যতিক্ৰম কৰিছে। গৃহ মন্ত্ৰালয়ে দাবী কৰিছে যে নিয়ম অনুসৰি প্ৰতি বছৰে নিৰাপত্তাৰ পৰ্যালোচনা কৰা হয় আৰু সেই পৰ্যালোচনাৰ ভিত্তিত গুৰচৰণ কৌৰৰ নিৰাপত্তা এটা স্তৰ হ্ৰাস কৰা হৈছে। এতিয়াৰ পৰা তেওঁৰ লগত ৬ জন বন্দুকধাৰী থাকিব আৰু তেওঁৰ বাসগৃহত সকলো সময়তে ২ জন নিৰাপত্তাৰক্ষী থাকিব। প্ৰসংগক্ৰমে এয়া প্ৰথম নহয়, ২০১৯ চনৰ আৰম্ভণিতে মোদী চৰকাৰৰ দিনত মনমোহন সিং আৰু তেওঁৰ পত্নীৰ নিৰাপত্তা হ্ৰাস কৰা হৈছিল। সেই সময়ত তেওঁলোকৰ 'এছপিজি' ছিকিউৰিটি প্ৰত্যাহাৰ কৰি তেওঁলোকক 'জেড প্লাছ' ছিকিউৰিটি দিয়া হৈছিল। চৰকাৰে উল্লেখ কৰে যে ভৱিষ্যতে বৰ্তমানৰ প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাৰ বাবেহে এছপিজি আবণ্টন দিয়া হ'ব। বাকীবোৰ সৰ্বোচ্চ 'জেড প্লাছ' স্তৰত থাকিব। কিন্তু এইবাৰ 'জেড প্লাছ' নিৰাপত্তাও হ্ৰাস পোৱাত বিভিন্ন মহলত উদ্বেগ বিয়পি পৰিছে। ২০০৪ চনৰ পৰা ২০১৪ চনলৈ একেৰাহে ১০ বছৰ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে থকা মনমোহন সিঙে যোৱা বছৰৰ ২৬ ডিচেম্বৰত দিল্লীস্থিত নিজৰ বাসগৃহত ৯২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰিছিল। এনে এগৰাকী নেতাৰ মৃত্যুৰ কেইমাহমানৰ ভিতৰতে পত্নীক প্ৰদান কৰা নিৰাপত্তা হ্ৰাস কৰাৰ বাবে চৰকাৰৰ মানৱীয়তাক লৈও বিৰোধীয়ে প্ৰশ্ন উত্থাপন কৰিছে।

# ৱাকফ সংশোধনী বিধেয়কৰ বিৰুদ্ধে হোজাইত তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, মোৱাঝাৰ, ৪ এপ্ৰিলঃ** সমগ্ৰ দেশৰ লগতে এইবাৰ হোজাই জিলাত ৱাকফ সংশোধনী বিধেয়কৰ বিৰুদ্ধে গৰজি উঠিল আমছু আৰু মুছলমান সমাজ। এইবাৰ হোজাই জিলা আমছুৰ অন্তৰ্গত যমুনামুখ, চাংমাজি, ডবকা, বেদৌআটি, আকাশীগংগা, নীলবাগান, মোৱাঝাৰ, বৰহাওৰ, দেৰস্থান, চৌধুৰীবাজাৰ, কাকী, উদালী, যমুনাচিট, বৰপুখুৰী, হোজাই সদৰ আদি সকলো আঞ্চলিক সমিতিয়ে এই বিল দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। আকাশীগংগা আঞ্চলিক সমিতিৰ প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে হোজাই জিলা আমছুৰ সভাপতি কবিৰ আহমেদ লস্কৰে। কালি নিশা ২.৩৩ বজাত ৰাজ্যসভাত ৱাকফ সংশোধনী বিধেয়ক গৃহীত হোৱাৰ পিছত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে হোজাই জিলা আমছুৱে। আমছুৰ লগতে শ শ মুছলমান লোক ৰাজপথলৈ ওলাই মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত কৰে। কোনো কাৰণত এই বিল আমছুৱে মানি নলয় বুলি হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। এই বিল বাতিলৰ দাবীত শ শ মুছলমান লোক আৰু আন দল-সংগঠনৰ মুছলমান কৰ্মকৰ্তাইও প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয়।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...


# ৰাভা হাছং দখল যৌথ মঞ্চৰ

অনুষ্ঠিত হোৱা ৩৩ খন আসনৰ ভিতৰত ৩২ খনেই লাভ কৰিছে ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে। অসমৰ বিৰোধীৰ হাতলৈ আহে মাথোঁ এখন আসন। বিৰোধীয়ে নিৰ্বাচনী প্ৰচাৰৰ পৰা একপ্ৰকাৰ আঁতৰি বিজেপি মিত্ৰজোঁটক ৱাকঅভাৰ দিছিল। কংগ্ৰেছ নেতৃত্ব ৰাভা হাছঙত প্ৰচাৰ চলি থকাৰ সমতে উত্তৰ অসমত ব্যস্ত আছিল। খোদ অসমৰ তত্বাৱধায়কে অসম ভ্ৰমণ কৰিছিল যদিও ৰাজীৱ ভৱন আৰু শোণিতপুৰত সভা কৰি দিল্লীলৈ উভতি যায়। আনহাতে অখিল গগৈৰ দল ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে প্ৰাৰ্থী থিয় কৰাবলৈ সাহস নকৰিলে। ফলত কংগ্ৰেছে মাত্ৰ এখন আসন লাভ কৰে। বিপৰীতে বিজেপি মিত্ৰজোঁট ৩৩ খন আসন দখল কৰিবলৈ সক্ষম হৈছে। আজি পুৱাৰে পৰা আৰম্ভ হোৱা ভোটগণনাত দুপৰীয়াৰ পৰা ফলাফল ঘোষণা কৰা হৈছে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত এখন আসনত জয়ী হৈ খাটা খুলিছে কংগ্ৰেছে। কুশধোৱা-দৰংগিৰি সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী পৰমা ৰাভা জয়ী হয়। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তথা ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ মুখ্য আহ্বায়ক টংকেশ্বৰ ৰাভা পুনৰ বিপুল ভোটত জয়ী হৈছে। ৭ নং দক্ষিণ দুধনৈ পৰিষদীয় সমষ্টিত টংকেশ্বৰ ৰাভাই ৭১৬১ টা ভোট লাভ কৰি শেষ হাঁহি মাৰে। বিপৰীতে কংগ্ৰেছৰ সঞ্জীৱ ৰাভাই ভোট লাভ কৰে ১৫৯৩ টা ভোট। ৫,৫৬৮ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি শেষ হাঁহি মাৰে। গোৱালপাৰা জিলাৰ ১২ নং ডিৰ্মাজাখিলী সমষ্টিত জীৱন ৰাভা বিজয়ী হৈছে। ১৪ নং জিনাৰী সমষ্টিত দেবান মমিন, ১ নং ধূপধৰা সমষ্টিত অনাদি সৰকাৰ, ২ নং কোঠাকুঠি সমষ্টিত বিজেপিৰ ভৈৰল কছাৰী, ৩ নং ধনুভাঙাত ফণীন্দ্ৰ ৰাভা, ৬ নং উত্তৰ দুধনৈ সমষ্টিত শান্তি বসুমতাৰী জয়ী হৈছে। গোৱালপাৰা জিলাৰ ২০ নং জয়ৰামকুছি সমষ্টিত বিজেপিৰ প্ৰেমাজলী ৰাভা, ২৫ নং হাহিম সমষ্টিত সোণাৰাম ৰাভা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। কামৰূপ জিলাৰ ৰাভা হাছং পৰিষদৰ অন্তৰ্গত ১৪ টা সমষ্টিত বৃহৎ জয় লাভ কৰিছে বিজেপি মিত্ৰজোঁটে। যৌথ মঞ্চৰ প্ৰাৰ্থীসকল ব্যাপক ভোটৰ ব্যৱধানত জয়ী হ'বলৈ সক্ষম হৈছে। বকো সমষ্টিত সুমিত ৰাভা, জোঙাখুলি সমষ্টিত অৰ্জুন ছেত্ৰী, বামুণীগাঁও সমষ্টিত অজিত ৰাভা, বন্দাপাৰা সমষ্টিত মেঘালী ৰাভা, লুকী সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী ৰেলিন্না জে মাৰাকে জয়লাভ কৰে। উত্তৰ বনগাঁও সমষ্টিত আদিত্য ৰাভা, জাৰিহাট সমষ্টিত অশোক কুমাৰ ৰাভা, পাণ্টান সমষ্টিত ৰমাকান্ত ৰাভা, গোবৰ্ধন সমষ্টিত জ্যোতিষ চন্দ্ৰ ৰাভা, ৰাণী সমষ্টিত পুষ্পাঞ্জলি কুমাৰী বড়ো, শিলপোটা সমষ্টিত কমলেশ্বৰ ৰাভা, দক্ষিণ বনগাঁও সমষ্টিত মিনতি ৰাভা, চানডুবি সমষ্টিত নৃপেন চন্দ্ৰ ৰাভা, কুলচি সমষ্টিত ৰশ্মিমালা ৰাভাই বৃহৎ ভোটৰ ব্যৱধানত জয়লাভ কৰে। ২ এপ্ৰিলত মুঠ ৩৬ টা সমষ্টিৰ ৰভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ৩৩ টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হয়। ২০ টা সমষ্টি গোৱালপাৰা জিলাৰ অন্তৰ্গত আৰু ১৬ টা সমষ্টি কামৰূপ জিলাৰ অন্তৰ্গত। তিনিটা সমষ্টিত বিজেপি মিত্ৰজোঁট বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হয়। মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভাই নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতে কয় যে নিৰ্বাচন অনুষ্ঠিত হোৱা ৩৩ টা সমষ্টিৰ ভিতৰত ৩২ টা সমষ্টিতে ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি জয়ী হৈছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হৈছে। কেৱল এটা সমষ্টিতহে যৌথ মঞ্চৰ প্ৰাৰ্থী প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বাকী আটাইকেইটা সমষ্টিতে অনায়াসে মিত্ৰজোঁটৰ জয়ী হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই যৌথ মঞ্চৰ প্ৰাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৬ৰ পূৰ্বে তৃণমূল পৰ্যায়ত দলক শক্তিশালী

সভাপতিৰ সন্মিলন অনুষ্ঠিত হৈ আছে। আজি তৃতীয় ৰাউণ্ডৰ বৈঠক অনুষ্ঠিত হয়। আজি ৬ ৰাজ্য আৰু দুখন কেন্দ্ৰীয়শাসিত প্ৰদেশৰ সভাপতিসকলৰ বৈঠক অনুষ্ঠিত হয়। মুঠ ৩০২ গৰাকী সভাপতিয়ে আজি অংশ লয়। সন্মিলনৰ আজিৰ তৃতীয় ৰাউণ্ডৰ অন্তত কে চি বেণুগোপাল আৰু পৱন খেৰাই সংবাদমেল সম্বোধন কৰি কয় যে ৩০২ গৰাকী জিলা সভাপতিয়ে মুক্ত মনেৰে নিজৰ মনৰ কথা প্ৰকাশ কৰে। জিলা সভাপতিৰ সন্মিলনত মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী, কে চি বেণুগোপাল আদি নেতাই ভাষণ প্ৰদান কৰি পৰামৰ্শ প্ৰদান কৰে। ১৪ ঘণ্টা ধৰি অনুষ্ঠিত সন্মিলনত জিলা অধ্যক্ষৰ বক্তব্য আৰু কংগ্ৰেছৰ শীৰ্ষ নেতাই প্ৰদান কৰা ভাষণ জিলা সভাপতিসকলে শুনে। তৃণমূল পৰ্যায়ত কংগ্ৰেছক কেনেদৰে মজবুত কৰিব পৰা যায় সেই সম্পৰ্কত জিলা সভাপতিসকলৰ পৰা পৰামৰ্শ লয়। ভোটাৰ তালিকা কেনেদৰে নিৰীক্ষণ কৰিব তাক লৈ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই পৰামৰ্শ দিয়ে। পৱন খেৰাই কয় যে গুজৰাটৰ আহমেদাবাদৰ সবৰমতিত মহাত্মা গান্ধীৰ কংগ্ৰেছ অধ্যক্ষ হোৱাৰ এশ বছৰ সম্পূৰ্ণ হোৱাত ৮ আৰু ৯ এপ্ৰিলত অনুষ্ঠিত বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। চৰ্দাৰ পেটেলৰ ১৫ সংখ্যক জয়ন্তী। দুয়োগৰাকী গুজৰাটৰ। এইখন গুজৰাট মোদী আৰু শ্বাহৰ নহয়। গান্ধী আৰু পেটেলৰ গুজৰাট। নিখিল ভাৰত কংগ্ৰেছে আয়োজন কৰা এই সন্মিলনত দেশৰ সকলো জিলাৰ সভাপতিসকলে এদিন এদিন অংশ লৈছে। কংগ্ৰেছৰ সাংগঠনিক দিশক লৈ গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। এই সন্মিলনত মল্লিকাৰ্জুন খাৰ্গে, বিৰোধী দলপতি ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, কে চি বেণুগোপালে উপস্থিত থাকে। এই সন্মিলনত কংগ্ৰেছৰ শীৰ্ষ নেতাসকলে সংগঠনৰ মজবুত কৰিবলৈ মন্ত্ৰ দিছে। বিজেপিৰ নীতিৰ বিৰুদ্ধে সন্মুখৰ পৰা নেতৃত্ব দি বিজেপিৰ অপপ্ৰচাৰৰ মুকলিকৈ বিৰোধ কৰি সত্য ৰাইজৰ মাজলৈ নিয়াৰ পৰামৰ্শ দিয়ে। জিলা কংগ্ৰেছৰ সভাপতিসকলক মল্লিকাৰ্জুন খাৰ্গেয়ে নিজ ৰাজ্যৰ জিলাসমূহত সকলো পৰ্যায়ৰ নেতাক সক্ৰিয় কৰিবলৈ আহ্বান জনায়। অসমৰ জিলাৰ ৩৫ খন জিলাৰ সভাপতিসকল আজি উপস্থিত থাকে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ নেতৃত্বৰ অসমৰ ৩৫ খন জিলাৰ সভাপতিসকলে এখন বাছেৰে মুখ্য কাৰ্যালয় ইন্দিৰা ভৱনত উপস্থিত হয়। বৈঠকত অসম কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং উপস্থিত থাকে। বৈঠকত অসমৰ পঞ্চায়ত নিৰ্বাচন আৰু আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লৈ আলোচনা কৰা বুলি জানিব পৰা গৈছে। বৈঠকত উপস্থিত ৩৫ জন জিলা সভাপতিৰ মতামত গ্ৰহণ কৰাৰ লগতে নেতৃত্বক লৈও প্ৰশ্ন কৰে মল্লিকাৰ্জুন খাৰ্গে, বিৰোধী দলপতি ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, কে চি বেণুগোপালে। লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈ, অসম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং, বিকাশ উপাধ্যায়, পৃথ্বীৰাজ সাথে আৰু মনোজ চৌহানো উপস্থিত থাকে। আগন্তুক দিনত কংগ্ৰেছ দলৰ ভেটি শক্তিশালী আৰু সুদৃঢ় কৰাৰ উদ্দেশ্যে ল'বলগীয়া কাৰ্যপন্থাৰ বিষয়ে বিস্তৃত আলোচনা কৰা বুলি জানিব পৰা গৈছে। এই বৈঠকৰ অন্তত ৰাজ্যিক সভাপতি ভূপেন বৰাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে নিখিল ভাৰত কংগ্ৰেছে অসমৰ সভাপতিসকল পৰা কি কি সমস্যা আছে জানিব খুজিছিল। জিলা সভাপতিসকলে নেতৃত্বৰ সন্মুখত নিজ জিলাৰ কাম কৰাৰ সময়ত কি কি সমস্যাৰ সন্মুখীন হয় সেই কথা ব্যাখ্যা কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ ক্ষমতা হস্তান্তৰ হ'ব জিলা সমিতিসমূহলৈ। পঞ্চায়ত, বিধানসভাত প্ৰাৰ্থিত্বৰ ক্ষেত্ৰত ভূমিকা থাকিব জিলা সভাপতিসকলৰ। ইতিমধ্যে আমি পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থী ঠিক কৰাৰ ক্ষমতা হস্তান্তৰ কৰিছো। বিধায়ক নিৰ্বাচিত নিৰ্বাচনত জিলা সভাপতিৰ বক্তব্য অত্যন্ত গুৰুত্ব দিয়া হ'ব। এই কথা ৰাহুল গান্ধীয়ে কৈ দিছে। নিখিল ভাৰত কংগ্ৰেছে জিলা সভাপতিক প্ৰদান কৰিব বিশেষ ফোন নম্বৰ। এতিয়াৰ পৰা প্ৰত্যক্ষভাৱে যোগাযোগ ৰাখিব। কাইলৈ সন্ধিয়াৰ ভিতৰত মোবাইল নম্বৰ জাৰি কৰিব। নম্বৰ গোপন হ'ব। সুবিধা-অসুবিধাৰ কথা জনাব পাৰিব। লগতে মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই বৰাই কয় যে মোৰ চিণ্ডিকেটৰ বিৰুদ্ধে যুঁজিবলৈ সাহস আছে। দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে যুঁজিবলৈ সাহস আছে। বিজেপিৰ অপকৰ্মৰ বিৰুদ্ধে মই যুঁজিম। কিন্তু ভোটৰ সিদ্ধান্ত মই অকলে ল'ব নোৱাৰিম। ভোটৰ সিদ্ধান্ত অসমৰ ৰাইজে ল'ব। আজি মূল্য বৃদ্ধি হৈছে। ১৬ হাজাৰ পদত ৩২ লাখ মানুহে নিযুক্তি পৰীক্ষা দিছে। আজিও বাঁহৰ দলে আছে। গাঁওবুঢ়া, টেট শিক্ষক, অংগনবাড়ী কৰ্মী, আশা কৰ্মীয়ে প্ৰতিবাদ কৰি আছে। জলমিত্ৰই আত্মহত্যা কৰি আছে। এই কথাবিলাক চৰকাৰৰ সন্মুখত ৰাইজৰ হৈ শক্তিশালী ৰূপত কংগ্ৰেছে উত্থাপন কৰিছে আৰু কৰি যাব বুলিও উল্লেখ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই।



নাজিৰাৰ মেকিপুৰ চাহ বাগিচা কৰ্তৃপক্ষৰ অবিবেচক কাণ্ডৰ পৰিণতি, ফটোঃ ই-সংবাদ, নাজিৰা

## তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালৰ কাণ্ডত প্ৰতিক্ৰিয়া

# আলোচনালৈ মাতি নি ভাবুকি জিলা আয়ুক্তৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৪ এপ্ৰিলঃ** তিনিচুকীয়া জিলাৰ আয়ুক্ত আইএএছ স্বপ্নীল পালৰ শেহতীয়া কাম-কাজক লৈ জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এদিন পূৰ্বে জিলা আয়ুক্ত পালে তিনিচুকীয়া বৰগুৰিস্থিত কাৰ্যালয়ৰ সভাকক্ষত কেইবাটাও খিলঞ্জীয়া তথা জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বক আলোচনাৰ বাবে মাতি আলোচনা কালতে ভাবুকি প্ৰদান কৰাৰ এক গুৰুতৰ শেষাংশ ৮ পৃষ্ঠাত

# ৩ ৰাজপত্ৰিত বিষয়াৰ ঘৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ অভিযান

## মাছুম-তনবীৰ-ৰিতিমণিৰ দুৰ্নীতি! বাসগৃহত অভিযান

**ই-সংবাদ, গুৱাহাটী-মঙলদৈ ৪ এপ্ৰিলঃ** আজি গুৱাহাটী আৰু দৰং জিলাত তিনিগৰাকী ৰাজপত্ৰিত বিষয়াৰ আৱাসত অভিযান চলাইছে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে। গুৱাহাটীত তনবীৰ ইউছুফ আহমেদ আৰু মাছুম আহমেদৰ আৱাসত, ছিপাঝাৰৰ চক্ৰ বিষয়া ৰিতিমণি দাসৰ ভাড়াঘৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলায়। আজি পুৱাই মুখ্যমন্ত্ৰীৰ এটা তদাৰকী কোষে বজালীৰ পাটাছাৰকুছিৰ নিলম্বিত ৰাজহ চক্ৰ বিষয়া মাছুম আহমেদ আৰু দলগাঁৱৰ তদানীন্তন ৰাজহ চক্ৰ বিষয়া শেষাংশ ৮ পৃষ্ঠাত

# মহাৰাষ্ট্ৰত ভয়ানক দুৰ্ঘটনা, ৭ গৰাকী মহিলা কৃষি শ্ৰমিকৰ মৃত্যু

**নন্দেদ, ৪ এপ্ৰিলঃ** মহাৰাষ্ট্ৰৰ নন্দেদ জিলাৰ আসেগাঁও গাঁৱত শুকুৰবাৰে পুৱা এক ভয়ানক দুৰ্ঘটনাত ৭ গৰাকী মহিলা কৃষি শ্ৰমিকৰ মৃত্যু হয়। ট্ৰেক্টৰ-ট্ৰলী এখন ৯০ ফুট দ' পানীৰে ভৰা কুঁৱাত পৰি সংঘটিত হয় এই শোকাবহ ঘটনা। পুৱা প্ৰায় ৭.৩০ শেষাংশ ১০ পৃষ্ঠাত

# ৱাকফ মুছলমানৰ সম্পত্তি, ইয়াত বিজেপিৰ নৈতিক অধিকাৰ নাইঃ আমছু

**ই-সংবাদ, কোকৰাঝাৰ, ৪ এপ্ৰিলঃ** ৰাজ্যসভা আৰু লোকসভা উভয়তে ৱাকফ(সংশোধনী) বিধেয়ক-২০২৪ গৃহীত হোৱাৰ পিছতে সংখ্যালঘুৰ বিভিন্ন দল সংগঠনসমূহ প্ৰতিবাদমুখৰ হৈ পৰিছে । আমছুৱে আজি ৰাজ্যজুৰি প্ৰতিবাদ সাৰস্থ্য কৰাৰ সমান্তৰালভাৱে কোকৰাঝাৰ জিলা আমছুৰ উদ্যোগতো জিলাখনৰ ভোটগাঁৱত প্ৰতিবাদী কাৰ্যসূচী শেষাংশ ৭ পৃষ্ঠাত

# আদালতৰ নিৰ্দেশত প্ৰতীক হাজেলাৰ বিৰুদ্ধে গোচৰ ৰুজু

**ই-সংবাদ, ৪ এপ্ৰিলঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত অসমত চলা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ সময়ে সময়ে উত্থাপিত হৈ আহিছে। বিশেষকৈ শেষাংশ ৭ পৃষ্ঠাত

# সুৰাপান কৰিবলৈ নাপাই বৃদ্ধা মাতৃক প্ৰহাৰ মদাহী পুত্ৰৰ

**ই-সংবাদ, শিৱসাগৰ, ৪ এপ্ৰিলঃ** শিৱসাগৰৰ ফুকন নগৰ ন-পাম গাঁৱত যোৱা নিশা এক ভয়ংকৰ কাণ্ড কৰে সুৰাত মাতাল এজন ব্যক্তিয়ে। কুলাংগাৰ মদাহী পুত্ৰই গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰি মূৰ ফালিলে ৭০ বছৰীয়া বৃদ্ধা মাতৃৰ। শেষাংশ ৭ পৃষ্ঠাত

# নাজিৰাত বাগান কৰ্তৃপক্ষৰ ভুলৰ বাবেই পশুৰ মৃত্যু

**ই-সংবাদ, নাজিৰা, ৪ এপ্ৰিলঃ** বিশ্বৰ ভিতৰতে বিখ্যাত অসমৰ চাহ। এই বিশ্ব খ্যাত আখ্যা আজি কলংকিত হ'ল নাজিৰাৰ মেকিপুৰ চাহ বাগিচা কৰ্তৃপক্ষৰ অবিবেচক কাণ্ডৰ বাবে। চাহ বাগিচাখনৰ কৰ্তৃপক্ষৰ তৰফৰ পৰা যোগান ধৰা শেষাংশ ৭ পৃষ্ঠাত

# শিৱসাগৰৰ ইণ্ডাষ্ট্ৰীয়েল ষ্টেটত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, শিৱসাগৰ, ৪ এপ্ৰিলঃ** কেইটামান দিনৰ পূৰ্বে শিৱসাগৰ চহৰৰ সমীপৰ শুকানপুখুৰী অঞ্চলত চোৰাং ভাৱে মজুত ৰখা এইচ পি জি সৰবৰাহ কৰাৰ সময়তে চিনটেক্সৰ বৃহৎ ড্ৰামত পৰি এজন যুৱক মৃত্যু হোৱা ঘটনাকলৈ শেষাংশ ৭ পৃষ্ঠাত

# ফাঁচী বজাৰৰ ঘটনা ডকাইতি নাছিল, নাটক ৰচিছিল অনিলে

**ই-সংবাদ, ৪ এপ্ৰিলঃ** আজি ফাঁচী বজাৰত এক ডকাইতি কাণ্ড সংঘটিত হৈছিল। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। হঠাতে ফাঁচী বজাৰ ইউনিয়ন বেংকৰ এটিএমৰ সন্মুখৰ পৰা এগৰাকী লোকৰ পৰা ৬ লাখ ২৮ হাজাৰ টকা জলকীয়া গুৰি ছটিয়াই কাঢ়ি নিছিল। লগে লগে হাহাকাৰ লাগে। প্ৰচাৰ হ'ল যে ধন জমা থবলৈ অনিল শৰ্মা নামৰ লোকজনৰ পৰা চকুত জলকীয়া গুৰি ছটিয়াই ৬ লাখ টকা লৈ গ'ল ডকাইতে। আৰক্ষী উপস্থিত



হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে। ডকাইতক ধৰিবলৈ অভিযান আৰম্ভ কৰে। আৰক্ষাৰ লগতে উপস্থিত ৰাইজেও এয়া ডকাইতি কাণ্ড বুলি ধৰি লৈছিল। ততাতৈয়াকৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। আৰক্ষীৰ শেষাংশ ৮ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আদালতৰ নিৰ্দেশত প্ৰতীক হাজেলাৰ

এন আৰ চিৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাৰ বিৰুদ্ধে উত্থাপিত হৈ আহিছে অভিযোগ। কিন্তু এইবাৰ অভিযোগ নহয়। প্ৰশাসনিক বিষয়াগৰাকীৰ বিৰুদ্ধে এইবাৰ গোচৰ ৰুজু কৰা হৈছে অসমত। প্ৰতীক হাজেলাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ নিৰ্দেশ দিছে খোদ আদালতেই। আদালতৰ নিৰ্দেশত ৩০৯/২৫ নম্বৰত গোচৰ ৰুজু কৰে দিছপুৰ আৰক্ষীয়ে। মন কৰিবলগীয়া যে ইয়াৰ পূৰ্বেও প্ৰতীক হাজেলাৰ বিৰুদ্ধে একাধিকবাৰ প্ৰতীক হাজেলাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছিল। কিন্তু তাৰ পাছতো হাজেলাৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰা নাছিল আৰক্ষীয়ে। সেয়ে হাজেলাৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰিবলৈ ন্যায়ালয়ৰ কাষ চাপে গীতিকা ভট্টাচাৰ্য নামৰ এগৰাকী মহিলা। গীতিকা ভট্টাচাৰ্যৰ আবেদনৰ ভিত্তিত ন্যায়ালয়ৰ নিৰ্দেশনাত অৱশেষত গোচৰ ৰুজু হ'ল এন আৰ চিৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাৰ বিৰুদ্ধে। অৱশ্যে এই গোচৰ ৰুজু হ'লেও এই গোচৰৰ তদন্ত আৰক্ষীয়ে কেনেদৰে আগবঢ়াই নিয়ে, সেয়া হ'ব লক্ষণীয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সুৰাপান কৰিবলৈ নাপাই বৃদ্ধা মাতৃক

পাৰ্বতী গোৱালানামৰ বৃদ্ধা গৰাকীক ৰতন গোৱালা (৪৫) নামৰ পাশান পুত্ৰই মৰিয়াই মৰিয়াই গুৰুতৰভাৱে আহত কৰে। ফলত মূৰত পৰে কেইবাটাও চিলাই। সুৰা সেৱন কৰিবলৈ ধন নিদিয়া বাবেই ৰতন গোৱালাই গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে মাতৃক। ৰতন গোৱালাৰ পত্নীয়ে ঘৰুৱা কামৰ বাবে শাহুৱেক পাৰ্বতীৰ ওচৰত জমা থৈছিল কেইটামান টকা। তেওঁলোকৰ ঘৰত কাম কৰি যোৱা শ্ৰমিকক দিবলৈ থৈছিল টকা। সেই টকা সুৰাপান কৰিবলৈ বিচাৰি জোৰ কৰিছিল মাতৃক। কিন্তু নিদিয়া বাবেই পাশান পুত্ৰই আক্ৰমণ কৰে মাতৃ পাৰ্বতী গোৱালাক। গুৰুতৰভাৱে আহত পাৰ্বতীক পাছত বোৱাৰীয়েকে চিকিৎসালয়লৈ নি চিকিৎসা প্ৰদান কৰে। তাৰ পিছত নিশাই উপস্থিত হয়গৈ শিৱসাগৰ সদৰ থানাত । এই পাশৱিক ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰে পাৰ্বতী গোৱালাই। লক্ষ্যণীয় যে ইয়াৰ আগেয়েও বিভিন্ন সময়ত মাতৃৰ ওপৰত অমানুষিক অত্যাচাৰ চলাইছিল ৰতন গোৱালাই। এই সন্দৰ্ভতআৰক্ষীক অৱগত কৰিছিল যদিও কোনো পদক্ষেপ লোৱা নাছিল বুলি অভিযোগ তুলিছে। ফলত মাতৃৰ ওপৰত বাঢ়ি গৈছিল নৰাধম পুত্ৰৰ অত্যাচাৰ। এই অভিযোগ ৰতনৰ মাতৃ আৰু পত্নীৰ। এইবাৰ আৰক্ষীয়ে নৰাধম ৰতন গোৱালাৰ বিৰুদ্ধে কি পদক্ষেপ ল'ব সেয়া লক্ষ্যণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নাজিৰাত বাগান কৰ্তৃপক্ষৰ ভুলৰ বাবেই

অতি বিষাক্ত কীত নাশক দ্ৰব্য শ্ৰমিকে অসুৰক্ষিত স্থানত পানীৰ লগত মিহলাই চাহ বাগিচাত চতিয়াই দিয়াৰ ফলত আচলবাৰী গাৱঁৰ ৰাইজৰ পোহনীয়া গৰু, ছাগলীয়ে ঘাঁহ আৰু ডোঙা - ডোঙে পৰি থকা পানী খাই দিয়াৰ ক্ষত্ৰেক পিছতেই অতি কৰুণভাৱে মৃত্যুক আঁকোৱালি লয় কুৰিৰো অধিক পশুধনে। অঞ্চলটোৰ পথৰ কাষৰ লগতে বাগিচাৰ ভিতৰে-বাহিৰে মৃত্যুক আঁকোৱালি লৈ অতি কৰুণভাৱে পৰি থকা দৃশ্যই স্থানীয় ৰাইজ ক্ষোভিত হৈ বাগিচাখনৰ পৰিচালকৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হৈ পৰি। পৰিস্থিতি উত্তপ্ত হৈ পৰাত গেলেকী আৰক্ষী দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। বাগিচাখনত ঘাঁহ আৰু কীট-পতংগ নিৰ্মূলৰ বাবে ব্যৱহাৰ কৰা বিষাক্ত দ্ৰব্যৰ ফলত আজি কুৰিৰো অধিক পশুধনৰ অকাল মৃত্যুৰ কৰুণ দৃশ্যই ৰাইজক মৰ্মাহত কৰি তুলিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিৱসাগৰৰ ইণ্ডাষ্ট্ৰীয়েল ষ্টেটত ভয়ংকৰ

প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে শিৱসাগৰ চহৰৰ সমীপৰ দৰিকাপাৰত থকা ইণ্ডাষ্ট্ৰীয়েল ষ্টেটত আজি পুৱা সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। এই অগ্নকাণ্ড এইচ পি জি মজুতকৰণৰ বাবেই সংঘটিত হোৱা বুলি ধাৰণা কৰা হৈছে। ঔদ্যোগিক ক্ষেত্ৰত থকা এন ই পেইন্ট উদ্যোগৰ থিনাৰ প্লান্টত এই অগ্নিকাণ্ড সংঘটিত হয়। উল্লেখ্য যে এইচ পি জি সহজে দহনীয়। যাৰবাবে অগ্নিকাণ্ড ইমানেই ভয়ংকৰ হৈ পৰিল যে কেইবা কিলোমিটাৰ দূৰৰ পৰা জুই আৰু ধোঁৱা পৰিলক্ষিত হৈছিল। অতি কম সময়ৰ ভিতৰতেই জুই আৰু ধোঁৱাই সমগ্ৰ উদ্যোগটো চানি ধৰে। উদ্যোগত কাম কৰি থকা কৰ্মচাৰী সকলে অগ্নিকাণ্ডৰ লগেলগে পলায়ন কৰাৰ বাবে তেওঁলোকৰ প্ৰাণ ৰক্ষা পৰে। এক সূত্ৰৰ পৰা জানিবপৰা মতে উদ্যোগটোলৈ কালি বিচিপিএল ৰ পৰা টেংকাৰ যোগে ৪০ হেজাৰ লিটাৰ এইচ পি জি অনা হৈছিল। ইমান বৃহৎ পৰিমাণৰ এইচ পি জিৰে থিনাৰ প্ৰস্তুত আৰু ৰং প্ৰস্তুত কৰা বিষয়টো সকলোৰে বাবে অবুজ সাথঁৰ স্বৰূপ হৈ পৰিছে। তাৰ পূৰ্বে কিমান হেজাৰ লিটাৰ এইচ পি জি মজুত ৰখা হৈছিল তাৰ তথ্য এতিয়াও ৰাজহুৱা হোৱা নাই। কিন্তু বটল আৰু আন আন পাত্ৰত কেইবা হেজাৰ লিটাৰ থিনাৰ মজুত আছিল। উদ্যোগটোত কি পৰিস্থিতিত অগ্নিকাণ্ড সংঘটিত হ'ল তাৰ প্ৰকৃত কাৰণ এই পৰ্যন্ত স্পষ্ট হোৱা নাই। কিন্তু অগ্নিকাণ্ডৰ লগে লগেই সমগ্ৰ অঞ্চলটো ক'লা ধোঁৱাই ছানি ধৰাত আতংকময় পৰিৱেশৰ সৃষ্টি হয়। তাৰ পিছতেই কিহৰ বাবে উদ্যোগটোত অগ্নিকাণ্ডৰ সূত্ৰপাত হ'ল তাকলৈ জনসাধাৰণৰ মাজত সৰৱ আলোচনা চলিছে। এই থিনাৰ প্লান্টৰ ভিতৰত কিমান থিনাৰ মজুত আছিল আৰু কিমান টেংকাৰ এইচ পি জি মজুত আছিল তাকলৈও সৰ্বত্ৰ প্ৰশ্ন উঠিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৱাকফ মুছলমানৰ সম্পত্তি, ইয়াত

ৰূপায়ণ কৰা হয়। সেই উপলক্ষে আজি কোকৰাঝাৰ জিলাৰ ভোটগাঁৱত আমছুৰ শতাধিক সদস্যই ৱাকফ (সংশোধনী) বিধেয়ক-২০২৪ৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে প্লেকাৰ্ড লৈ, মুখত কলা কাপোৰ বান্ধি প্ৰতিবাদকাৰীসকলে আমছু জিন্দাবাদ, নৰেন্দ্ৰ মোডী গ' বেক, হিমন্ত গ' বেক, সৰ্বানন্দ গ' বেক, ৱাকফ সংশোধনী নামানো আদি ইত্যাদি শ্লোগানেৰে ভোটগাঁৱৰ পৰিৱেশ উত্তাল কৰি তোলে। তদুপৰি প্ৰতিবাদকাৰীসকলে ৱাকফ বিধেয়কৰ প্ৰতিলিপি দাহ কৰাৰ লগতে বিধেয়কখন শীঘ্ৰে বাতিল কৰাৰ বাবে আহ্বান জনাইছে। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত আমছুৰ কোকৰাঝাৰ জিলা সভাপতি জমিৰ আলি শ্বেখে সংবাদমাধ্যমৰ আগত ৱাকফ মুছলমানৰ সম্পত্তি, ইয়াত বিজেপিৰ নৈতিক অধিকাৰ নাই বুলি মন্তব্য কৰি আমাৰ সম্পত্তি বিজেপিয়ে কাঢ়ি লব, সেয়া সহ্য কৰা নহ'ব বুলি সকীয়নি প্ৰদান কৰে। তেওঁ কয় যে যেতিয়াৰ পৰা বিজেপিয়ে ভাৰতৰ শাসন ব্যৱস্থাৰ বাঘজৰী হাতত লৈছে, তেতিয়াৰে পৰা বিজেপি মুছলমানক নিঃশেষ কৰাৰ ষড়যন্ত্ৰত নামি পৰিছে। মুছলমান জাতিক কেনেকৈ শেষ কৰিব পাৰি তাৰ বাবেহে বিজেপিয়ে কাম কৰে বুলি মন্তব্য কৰি বিজেপিয়ে হিন্দু-মুছলমানৰ মাজত বিভাজন আনিব বিচাৰিছে বুলি মন্তব্য কৰে। লগতে ৱাকফ বাতিল নকৰালৈ আন্দোলন অব্যাহত থাকিব বুলি স্পষ্ট কৰি দিয়ে। প্ৰয়োজনবশত তেজ দি হ'লেও বিজেপি চৰকাৰৰ পৰা নিজৰ অধিকাৰ কাঢ়ি আনিব লাগিব বুলি মন্তব্য কৰি ভাৰতৰ সকলো মুছলমান একগোট হৈ বিজেপি চৰকাৰক ওফৰাই পেলাম বুলিও ভাবুকি প্ৰদান কৰিছে আমছুৰ কোকৰাঝাৰ জিলা সভাপতি জমিৰ আলি শ্বেখে। ইয়াৰোপৰি গুৱাহাটীৰ চচলত অনুষ্ঠিত হ'বলগীয়া ধৰ্ণা কাৰ্যসূচীত সকলো মুছলমানকে যোগদান কৰিবলৈ আহ্বান জনাইছে জমিৰ আলি শ্বেখে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আলোচনালৈ মাতি নি ভাবুকি জিলা

অভিযোগ উত্থাপিত হৈছে। এটা ভিডিঅ' সামাজিক মাধ্যমত বনজুইৰ দৰে বিয়পি পৰাত জিলা আয়ুক্ত স্বপ্নীল পালৰ বিৰুদ্ধে জিলাখনৰ সচেতন আৰু বৌদ্ধিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বাণিজ্যিক চহৰ তিনিচুকীয়াৰ ঐতিহাসিক ন-পুখুৰীস্থিত "মৰুৎ নন্দন কানন" পাৰ্কত বিহাৰী সম্প্ৰদায়ৰ লোকে ষট পূজা আয়োজন কৰিবলৈ যো-জা কৰাক লৈ তিনিচুকীয়াৰ দল-সংগঠন আৰু খিলঞ্জীয়া ৰাইজ সৰৱ হোৱাৰ লগতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। ঘটনাক লৈ বিদ্ৰোহী সংগঠন আলফা স্বাধীনেও সংবাদ মাধ্যমলৈ এক বিবৃতি প্ৰেৰণ কৰি ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল। স্বতব্য যে, কিছু ব্যতিক্ৰমী আচৰণক লৈ সময়ে সময়ে সংবাদ মাধ্যমৰ শিৰোনামো দখল কৰিছিল তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল। ২০২৪ বৰ্ষৰ মে' মাহত তিনিচুকীয়া জিলাৰ কাকপথাৰৰ টঙনাগাঁও চাহ বাগিচাত ১১ জন শ্ৰমিকৰ অস্বাভাৱিক মৃত্যুক লৈ ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তো চৰ্চালৈ আহিছিল জিলা আয়ুক্ত স্বপ্নীল পাল। কাৰণ সেইসময়ৰ শ্ৰমমন্ত্ৰী তথা তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিশানে বাগিচাখনত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ পাছত সামাজিক মাধ্যম(ফেচবুক)যোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল এনেদৰে," সম্ভাব্য ক'লেৰাজনিত ৰোগত আক্ৰান্ত হৈ চাহ বাগিচাত কৰ্মৰত চনু তাঁতী, সুনীল তাঁতী, দেৱীছা শ্বাহে মৃত্যুক সাৱটি লোৱাৰ কৰুণ বতৰাই আমাক অত্যন্ত মৰ্মাহত কৰিছে। আজি টঙনা চাহ বাগিচাত উপস্থিত হৈ মৃতকসকলৰ বাসগৃহত শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।" ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাইসামাজিক মাধ্যমযোগে কৈছিল, "যোৱা কেবাদিনধৰি সমষ্টিৰ বাহিৰত থকাৰ বাবে আজি টঙনাগাঁও চাহ বাগিচাত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বাগিছা কতৃপক্ষ, জিলা প্ৰশাসন, স্বাস্থ্য বিভাগৰ লগত আলোচনা কৰি তৎকালে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিও। উল্লেখযোগ্য যে, যোৱা ১২ মে ' ৰ পৰা টঙনাগাঁও চাহ বাগিছাখনত ডায়েৰিয়া সদৃশ ৰোগত আক্ৰান্ত হৈ ১১ গৰাকী ব্যক্তিৰ মৃত্যু ঘটে।" ঘটনাৰ সন্দৰ্ভত আয়ুক্ত পালে ২৩ মে' ত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত এখন সংবাদ মেল সম্বোধন কৰি উত্থাপিত অভিযোগ নস্যাৎ কৰি কয় যে, চিকিৎসকৰ পৰা লাভ কৰা তথ্য অনুসৰি ইয়াৰ এজনৰো ক্ষেত্ৰত ক'লেৰা ৰোগৰ লক্ষণ নাছিল আৰু মাত্ৰ দুজনৰ ক্ষেত্ৰতহে সামান্য পৰিমাণৰ গ্ৰহণীৰ লক্ষণ দেখা গৈছিল। উক্ত ১১ জনৰ ভিতৰত ৯ জনৰ উচ্চ ৰক্তচাপ, যকৃতৰ ৰোগ, গেষ্ট্ৰিক আৰু আন কাৰণত মৃত্যু হোৱাৰ বিপৰীতে মাত্ৰ দুজনৰ আংশিক ডায়েৰিয়া হৈছিল বুলি সংবাদ মেলত জনাইছিল। আয়ুক্ত পালে সংবাদ মেলত গৰমৰ প্ৰকোপ বৃদ্ধি পোৱাৰ বাবে নিজকে সুস্থ ৰাখিবলৈ ৰাইজক খাদ্য গ্ৰহণ কৰোঁতে সাৱধান হ'বলৈ আহবান জনোৱাৰ লগতে বিশেষকৈ চাহ শ্ৰমিকসকলে নিমখ বেছিকৈ খোৱাৰ বাবে এনেধৰণৰ ঘটনাৰ সন্মুখীন হোৱা বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছিল। ৰাইজে অঞ্চলটোত চুলাই মদ অবাধ প্ৰচলনৰ লগতে চুলাই মদ সেৱন কৰি ১১ জনকৈ শ্ৰমিকৰ মৃত্যু হোৱাৰ অভিযোগ তুলিছিল। তিনিচুকীয়া ৰাজ্যিক গ্ৰন্থমেলাক লৈ জিলা আয়ুক্ত পালে গ্ৰন্থমেলাৰ উদ্যোক্তা সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়াক নিজৰ কাৰ্য্যালয়ত অভব্য তথা অসৌজন্যমূলক আচৰণ কৰাক লৈ ক্ষোভিত হৈ যোৱা ৭ ডিচেম্বৰত সংগঠনটোৱে ঘটনাৰ সন্দৰ্ভত এখন সংবাদ মেল সম্বোধন কৰাৰ লগতে তিনিচুকীয়াৰ সদৰ থানা চাৰিআলিত আয়ুক্ত পালৰ প্ৰতিকৃতি দাহ কৰিছিল। অভিযোগ অনুসৰি, আয়ুক্ত পালে সংগঠনৰ প্ৰতিনিধিক জে'লত ভৰাম বুলি ভাবুকি প্ৰদান কৰিছিল। অভিযোগ অনুসৰি, কালি আয়ুক্ত পালে তিনিচুকীয়াৰ ঐতিহাসিক ন-পুখুৰী পাৰত ষট পূজাক অনুষ্ঠিত কৰিবলৈ লোৱাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাতৰ পৰিপ্ৰেক্ষিতত আলোচনাৰ বাবে নিমন্ত্ৰণমৰ্মে যোৱা তিনিচুকীয়াৰ জাতীয়-জনগোষ্ঠীয় সংগঠনক 'আইন-শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে মই যিকোনো ব্যৱস্থা ল'ম। আইন-শৃংখলা মুখ্য বিষয়। আইন-শৃংখলা যদি কোনোবাই বেয়া কৰিছে, মোতকৈ বেয়া আৰু কোনো নহ'ব। মোক কি কৰিব? মেক্সিমাম মোক বদলি দিব কৰিব পাৰিব। বেলেগ কি কৰিব আপোনালোকে? আইন-শৃংখলাৰ স্বাৰ্থত মই যিমানদূৰ যাব লাগে যাম। গুণ্ডাগিৰি, হুলস্থুল ইয়াত নচলিব' বুলি ধমক দিছিল। জিলা আয়ুক্তৰ এনে আচৰণক লৈ তিনিচুকীয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ক্ষমতাৰ ৰাগীত মাতাল হৈ আয়ুক্ত পালে ক্ষমতাৰ অপব্যৱহাৰ কৰাৰো অভিযোগ উঠিছে। জিলাখনৰ বিভিন্ন দল-সংগঠনে আয়ুক্ত পালক অচিৰেই বদলিৰ দাবী তুলিছে। জিলা প্ৰশাসনৰ মুৰব্বী এগৰাকীৰ এনে কাণ্ডক লৈ জিলাখনৰ সৰ্বস্তৰতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, সেয়া নিশ্চয় লক্ষণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ফাঁচী বজাৰৰ ঘটনা ডকাইতি নাছিল

তদন্তত ওৰহিৰ ওৰ ওলাই পৰে। প্ৰকৃততে যিজন লোকে বেংকত ধন থবলৈ আহিছিল সেইজনে ডকাইতিৰ নাটক ৰচনা কৰিছিল। আনৰ দোকানত কাম কৰা অনিল শৰ্মা নামৰ লোকজনে মালিকৰ টকা জমা থবলৈ আহি ডকাইতি কাণ্ডৰ ৰূপ দিছিল। আৰক্ষীয়ে তদন্ত কৰি চিচিটিভ ফুটেজ পৰীক্ষা কৰে। আৰক্ষীয়ে দেখে যে তেনে কোনো তথ্য নাই। অনিল শৰ্মাক আৰক্ষীয়ে জেৰা আৰম্ভ কৰে। জেৰাত সকলো কথা কৈ পেলালে। সেয়া কোনো ডকাইতিৰ ঘটনা নাছিল। অনিল শৰ্মাই এখন দোকানত ৫ বছৰ ধৰি কাম কৰি আছিল। সেই দোকানখনৰ মালিকে বেংকত ধনৰ লেন-দেন অনিল শৰ্মাৰ জড়িয়তে কৰে। অন্য দিনাৰ দৰে সেই দিনাও বেংকৰ ধন জমা দিবলৈ আহিছিল অনিল শৰ্মা। কিন্তু এইবাৰ আগৰ দৰে টকা জমা নকৰি অনিল শৰ্মাই ডকাইতিৰ এখন নাটক ৰচিছিল। আৰক্ষীয়ে অভিযান চলাই অনিল শৰ্মাৰ বামুণীমৈদামৰ ঘৰৰ চাদৰ পৰা ৬ লাখ ২৮ হাজাৰ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে অনিল শৰ্মাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৩ ৰাজপত্ৰিত বিষয়াৰ ঘৰত মুখ্যমন্ত্ৰীৰ

তনবীৰ ইউছুফ আহমেদৰ ভেটাপাৰাস্থিত ঘৰত উপস্থিত হয়। জে পি আগৰৱালা উপপথৰ ২০ নং আৱাসত দলটোৱে অভিযান চলায়। মাছুম আহমেদ আৰু তনবীৰ সম্পৰ্কত ভাতৃ। দুই এচিএছ ভাতৃৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে ৮/২০২৫ আৰু ৯/২০২৫ নম্বৰত ৰুজু কৰি তদন্ত চলাই আছিল। বজালীৰ ৰাজহ চক্ৰ বিষয়া হৈ থকা কালত মাছুম আহমেদে দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উঠিছিল। ফলত ২৫ ফেব্ৰুৱাৰীত চাকৰিৰ পৰা নিলম্বিত হৈছিল মাছুম আহমেদ। ইপিনে ভাতৃ তনবীৰ ইউছুফ আহমেদক দলগাঁৱৰ ৰাজহ চক্ৰ বিষয়া হৈ থকাকালত দুৰ্নীতি কৰাৰ অভিযোগ উত্থাপন হোৱাত দলগাঁও ৰাজহ চক্ৰ পদৰ পৰা চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ বদলি কৰা হয়। দলগাঁৱৰ ৰাজহ চক্ৰ বিষয়া হৈ থকাকালত ইউছুফ আহমেদে দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছিল। ফলত দুয়ো ভাতৃৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আয়তকৈ অধিক সম্পত্তি থকাৰ তথ্য লাভ কৰে। আয়-বহিৰ্ভূত সম্পত্তিৰ তথ্য বিচাৰি আজি অভিান চলায়। পাটাছাৰকুছি আৰু দলগাঁৱত চক্ৰ বিষয়া হৈ থকাকালত দুয়ো ভাতৃয়ে ভূমি পঞ্জীয়নৰ নামত ধন লোৱাৰ অভিযোগ উঠিছিল। আনহাতে অবৈধভাৱে আনৰ মাটি আনৰ নামত পঞ্জীয়ন কৰিছিল বুলিও অভিযোগ উঠিছিল। ছিপাঝাৰৰ চক্ৰ বিষয়া ৰিতিমণি দাসৰ ঘৰত আজি পুৱাৰে পৰা অভিযান চলে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলায়। ৰিতিমণিৰ গুৱাহাটীৰ লগতে মঙলদৈৰ ভাড়াঘৰত অভিযান চলায়। দলগাঁৱৰ চক্ৰ বিষয়া তনবীৰৰ বাগদত্তা ৰিতিমণি দাস। গুৱাহাটীৰ জাপৰিগোগৰ ঘৰত অভিযান চলোৱাৰ সময়ত অজন্তা পথত আছিল ৰিতিমণি। অজন্তা পথৰ পৰাই ৰিতিমণিক লগত লৈ মঙলদৈত উপস্থিত হয় তদাৰকী কোষৰ দল। তিনি বিষয়াৰ ঘৰৰ পৰা কি কি উদ্ধাৰ হৈছে সেয়া এইপৰ্যন্ত জানিব পৰা হোৱা নাই।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মহাৰাষ্ট্ৰৰ ভয়ানক দুৰ্ঘটনা, ৭ গৰাকী

বজাত ট্ৰলীসহ ট্ৰেক্টৰখনে মহিলাক কৃষি কামৰ বাবে কঢ়িয়াই নিয়াৰ সময়তে সংঘটিত হয় এই দুৰ্ঘটনা। লিম্বগাঁও আৰক্ষী থানাৰ অন্তৰ্গত এই অঞ্চলত হঠাতে ট্ৰেক্টৰখন পথৰ পৰা আঁতৰি গৈ এটা দ কুঁৱাত পৰি যায়। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী আৰু স্থানীয় প্ৰশাসনৰ দল দ্ৰুতগতিত সেই স্থানত উপস্থিত হয়। দ্ৰুত উদ্ধাৰ অভিযান আৰম্ভ হয়। জিলা তথ্য বিষয়া প্ৰবীণ টাকে কয় যে কুঁৱাটো পানীৰে ভৰি থকাৰ বাবে উদ্ধাৰ কাৰ্য চলোৱাৰ পূৰ্বে বৃহৎ পৰিমাণৰ পানী পাম্প কৰি উলিয়াব লগা হয়। ইয়াৰ পিছতে সাতগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে তিনিগৰাকীক জীৱিত অৱস্থাত উদ্ধাৰ কৰে। জানিব পৰা মতে, নিহত আটাইকেইজন হিংগোলী জিলাৰ ভাছমত তহচিলৰ গুঞ্জ গাঁৱৰ বাসিন্দা আৰু পথাৰলৈ খেতিৰ বাবে গৈ আছিল। নিহত দুগৰাকীৰ বয়স মাত্ৰ ১৮ বছৰ। নিহতসকলক তাৰবাই সতৰাজী যাদৱ (৩৫), ধ্ৰুপতা সতৰাজী যাদৱ (১৮), সৰস্বতী লক্ষ্মণ বুৰাড (২৫), ছিমৰন সন্তোষ কাম্বলে (১৮), চৈত্ৰাবাই মাধৱ পৰ্ধে (৪৫), জ্যোতি ইৰাবাজী চাৰাওডে (৩৫) আৰু সপনা টুকাৰাম ৰাউত (২৫) বুলি চিনাক্ত কৰা হৈছে। জীৱিত তিনিজন হৈছে পাৰ্বতীবাই বুৰাড (৩৫), পুৰবাবাই কাম্বলে (৪০) আৰু সতৰাজী যাদৱ (৫৫)। এই কৰুণ ঘটনাই অঞ্চলটোৰ ওপৰত শোকৰ ছাঁ পেলাইছে। প্ৰশাসনে দুৰ্ঘটনাটোৰ তদন্ত আৰম্ভ কৰাৰ লগতে পৰিয়ালকেইটাক ক্ষতিপূৰণ দিয়াৰ বাবে আলোচনা অব্যাহত আছে বুলি জানিবলৈ দিছে। স্থানীয় বাসিন্দাসকলে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ নিৰাপদ যাত্ৰা নিশ্চিত কৰিবলৈ প্ৰশাসনৰ হস্তক্ষেপৰ দাবী জনাইছে।

# বেম্বুছেটুম' আৰু দিহিং পাটকাই ইক' ডিস্কভাৰী চেণ্টাৰ উদ্বোধন অইলৰ

**ই-সংবাদ বিশেষ, দুলীয়াজান, ৪ এপ্ৰিলঃ** মহাৰত্ন প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে সামাজিক দায়বদ্ধ আঁচনিৰ প্ৰকল্প অইল বসুন্ধৰাৰ অধীনত বেম্বুছেটুম' আৰু 'দিহিং পাটকাই ইক' ডিস্কভাৰী চেণ্টাৰ'ৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে কালি ডিগবৈ বন সংমণ্ডল, অসম বন বিভাগৰ সহযোগত ডিগবৈ বন সংমণ্ডলৰ লক্ষীপথাৰ অঞ্চলত প্ৰায় ২.২৯ কোটি টকা প্ৰকল্পটোৰ বাবে ব্যয় কৰিছে। উদ্বোধনী অনুষ্ঠানত ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেণ ফুকন, জিলা আয়ুক্ত স্বপ্নীল পাল, অইলৰ কাৰ্য্যবাহী সঞ্চালক (বিত্ত আৰু লেখা) ৰূপম বৰুৱা, ডিগবৈ সংমণ্ডলৰ সংমণ্ডল বন প্ৰাধিকাৰী টি চি ৰঞ্জিথ ৰাম আৰু অইল তথা অসম বন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতি থাকে। উল্লেখযোগ্য যে, ২০২২ চনৰ ২৯ এপ্ৰিলত অইল আৰু ডিগবৈ বন সংমণ্ডলৰ মাজত স্বাক্ষৰিত চুক্তিৰ অংশ হিচাপে ডিগবৈৰ লক্ষীপথাৰ অঞ্চলৰ অন্তৰ্গত বগাপানী কেন্দ্ৰৰ ১০০ হেক্টৰ পতিত বনাঞ্চল সামৰি এক অভিলাষী বনানীকৰণ প্ৰকল্প হাতত লোৱা হৈছিল। এই পদক্ষেপৰ অধীনত অসমৰ ৰাজ্যিক গছ হোলোং আৰু অন্যান্য থলুৱা গছ প্ৰজাতিৰ সংৰক্ষণৰ




ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি ২,৫০,০০০ পুলি ইতিমধ্যে ৰোপণ কৰা হৈছে। ২ হেক্টৰ মাটিত বিস্তৃত নতুনকৈ স্থাপন কৰা উক্ত বেম্বুছেটুমত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান (আৰ এফ আৰ আই), যোৰহাটৰ সহযোগত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা সংগ্ৰহ কৰা প্ৰায় ৫০ টা প্ৰজাতিৰ বাঁহ প্ৰদৰ্শন কৰা হৈছে। এই সংৰক্ষণ আৰু গৱেষণা ব্যৱস্থাৰ লক্ষ্য হৈছে থলুৱা বাঁহৰ প্ৰজাতিসমূহৰ সংৰক্ষণ কৰা, ইয়াৰ গৱেষণা আৰু জ্ঞান প্ৰসাৰ কৰা, বহনক্ষম ব্যৱহাৰক উৎসাহিত কৰা, বাঁহৰ পৰিস্থিতিবিজ্ঞান আৰু অৰ্থনৈতিক তাৎপৰ্য্য অধ্যয়নৰ বাবে এক মঞ্চ প্ৰদান কৰা আৰু লগতে সংৰক্ষণৰ প্ৰচেষ্টাক আগুৱাই নিয়া। ইয়াৰ উপৰিও ডিগবৈ উদ্ভিদ উদ্যান আৰু বেম্বুছেটুমৰ ভিতৰত অৱস্থিত দিহিং পাটকাই ইক' ডিস্কভাৰী চেণ্টাৰে পৰিৱেশ শিক্ষা, সংৰক্ষণ আৰু বহনক্ষমতাৰ কেন্দ্ৰ হিচাপে কাম কৰিব। অসমৰ বৰ্ষাৰণ্যসমূহৰ ওপৰত ইন্টাৰেক্টিভ প্ৰদৰ্শনী, জৈৱ বৈচিত্ৰ্য প্ৰদৰ্শন আৰু তথ্যমূলক পেনেলেৰে সমৃদ্ধ এই কেন্দ্ৰটোৱে ছাত্ৰ-ছাত্ৰী আৰু সংৰক্ষণবিদসকলৰ বাবে বাস্তৱিক শিক্ষণৰ সুযোগ প্ৰদান কৰিব এই প্ৰকল্পটোৱে।

# উৰিয়ামঘাট চালুকপথাৰ শাখা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত প্ৰথম বাৰ্ষিক বিহু নাচ, ঢোল বাদন আখৰাৰ সামৰণি

**ই-সংবাদ, সৰুপথাৰ, ৪ এপ্ৰিলঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত উৰিয়ামঘাট অসম-নাগালেণ্ড সীমান্তৰ চালুকপথাৰত আজি চালুকপথাৰ শাখা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত বিহু নাচ আৰু ঢোল আখৰাৰ সফল সামৰণি পৰে। ত্ৰিশ মাৰ্চৰ পৰা ছয়দিনীয়াকৈ অনুষ্ঠিত আখৰাটিত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অঞ্চলটোৰ বিহুৱা তথা চুতীয়া ছাত্ৰ সন্থাৰ নেতা পূৰ্ণপ্ৰতিম বৰচেতিয়া, নাচনী বনন্যা গগৈ আৰু ঢুলীয়া বিশ্ব বৰ্ণিল গগৈ। শতাধিক শিক্ষাৰ্থী উপস্থিত থকা সামৰণি অনুষ্ঠানটোত উপস্থিত থাকে ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ শইকীয়া, সম্পাদক ৰক্তিম হাজৰিকা, জিলা সহঃ সম্পাদক দীপু শইকীয়া, উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সম্পাদক ভূপেন শইকীয়া, সাংবাদিক তথা প্ৰেছ ক্লাবৰ সহঃ সম্পাদক উদিপ বৰা, উৰিয়ামঘাট শাখা চুতীয়া ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত বৰিকে প্ৰমুখ্য কৰি ভালে সংখ্যক লোক। আখৰাটিৰ জৰিয়তে বিভিন্ন জাতি-জনগোষ্ঠীয়ে বসবাস কৰা অঞ্চলটোত এক সাংস্কৃতিক বাতাবৰণ সৃষ্টি কৰাৰ লগতে সম্প্ৰীতিৰ পৰিৱেশ গঢ়ি তোলাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে উদ্যোক্তাসকলে।

# মাজুলীত সন্তৰ্পনে শিপাইছে ৰাইজৰ দলৰ সাংগঠনিক ভেঁটি

## পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকক্ষণত গাঁৱে গাঁৱে ব্যাপক যোগদান কাৰ্যসূচী, বৃদ্ধি পাইছে জনপ্ৰিয়তা

**ই-সংবাদ, মধ্য মাজুলী, ৪ এপ্ৰিলঃ** মাজুলীৰ গাঁৱে গাঁৱে বৃদ্ধি পাইছে ৰাইজৰ দলৰ জনপ্ৰিয়তা। শেহতীয়াকৈ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে মাজুলীত এক বিশাল যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পিছতেই এতিয়া গাঁৱে গাঁৱে বৃদ্ধি পাইছে দলটোত যোগদানৰ হাৰ। কালি নামনি মাজুলীত দলটোৰ যুৱ নেতা বিকি পেগুৰ উপস্থিতিত অৰ্ধশতাধিক লোকে ৰাইজৰ দলৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ যোগদান কৰে। ৰাইজৰ দলৰ জিলা সমিতিৰ সম্পাদক জয়ন্ত দলেই আঁতধৰা যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাইজৰ দলৰ যুৱ নেতা বিকি পেগুৱে কয়-- বিজেপি চৰকাৰে ৰাইজক কৰা শোষণৰ বিৰুদ্ধে ৰাইজ এতিয়া মাৰবান্ধি থিয় হৈছে। ৰাইজে বিজেপিৰ দমনমূলক নীতিৰ প্ৰতি সজাগ হৈছে আৰু ৰাইজে প্ৰগতিশীল জাতীয়তাবাদী আঞ্চলিক দল ৰাইজৰ দলত যোগদান কৰিবলৈ দলে বলে ওলাই আহিছে। সভাত উপস্থিত ৰাইজেও ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ সদনত লোৱা সবৰ ভূমিকাৰ ভূয়সী প্ৰশংসা কৰাৰ



লগতে অনাগত দিনত ৰাইজৰ দলক শক্তিশালী কৰিবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰিছে বুলি জানিবলৈ দি সংগঠনটোৱে মাজুলীৰ প্ৰান্তে প্ৰান্তে আহিবলগীয়া দিনবোৰত আৰু অধিক যোগদান কাৰ্যসূচী চলাই নিব বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে শেহতীয়াকৈ আম আদমী পাৰ্টিৰ সাংগঠনিক দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি মাজুলীতো দলটোৰ শক্তিক এইবাৰ একপ্ৰকাৰে ৰাজনৈতিক হাইজেক কৰিবলৈ যেন সক্ষম হৈছে ৰাইজৰ দল। বিধায়ক অখিল গগৈয়ে মাজুলী জিলাত দলটোৰ ব্যাপক সাংগঠনিক কুচকাৱাজ চলোৱাৰ সমান্তৰালভাৱে আম আদমী পাৰ্টিৰ সক্ৰিয় একাংশ নেতা সদস্যৰ হতুৱাই এতিয়া মাজুলীত দলটোৰ শক্তি বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি মাজুলীৰ গাঁৱে গাঁৱে সন্তৰ্পনে শিপাইছে আঞ্চলিক দল ৰাইজৰ দল।

# লিপিকা দেৱী মেম'ৰিয়েল কালচাৰেল একাডেমীৰ উদ্যোগত স্নেহাঞ্জলি শীৰ্ষক অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, নলবাৰী, ৪ এপ্ৰিলঃ** শ্ৰদ্ধাঞ্জলিৰ পৰিবৰ্তে স্নেহাঞ্জলি এক পৰম্পৰা হওক; জন্মদিন নহয়, মৃত্যুৰ দিনহে উদ্‌যাপন কৰিব লাগে। বৰভাগ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ডঃ সুশান্ত কাশ্যপে প্ৰয়াত লিপিকা দেৱীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি জ্বলাই এইদৰে কয়। কালি সন্ধিয়া ৭ বজাত নলবাৰী চহৰৰ ১২ নং ৱাৰ্ডৰ বিষ্ণুপুৰস্থিত তবলা আৰু কণ্ঠসংগীতৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান পৰম্পৰা লিপিকা দেৱী মেম'ৰিয়েল কালচাৰেল একাডেমীৰ উদ্যোগত স্নেহাঞ্জলি শীৰ্ষক এক বাৰেৰহণীয়া গীত-মাত, সংগীত, কবিতাৰ ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোৰ উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ পৰিচালন সঞ্চালক শিক্ষাসেৱী ডঃ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই। উদ্বোধনী ভাষণত পত্নীৰ স্মৃতি ৰক্ষাৰ্থে এইদৰে লোৱা পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰি সকলোৰেপৰা উৎসাহ-অনুপ্ৰেৰণা কামনা কৰে শিক্ষাসেৱীগৰাকীয়ে। অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি, সংগীতজ্ঞ জয়প্ৰকাশ মেধিয়ে শাস্ত্ৰীয় সংগীত পৰিৱেশন কৰি সকলোকে মুহিত কৰি তোলে। শিল্পীগৰাকীৰ লগত বাদ্যসংগত কৰে লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয়ৰ তবলা বিভাগৰ শিক্ষক উতথ্য কলিতা আৰু ৰিয়াজ জ'নৰ সঞ্চালক তথা প্ৰতিষ্ঠিত শিল্পী প্ৰবাল ডেকাই। শিক্ষাব্ৰতী বিপুল শৰ্মাই আঁতধৰা উক্ত অনুষ্ঠানত শিক্ষক তথা প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই এটি কবিতা পাঠ কৰি জীৱনৰ কঠোৰতম সময়কো উদ্‌যাপন কৰিব লাগে বুলি ব্যতিক্ৰম কথনশৈলীৰে উল্লেখ কৰি লিপিকা দেৱীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। কণমানি দুই ছাত্ৰী ক্ৰমে হৃদি বৈশ্য ৰিমে পিতৃ ৰূপক বৈশ্য মুন ৰচিত এটি শিশু কবিতা আৰু হিমাকংনা কাশ্যপে আন এটি কবিতা আবৃত্তি কৰে। অনাতাঁৰ শিল্পী হিৰণ্ময়ী কলিতাই এটি গোৱালপৰীয়া লোকগীত আৰু ২০২২ চনত ৰাষ্ট্ৰীয় জলপানি লাভ কৰা উদীয়মান বাঁহীবাদক হৃদয়জিৎ শৰ্মাৰ বাঁহীবাদনেও অনুষ্ঠানটিক অন্য এক মাত্ৰা প্ৰদান কৰে। শিক্ষাব্ৰতী, নাট্যকৰ্মী, সংবাদসেৱী উদ্ধৱ ঠাকুৰীয়াই গীত পৰিৱেশন কৰাৰ উপৰি একাডেমীখনৰ সঞ্চালক তবলা গুৰু মৃদুল কুমাৰ শৰ্মাৰ তত্বাৱধানত ছাত্ৰ কেইগৰাকীমানৰ দ্বাৰা তবলা বাদন আৰু পুত্ৰ সুপ্ৰতিভ গাৰ্গ, অমন আহমেদকে আদি কৰি অন্যান্য স্থানীয় শিল্পীসকলে গীত-মাত, বাদ্যৰ সুৰ পৰিৱেশন কৰি অনুষ্ঠানটিক জীপাল কৰি তোলে। তিনিগৰাকী শিশু নৃত্যশিল্পীয়ে কথক নৃত্য পৰিৱেশন কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

মৈৰাবাৰীত মুছা, মিঞা অসমীয়া পৰিষদ, সংখ্যালঘু সংগ্ৰাম পৰিষদ, আমছুৰ প্ৰতিবাদ

# ৱাকফ বিধেয়কৰ বিৰুদ্ধে আইনৰ কাষচপা হ'ব-- আশ্বিক ৰাব্বানী

**ই-সংবাদ, লাহৰীঘাট ৪ এপ্ৰিলঃ** ৱাকফ সংশোধনী বিধেয়কখনৰ বিৰুদ্ধে মুছলিম ছাত্ৰ সন্থা, অসমৰ উদ্যোগত আমছু, মিঞা অসমীয়া পৰিষদ, সংখ্যালঘু সংগ্ৰাম পৰিষদে আজি মৈৰাবাৰীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মুছলিম বিৰোধী আইন কোনোপধ্যে গ্ৰহণযোগ্য নহয় বুলি হুংকাৰ দিয়ে দল-সংগঠনৰ নেতৃত্বই। ৱাকফ আইনৰ জৰিয়তে ধৰ্মীয় মেৰুকৰণ কৰিব বিচাৰিছে বুলি অভিযোগ কৰে মুছলিম ছাত্ৰ সন্থা, অসমৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। আমাৰ সম্পত্তি আমাৰ অধিকাৰ, ৱাকাফ সংশোধনী বিধেয়ক বাতিল কৰিব লাগিব। বৰ্তমান চৰকাৰখনে প্ৰতিটো ক্ষেত্ৰতে মুছলমানক টাৰ্গেট কৰি কামবোৰ কৰি গৈ আছে। দেশৰ জনসাধাৰণক মেৰুবিভাজন কৰি চৰকাৰখন চলাই আছে। এনেকৈ চলি থাকিলে এই চৰকাৰ গাদীচ্যুত হোৱাটো নিশ্চিত। চৰকাৰ এখনে দেশৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমউন্নয়ন, সমবিকাশ, সমদৃষ্টিৰে চালেহে দেশখন সকলো দিশতে আগুৱাই যাব। মুছলমান বিৰোধী ৱাকফ সংশোধনী বিধেয়ক কেতিয়াও মানি লোৱা নহ'ব, ইয়াৰ বিৰুদ্ধে আইনৰ কাষ চপা হ'ব বুলি হুংকাৰ দিয়ে আশ্বিক ৰাব্বানীয়ে। সমগ্ৰ ভাৰতবৰ্ষতে মুছলমানক দুৰ্বল কৰাৰ চেষ্টা চলাইছে বিজেপি চৰকাৰে আৰু তাৰ এজেণ্ডা তৈয়াৰ কৰি লৈছে তেওঁলোকে। মুছলমানৰ উন্নয়ন হোৱাটো নিবিচাৰে বিজেপি চৰকাৰে। বিজেপিয়ে মুছলমানৰ কলিজাত হাত দিছে। সেয়া কোনোপধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰ বুলি কয় মুছাৰ সভাপতিগৰাকীয়ে। ৱাকফক আইন বাতিল কৰিব লাগিব, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, অমিত শ্বাহ হায় হায় আদি শ্লোগানেৰে আকাশ-বতাহ উত্তাল কৰি ৱাকফ সংশোধনী আইনৰ প্ৰতিলিপি দাহ কৰে প্ৰতিবাদকাৰীয়ে। এই ধৰ্ণা কাৰ্য্যসূচীত মিঞা অসমীয়া পৰিষদৰ সাধাৰণ সম্পাদক আশ্বাদ উজ জামান, মৰিগাঁও জিলা সমিতিৰ সম্পাদক জহিৰল ইছলাম, অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ জাকিৰ হুছেইন, আমছু, মুছাৰ কৰ্মকতাৰ লগতে মৈৰাবাৰীৰ ৰাইজে পূৰ্ণ সহযোগ কৰে।

# গোলকগঞ্জত নাবালিকা ছাত্ৰীক অপহৰণ বিবাহিত পুৰুষৰ

**ই-সংবাদ, গোলকগঞ্জ, ৪ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত লক্ষীমাৰী প্ৰথম খণ্ড গাঁৱৰ এগৰাকী বিবাহিত পুৰুষে ৰায়পুৰ তৃতীয় খণ্ড গাঁৱৰ এগৰাকী যোল্ল বছৰীয়া নাবালিকাক ফুচুলাই অপহৰণ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যুৱকজন গাঁওখনৰ মকবুল হুছেইনৰ পুত্ৰ মোসাৰফ হুছেইন (২৫)। জানিব পৰা মতে, এটা চাৰি বছৰীয়া কন্যা সন্তানৰ পিতৃ মোসাৰফে ফেইচবুকতে প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ায় তিস্তাৰপাৰ বানাত মাদ্ৰাছাত অধ্যয়নৰত নাবালিকা ছাত্ৰীগৰাকীক। নিজকে অবিবাহিত বুলি পৰিচয় দি পৰিকল্পিতভাৱে প্ৰেমৰ জালত পেলায়। যোৱা ২৯ মাৰ্চত সন্ধিয়া কিশোৰীগৰাকীক নিজ ঘৰৰপৰা মাতি নি অপহৰণ কৰে। এই সন্দৰ্ভত পিছদিনাই কিশোৰীৰ পিতৃয়ে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। ঘটনা সংঘটিত হোৱাৰ আজি ছদিন উকলি যোৱা সত্বেও আৰক্ষীয়ে গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে দুৰ্ভগীয়া পৰিয়ালে। ইপিনে, লম্পট মোসাৰফে কিশোৰীৰ পিতৃক ফোন কৰি এজাহাৰ তুলি ল'বলৈ বিভিন্নধৰণে ভয়-ভাবুকি প্ৰদান কৰি আহিছে। এজাহাৰ তুলি নল'লে হত্যাৰো ভাবুকি প্ৰদান কৰা বুলি কিশোৰীগৰাকীৰ পিতৃয়ে অভিযোগ কৰে। উল্লেখ্য যে মোসাৰফে তিনি-চাৰি বছৰ পূৰ্বে ভালপাই সিন্দুৰাই প্ৰথম গাঁৱত বিয়া কৰিছিল। বিয়াৰ পিছত গৌৰীপুৰৰ আন এগৰাকী যুৱতীক লৈও তেওঁ পলায়ন কৰিছিল। এটাৰ পিছত এটাকৈ অপকৰ্ম কৰা মোসাৰফৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাইলৈ আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰিব বুলি পৰিয়ালৰ লোকে জনাইছে।

# হাঁহচৰাত অসমভিত্তিত কণীযুঁজ মেলা

**ই-সংবাদ, গেলেকী, ৪ এপ্ৰিলঃ** শিৱসাগৰ জিলাৰ অন্তৰ্গত হাঁহচৰা চেতিয়া গাঁৱত অৱস্থিত ভুবন গগৈ পুথিভঁড়াল প্ৰেক্ষাগৃহ প্ৰাংগণত অহা ১৫ এপ্ৰিল পহিলা ব'হাগৰ দিনা সদৌ অসম ৪৬ সংখ্যক মুকলি কণী যুঁজ মেলাৰ আয়োজন কৰিছে। এই কণী যুঁজ মেলাৰ উদ্বোধন কৰিব শিৱসাগৰ বিধানসভা সমষ্টি বিধায়ক অখিল গগৈয়ে। দিনৰ ভাগত বিভিন্ন কাৰ্যসূচীৰ লগতে পিছতে সাংস্কৃতিক অনুষ্ঠানৰে সামৰণি পৰিবলগীয়া কাৰ্যসূচীত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে আয়োজক সমিতিয়ে। লগতে সবিশেষ তথ্যৰ বাবে ৯১০১৯৫৬৬৮৭, ৯৪৩৫৭৪৩৮২৯, ৮১৩৬০৬৬৪১৪ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# ভকতিদুৱাৰৰ ঢুলীয়া জিতুকন শইকীয়াৰ আকস্মিক মৃত্যু

**ই-সংবাদ, মধ্য মাজুলী, ৪ এপ্ৰিলঃ** মাজুলীৰ ভকতি দুৱাৰ গাঁৱৰ যুৱক তথা প্ৰখ্যাত ঢুলীয়া শিল্পী জিতুকন শইকীয়াই আজি সকলোকে কন্দুৱাই আকস্মিকভাৱে শেষ নিশ্বাস ত্যাগ কৰে। উজনি মাজুলীৰ শ্ৰীৰাম গাঁও পঞ্চায়তৰ অন্তৰ্গত ভকতি দুৱাৰ গাঁৱৰ যুৱক তথা প্ৰখ্যাত ঢুলীয়া শিল্পীগৰাকীয়ে আজি পুৱা ৫.৪৫ বজাত নিজা বাসগৃহতে অকাল মৃত্যুক সাৱতি লয়। জানিব পৰা মতে, প্ৰায় চাৰি দিনৰ পূৰ্বে দৈনিক যোৱাৰ দৰে পকা মিস্ত্ৰী কৰিবলৈ ওলাই যোৱা শইকীয়াৰ স্বাস্থ্য হঠাৎ অৱনতি হোৱাত গড়মূৰ পীতাম্বৰ দেৱ জিলা চিকিৎসালয়লৈ নিয়ে আৰু চিকিৎসকে উন্নত চিকিৎসা বাবে যোৰহাটলৈ নিবলৈ পৰামৰ্শ দিয়ে। কিন্তু যোৰহাট চিকিৎসা



মহাবিদ্যালয়ত চিকিৎসা কৰোৱা হৈছিল যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ নিয়াৰ পৰামৰ্শ দিয়ে। দৰিদ্ৰ পৰিয়ালটোৱে উন্নত চিকিৎসাৰ বাবে অৰ্থৰ যোগাৰ কৰিব নোৱাৰি ঘৰলৈ লৈ ঘূৰাই আনিছিল যদিও আজি পুৱা ঢুলীয়াগৰাকীৰ মৃত্যু ঘটে। জিতুকন শইকীয়াৰ মৃত্যুত উজনি মাজুলীৰ অগ্ৰণী অনুষ্ঠান 'সৃষ্টি' এক সমন্বয়ৰ যাত্ৰা, মাজুলী, ভকতিদুৱাৰ আঞ্চলিক জ্যোতি ৰংঘৰ, ভকতি দুৱাৰ যুৱ সংঘ, ৰাওলি বাহাৰ যুৱ সংঘ, অভয়পুৰ গাঁও নৰসিংহ সত্ৰ উন্নয়ন সমিতিকে ধৰি বিভিন্ন দল-সংগঠনে শোকপ্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত জিতুকন শইকীয়াই পত্নী, মাতৃ, পুত্ৰ, কন্যাৰ লগতে ইষ্ট-কুটুম্বক এৰি যায়। মৃত্যুৰ সময়ত শইকীয়াৰ বয়স আছিল ৪০ বছৰ।

# চামগুৰিত চোৰাং মাকৈ শাল কাঠসহ গাড়ী জব্দ আৰক্ষীৰ

**ই-সংবাদ, পুৰণিগুদাম, ৪ এপ্ৰিলঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱানিশা অভিযান চলাই চামগুৰি অঞ্চলৰপৰা এখন চোৰাং কাঠভৰ্তি গাড়ী জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, যোৱানিশা নগাঁও আৰু কাৰ্বি আংলং সীমান্তৱৰ্তী পাৰকুপ পাহাৰৰ দিশৰপৰা এছ-০২-বি-চি- ৯০৪৩ নম্বৰৰ ডি আই গাড়ীখনত চোৰাং মাকৈ শালৰ কাঠ চামগুৰি দিশে কঢ়িয়াই আনি থকা অৱস্থাত চামগুৰি আৰক্ষীয়ে জব্দ কৰে। আৰক্ষীয়ে যোৱা নিশা জব্দ কৰা চোৰাং কাঠভৰ্তি গাড়ীখন আজি শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ চাপানালা খণ্ড বন কাৰ্যালয়ৰ বন বিষয়াৰ হাতত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে চমজাই দিয়ে। আৰক্ষীয়ে জব্দ কৰা চোৰাং মাকৈ শাল কাঠখিনি



বজাৰৰ মূল্য অৰ্ধলক্ষাধিক হ'ব বুলি বন বিভাগৰ এক সূত্ৰই জানিবলৈ দিয়ে। আৰক্ষীয়ে বন বিভাগৰ হাতত চমজাই দিয়া উক্ত চোৰাং কাঠৰ গাড়ীখন বৰ্তমান চাপানালা বন কাৰ্যালয়ত আছে বুলি বন বিভাগে জানিবলৈ দিয়ে।

# দলগাঁৱতো ৱাকফ সংশোধনী বিধেয়কৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, দলগাঁও, ৪ এপ্ৰিলঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে দৰঙৰ দলগাঁৱতো ৱাকফ সংশোধনী বিধেয়কৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত হয়। অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে মুখত ক'লা কপোৰ বান্ধি ৱাকফ বিধেয়কৰ কপি জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। সমান্তৰালভাৱে আজি সদৌ অসম সংখ্যালঘু ছাত্ৰ সংগঠন চমুকৈ আমছুৱেও মুখত ক'লা কাপোৰ বান্ধি মুছলিমবিৰোধী ৱাকফ সংশোধনী বিধেয়কৰ বিৰুদ্ধে প্ৰতিবাদ কৰি ইয়াক কোনো কাৰণতে মানি লোৱা নহয় বুলি কয়। সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মহম্মদ আলী খলিফা আৰু আমছুৰ কাৰ্যকৰী সভাপতি আব্দুৰ ৰহমান বিশ্বাসে কয়-- ৱাকফ মুছলমানৰ ধৰ্মীয় সম্পত্তি। মুছলমানৰ ধৰ্মীয়, শৈক্ষিক আৰু সামাজিক কল্যাণৰ বাবে আল্লাহৰ নামত উৎসৰ্গা কৰা সম্পত্তিৰ ওপৰত চৰকাৰৰ হস্তক্ষেপ মানি লোৱা নহয়। প্ৰয়োজনত এই বিধেয়কৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হৈ কেন্দ্ৰীয় চৰকাৰক মুছলমানৰ ৱাকফ সংশোধনী বিধেয়ক বাতিলৰ দাবী জনায়। মুছলিম ছাত্ৰ সন্থাৰ সভাপতি জালাল উদ্দিন আৰু নেমছুৰ সভাপতি বদৰুল ইছলামেও বিধেয়কখনৰ বিৰোধিতা কৰি চৰকাৰৰ মুছলিমবিৰোধী স্থিতিক তীব্ৰ সমালোচনা কৰে।

# দুমহীয়া কেঁচুৱাক ৰাখি থৈ খেদি দিলে বোৱাৰীক

**ই-সংবাদ, গোলকগঞ্জ, ৪ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত কুটি লক্ষীমাৰীত দুমহীয়া এটি কেঁচুৱাক ৰাখি বোৱাৰীক ঘৰৰ পৰা খেদি পঠোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, পাঁচ বছৰ পূৰ্বে সোনাহাট, মোৱামাৰী প্ৰথম খণ্ড গাঁৱৰ মইনুল আলীৰ কন্যা মলিনা খাতুনক বিয়া কৰিছিল বিন্নাচৰাৰ চৰ বালাডোবাৰ হানিফ আলীয়ে। গংগাধৰ নদীৰ গৰাখহনীয়াত বাসস্থান জাহ যোৱাত নতুনকৈ আশ্ৰয় লয় কুটি লক্ষীমাৰীত। সিহঁতৰ তিনি বছৰীয়া এটি পুত্ৰ সন্তানৰ লগতে দুমাহ পূৰ্বে জন্ম লয় এটি কন্যা সন্তান। এক এপ্ৰিলত সাধাৰণ পৰিয়ালকেন্দ্ৰীক কাজিয়াৰ আলম লৈ দেওৰেক হাফিজুল হকে বোৱাৰী মলিনাক ঘৰৰপৰা উলিয়াই দিয়ে। সকলো দেখিও নীৰৱে বহি থাকে স্বামী হানিফ আলী। পানী কেঁচুৱাটোক বিচাৰি কাতৰ অনুৰোধ কৰা সত্বেও খেদি পঠিয়ায়। দুদিন মাকৰ ঘৰৰপৰা মানুহ কেঁচুৱাটোক বিচাৰি গৈছিল যদিও দিবলৈ অস্বীকাৰ কৰে। আজি এই সন্দৰ্ভত মহিলাগৰাকী গোলকগঞ্জ থানাত উপস্থিত হৈ অৱগত কৰাত আৰক্ষীয়ে কেঁচুৱাটিক স্বামীগৃহৰপৰা উদ্ধাৰ কৰি মাতৃক চমজাই দিয়ে।



মদাৰখাটত অনুষ্ঠিত বিহুনাচ আখৰাৰ সামৰণি দিনাৰ এক দৃশ্য

# কলগাছিয়াত ৱাকফ বিধেয়কৰ বিৰুদ্ধে আমছুৰ প্ৰতিবাদ




**ই-সংবাদ, কলগাছিয়া, ৪ এপ্ৰিলঃ** কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৱাকফ সংশোধনী বিধেয়ক, ২০২৫ যোৱা বুধবাৰে সদনত দাখিল কৰাৰ পিছত দীৰ্ঘ ১৩ ঘণ্টা বিতৰ্কৰ অন্তত বিধেয়কখন লোকসভাত গৃহীত হয়। ইয়াৰ পিছতে বিধেয়কখনক লৈ সমগ্ৰ দেশত তোলপাৰ লাগিছে। বিধেয়কখনৰ বিৰুদ্ধে শুকুৰবাৰে সমগ্ৰ অসমব্যাপী সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী হাতত লৈছে। তাৰ অংশ হিচাপে কলগাছিয়া চাৰিআলি চ'কত কলগাছিয়া জিলা আমছুৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আমছুৰ কৰ্মকৰ্তাসকলে ৱাকফ সংশোধনী বিলখন দাহ কৰাৰ লগতে মুখত ক'লা বেজ পৰিধান কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ৱাকফ বিল নামানো, বিজেপি চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায় আদি শ্লোগানেৰে কলগাছিয়াৰ আকাশ-বতাহ কঁপাই তোলে। আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ইউনুচ আলী আৰু লুতফৰ ৰহমানে বিলখনৰ তীব্ৰ বিৰোধিতা কৰি পুনৰ বিবেচনা কৰিবলৈ ৰাষ্ট্ৰপতিক আহ্বান জনায়। লগতে কলগাছিয়া জিলা আমছুৰ সভাপতি ছাহজাহান আলী আহমেদে কয়-- ৱাকফ সম্পত্তি হ'ল মুছলমানৰ সম্পত্তি। এই অধিকাৰ সংবিধানপ্ৰদত্ত। চৰকাৰে ৱাকফ সম্পত্তি অধিগ্ৰহণ কৰি এটা বিশেষ ধৰ্মৰ মানুহক নিঃশেষ কৰিব বিচাৰিছে। এই বিল আমি নামানো। বিধেয়কখন অতিশীঘ্ৰে বাতিল নকৰিলে দেশব্যাপী তীব্ৰ গণ আন্দোলন গঢ়ি তোলা হ'ব বুলিও হুংকাৰ প্ৰদান কৰে কলগাছিয়া জিলা আমছুৰ নেতা-কৰ্মীসকলে। প্ৰতিবাদী কাৰ্যসূচীত অৰ্ধশতাধিক স্থানীয় ৰাইজ আৰু আমছু নেতা-কৰ্মী উপস্থিত থাকে।

# যোৰহাটৰ সাহপুৰীয়া কোঁচৰ চুক প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি

**ই-সংবাদ, পশ্চিম যোৰহাট, ৪ এপ্ৰিলঃ** যোৰহাটৰ উত্তৰ-পশ্চিম শিক্ষাখণ্ডৰ সৰুচৰাই মণ্ডলৰ এলেকাভুক্ত সাহপুৰীয়া কোঁচৰ চুক প্ৰাথমিক বিদ্যালয়ত দুদিনীয়াকৈ অনুষ্ঠিত সোণালী জয়ন্তীৰ ২ এপ্ৰিলত সামৰণি পৰে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা দিলীপ শইকীয়াই পতাকা উত্তোলন, ভূমিদাতা ভাইনা শইকীয়াৰ পুত্ৰ নকুল শইকীয়া, প্ৰতিষ্ঠাপক শিক্ষক নগেন কলিতাৰ পুত্ৰ মনোজ কুমাৰ কলিতাই স্মৃতি তৰ্পণ কৰাৰ পাছতে গছপুলি ৰোপণ কৰে কুলনাথ কলিতাই। দ্বিতীয় দিনা পুৱা উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই অঞ্চলটোৰ লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। শুভাৰম্ভ কৰে ডক্টৰ ৰাজীৱ লোচন গোস্বামীয়ে। তাৰপাছতে অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ নিম্ন শাখাত আকাংক্ষা শইকীয়াই প্ৰথম, অলংকৃতা বৰাই দ্বিতীয়, অনুৰাগ বৰাই তৃতীয়, অনুৰাগ ভূঞা, জ্যোতিস্মিতা কলিতাই উদগনি, উচ্চ শাখাত বেদাংগ্য দেৱপ্ৰাণ শইকীয়াই প্ৰথম, আগষ্টিয়া গোস্বামীয়ে দ্বিতীয়, ৰাজশ্ৰী সিঙে তৃতীয়, আৰাধ্যা শইকীয়া, আৰাত্ৰিকা কলিতাই উদগনি, আকস্মিক বক্তৃতাৰ 'ক' শাখাত ৰাজশ্ৰী সিঙে প্ৰথম, আয়ুশ্ৰী সিঙে দ্বিতীয়, অপূৰ্ব শইকীয়াই তৃতীয়, 'খ' শাখাত মধুসংগীতা কলিতাই প্ৰথম, আৰাত্ৰিকা কলিতাই দ্বিতীয়, কৃষ্ণকমল কলিতাই তৃতীয়, 'গ' শাখাত পূৰ্ণিমা বৰাই প্ৰথম, দিশা বৰাই দ্বিতীয়, অয়নাজ্যোতি কলিতাই তৃতীয়, কুইজৰ উচ্চ শাখাত অংকুৰ শইকীয়াই প্ৰথম, মৌচুম বৰাই দ্বিতীয়, অয়নাজ্যোতি কলিতাই তৃতীয়, নিম্ন শাখাত আদৃশী শইকীয়াই প্ৰথম, অভিষেক খাওন্দে দ্বিতীয়, অভিষেক বৰাই তৃতীয় স্থান লাভ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰূপাঞ্জলি শৰ্মা, বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ৰমেন শইকীয়াই বন্তি প্ৰজ্বলন কৰাৰ পাছতে অনুষ্ঠিত সভাত স্থানপ্ৰাপ্তসকলক মান-পত্ৰসহ পুৰস্কাৰ প্ৰদান কৰে। নিশাৰ সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে আমন্ত্ৰিত শিল্পীয়ে সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে। ২৫ বৰ্ষত শিক্ষাগ্ৰহণৰ বাবে বিদ্যালয়খনত নামভৰ্তি কৰাসকলক শিক্ষয়িত্ৰী-শিক্ষক পম্পী কলিতা, সুদৰ্শন বৰাই আদৰণী জনোৱাৰ পাছতে প্ৰাক্তন-বৰ্তমানৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, পৰিচালনা সমিতি, মাতৃগোটৰ লগতে শুভাকাংক্ষীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাখন পৰিচালনা কৰে দিলীপ শইকীয়াই। প্ৰণামিকা কলিতা সহঃ সম্পাদক আৰু শিল্পীশিখা শইকীয়াৰ সম্পাদনাত প্ৰকাশিত 'সোণালী-সুবাস' স্মৃতিগ্ৰন্থখন উন্মোচন কৰি উত্তৰ-পশ্চিম যোৰহাট শিক্ষাখণ্ডৰ সমল ব্যক্তি পল্লৱী কোঁৱৰ গগৈয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে। চি আৰ চি চি অতুল বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক, শুভাকাংক্ষী বিপুল দুৱৰা, স্থানীয় ৰমেন শইকীয়া, জীৱন চন্দ্ৰ বৰুৱা, তত্ত্ব শইকীয়া, ৰঞ্জন কলিতাই বক্তব্য আগবঢ়োৱা সভাত গাঁওখনৰে বৰেণ্য ব্যক্তিসকলৰ সোঁৱৰণত পৰিয়ালে ২০০৪ চনৰেপৰা আগবঢ়াই থকা ধনৰ আৰ্জিত সুদ বিদ্যালয়খনত বিগত বৰ্ষটোত অধ্যয়ন কৰা শিক্ষাৰ্থীসকলক যোগ্যতাৰ ভিত্তিত সঞ্জীৱনী ন্যাসলৈ ধন আগবঢ়োৱা পৰিয়ালৰ লোকসকলে নগদ ধন প্ৰদান কৰে। সন্ধিয়া নামঘৰীয়া ৰবীন শইকীয়াৰ লগতে সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ডক্টৰ পৰাণ জ্যোতি কলিতা, সম্পাদিকা ৰীতামণি শইকীয়াৰ লগতে বিষয়ববীয়া, কৰ্মী, প্ৰাক্তন-বৰ্তমানৰ শিক্ষাৰ্থীসকলে ৫০ গছি বন্তি প্ৰজ্বলন কৰি অতীত স্মৃতি ৰোমন্থন কৰাৰ লগতে আলোকিতকৰণ কৰে। ১৯৭৪ চনৰ পহিলা এপ্ৰিলত সাহপুৰীয়া গাঁৱৰ একাংশ বাসিন্দাই প্ৰতিষ্ঠা কৰা বিদ্যালয়খন ১৯৭৭ চনত চৰকাৰৰ শিক্ষা বিভাগৰ অধীনস্থ হৈ পৰিচালিত হৈ আছে।

# ড০ নগেন শইকীয়া আৰু বিষ্ণু খাৰঘৰীয়ালৈ ডিব্ৰু সন্মান

**ই-সংবাদ, ডিব্ৰুগড়, ৪ এপ্ৰিলঃ** ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰৰ ব'হাগী ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনখনি অহা ২৮, ২৯ আৰু ৩০ এপ্ৰিলত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰৰ সংগীতানুষ্ঠানৰ লগতে সদৌ অসমভিত্তিত নগদ ধন সম্বলিত বৰ বিহুৱতী, মুকলি বিহু আৰু সদৌ অসম ভিত্তিত হুঁচৰি প্ৰতিযোগিতাও অনুষ্ঠিত হব। ডিব্ৰুগড় কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত অসমৰ বহুকেইগৰাকী জনপ্ৰিয় অভিনেতা-অভিনেত্ৰী, কণ্ঠশিল্পী উপস্থিত থাকিব। এইবাৰ ব'হাগী ক্ষেত্ৰত অসমৰ দুগৰাকী স্বনামধন্য পুৰোধা ব্যক্তি ক্ৰমে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিতভাষ স্ৰষ্টা ড০ নগেন শইকীয়া আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেতা বিষ্ণু খাৰঘৰীয়াক ২০২৫ বৰ্ষৰ 'ডিব্ৰু সন্মান' প্ৰদান কৰা হ'ব বুলি ডিব্ৰুগড়ৰ ছহিদ ভৱনত ৩ এপ্ৰিলত অনুষ্ঠিত হোৱা এক সংবাদ মেলত প্ৰকাশ কৰে ডিব্ৰুগড় জিলা আছুৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, ডিব্ৰুগড় ছাত্ৰ সন্থাৰ তনুজ হালৈ আৰু পাপু শইকীয়াই। তেওঁলোকে অনুষ্ঠানটোত অসমৰ ৰাইজৰ উপস্থিতি আৰু সহযোগিতাৰো সংবাদ-মেলযোগে কামনা কৰে।

# গোলকগঞ্জ-ছাগলীয়াতো ৱাকফবিৰোধী প্ৰতিবাদ

**ই-সংবাদ, গোলকগঞ্জ, ৪ এপ্ৰিলঃ** লোকসভা আৰু ৰাজ্যসভা দুয়োখন সদনতে ৱাকফ সংশোধনী বিল গৃহীত হোৱাৰ পিছতে ধুবুৰী জিলাৰ গোলকগঞ্জ আৰু ছাগলীয়াত এই বিলৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হৈ পৰিছে আমছু। আজি এই দুই স্থানত আমছুৰ সদস্যসকলে এই বিল নামানো, বিজেপি চৰকাৰ মুৰ্দাবাদ, আমছু জিন্দাবাদ, উই ৱাণ্ট জাষ্টিচ, বিজেপিৰ সাম্প্ৰদায়িকতা বন্ধ কৰক, আদি শ্ল'গান দিয়াৰ লগতে হাতে হাতে বিভিন্ন শ্ল'গানযুক্ত প্লে' কাৰ্ড লৈ সমদল উলিয়ায়। ছাগলীয়া তিনিআলিৰ বিপৰীতে গোলকগঞ্জ ৰে'লৰে অ'ভাৰ ব্ৰীজৰ তলত আমছুৰ সদস্যসকলে সমদল উলিয়াই যদিও আৰক্ষীয়ে প্লে' কাৰ্ডসমূহ কাঢ়ি নিয়ে।

# পৰ্বতঝোৰাত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু, আহত ১

**ই-সংবাদ, পৰ্বতঝোৰা ৪ এপ্ৰিলঃ** বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী আৰক্ষী থানাৰ অন্তৰ্গত আঙাৰকাটা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত আজি পুৱা ৯.৪০ মান বজাত সংঘটিত এক দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত বাতৰি মতে, আঙাৰকাটাৰপৰা বগৰীবাৰী অভিমুখে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে তীব্ৰ বেগেৰে AS-19-N-1625 নম্বৰৰ কে টি এম মটৰ চাইকেলখন গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা ডিভাইডাৰত তীব্ৰ জোৰেৰে খুন্দিওৱাৰ ফলত শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত বাইক চালকজনক স্থানীয় ৰাইজ আৰু বগৰীবাৰী আৰক্ষীয়ে সংকটজনক অৱস্থাত ধুবুৰী চিকিৎসা মহাবিদ্যালয় লৈ প্ৰেৰণ কৰে। অৱশ্যে চিকিৎসাধীন অৱস্থাতে বাইক চালকজনৰ মৃত্যু হোৱাৰ বিপৰীতে আৰোহীজন সংকটজনক অৱস্থাত মৃত্যুৰ স'তে যুঁজি আছে। মৃত বাইক চালকজন বগৰীবাৰী থানাৰ অন্তৰ্গত আঙাৰকাটা প্ৰথম খণ্ড গাঁৱৰ আব্দুল ওৱাহাবৰ পুত্ৰ আৰিফ আব্দুল্লা (১৮) বুলি বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কাৰ্তিক বসাকে জানিবলৈ দিয়ে। নিহত যুৱকজন মহামায়া স্নাতক কলেজৰ প্ৰথম বৰ্ষৰ ছাত্ৰ আছিল। ঘটনাটোৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৃহৎ সকাহ! ডি ভোটাৰ নহয় কোচ-ৰাজবংশী

জনগোষ্ঠীৰ লোক ডি-ভোটাৰ নহয় আৰু বিদেশী ন্যায়াধিকৰণত গোচৰৰ শুনানি অনুষ্ঠিত নহয়। অসম চৰকাৰ কেবিনেটে কোঁচ-ৰাজবংশী লোকৰ বিৰুদ্ধে বিদেশী ন্যায়াধিকৰণত চলি থকা সকলো গোচৰ প্ৰত্যাহাৰ কৰিছে। অসম চৰকাৰে বিদেশী ন্যায়াধিকৰণত কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ যিসকল লোকৰ বিৰুদ্ধে থকা ডি-ভোটাৰ তথা বিদেশী হোৱাৰ সন্দেহত বিদেশী ন্যায়াধিকৰণত অমীমাংসিত হৈ শুনানি চলি আছে সেই সকলো গোচৰ প্ৰত্যাহাৰৰ কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনগোষ্ঠীটোৰ বহু লোকক আঘাত দিয়া ডি-ভোটাৰ তথা সন্দেহজনক ভোটাৰ টেগ নাইকিয়া কৰে। আজি কেবিনেট বৈঠকৰ অন্তত সংবাদমেল যোগে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ৰাজ্যখনৰ বিভিন্ন বিদেশী ন্যায়াধিকৰণত জনগোষ্ঠীটোৰ লোকৰ বিৰুদ্ধে ২৮ টা গোচৰ আছে। কেবিনেটে তাৎক্ষণিকভাৱে গোচৰসমূহ প্ৰত্যাহাৰ কৰাৰ এক ঐতিহাসিক সিদ্ধান্ত লৈছে। এই পদক্ষেপে ৰাজ্য চৰকাৰে কোঁচ-ৰাজবংশীসকলক থলুৱা লোক হিচাপে স্বীকৃতি দিয়াৰ প্ৰতিফলন। যিসকল লোক অসমৰ সামাজিক আৰু সাংস্কৃতিক গাঁথনিৰ অংশ। মুখ্যমন্ত্ৰীয়ে জনগোষ্ঠীটোৰ লোকসকলে অনুভৱ কৰা অসুবিধাসমূহৰ কথা স্বীকাৰ কৰি অৰ্থনৈতিক দুৰ্দশা আৰু দীৰ্ঘদিনীয়া দুখ-কষ্টৰ কথা উল্লেখ কৰে। ১৯৪৬ চনৰ বিদেশী আইনৰ অধীনত স্থাপন কৰা অসমৰ বিদেশী ন্যায়াধিকৰণে নথিভুক্ত অনুপ্ৰৱেশকাৰী বুলি সন্দেহ কৰা ব্যক্তিসকলৰ নাগৰিকত্বৰ স্থিতি চিনাক্ত কৰে। ৰাজ্যখনত বৰ্তমান এনে ধৰণৰ ১০০ খন ন্যায়াধিকৰণ আছে। কোঁচ-ৰাজবংশী কেৱল অসমতে নহয়, পশ্চিমবংগ, মেঘালয় আৰু বাংলাদেশ, নেপাল আৰু ভুটানটো আছে। শেহতীয়া চৰকাৰী সিদ্ধান্তই হাজাৰ হাজাৰ কোঁচ-ৰাজবংশী ব্যক্তিক সকাহ দিছে। কিয়নো নাগৰিকত্বক লৈ বহু বছৰ ধৰি অনিশ্চয়তাৰ সন্মুখীন হৈ আহিছে কেইবা হাজাৰ লোক। এই খবৰে আনন্দৰ বতৰা কঢ়িয়াইছে জনগোষ্ঠীটোক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱাকফ বিল অসাংবিধানিক! ক'ৰ্টত কেন্দ্ৰক

বিধেয়কখন গৃহীত হোৱাৰ কেইঘণ্টামানৰ ভিতৰতে উচ্চতম ন্যায়ালয়ত এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হয়। আবেদনকাৰী সাংসদ জাভেদে কয় যে এই বিধেয়কখনে সংবিধানৰ ১৪, ২৪, ২৬, ২৯ আৰু ৩০০ এ অনুচ্ছেদ উলংঘা কৰিছে। য'ত সমতা, ধৰ্ম পালনৰ অধিকাৰ, ধৰ্মীয় অনুষ্ঠান চলোৱাৰ স্বাধীনতা, সংখ্যালঘুৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ আদিৰ সম্পৰ্কে নিয়ম আছে। তেওঁ কয় যে এই বিধেয়কখন কেৱল মুছলমানৰ স্বাৰ্থৰ ওপৰত আক্ৰমণ কৰাই নহয়, তেওঁলোকৰ অধিকাৰ কৰ্তনৰ ইচ্ছাকৃত প্ৰচেষ্টাও। বিশেষকৈ ৱাকফ কাউন্সিল আৰু ৰাজ্যিক ৱাকফ ব'ৰ্ডত অমুছলমান প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰাৰ বাবে বিধেয়কখনৰ প্ৰস্তাৱ তীব্ৰ আপত্তিৰ কাৰণ বুলিও তেওঁ কয়। সংসদত দুদিনীয়া উত্তপ্ত বিতৰ্কৰ অন্তত অৱশেষত ৱাকফ সংশোধনী বিধেয়ক গৃহীত হয়। এতিয়া ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে অপেক্ষা। এই বিধেয়কখনে প্ৰান্তীয় মুছলমান সম্প্ৰদায়ক উপকৃত কৰিব বুলি দাবী কৰিছে বিজেপিয়ে। বৰ্তমানলৈকে প্ৰভাৱশালী লোকৰ হাতত থকা ৱাকফৰ সম্পত্তি সাধাৰণ মুছলমানৰ বাবে মুকলি কৰা হ'ব। কিন্তু বিৰোধীয়ে এই যুক্তি অসাংবিধানিক আৰু সংখ্যালঘুৰ ওপৰত পৰিকল্পিত আক্ৰমণ বুলি কৈ সম্পূৰ্ণৰূপে খাৰিজ কৰিছে। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে এই বিধেয়কৰ বিৰোধিতা কৰি অভিযোগ কৰে যে বিজেপিয়ে সংখ্যাগৰিষ্ঠতাৰ অপব্যৱহাৰ কৰি দেশৰ সংবিধানক আক্ৰমণ কৰিছে। সংসদত বিৰোধীয়ে মাত মাতিলেও ইয়াক কোনো গুৰুত্ব দিয়া নহ'ল। ষ্টেলিনে স্পষ্ট কৰি দিছে যে ৰাজ্যসভাত বিধেয়কখন গৃহীত হোৱাৰ পূৰ্বে তামিলনাডু বিধানসভাত ঘোষণা কৰিছিল যে বিধেয়কখনক উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱা হ'ব। একে সময়তে কংগ্ৰেছেও ইংগিত দিছিল যে তেওঁলোকে বিধেয়কখনক প্ৰত্যাহ্বান জনাব। এতিয়া এই বিধেয়কৰ বিৰুদ্ধে আৰম্ভ হৈছে আইনী যুদ্ধৰ।

# ৱাকফ বিধেয়কৰ প্ৰতিলিপি দাহেৰে প্ৰতিবাদ দক্ষিণ বৰপেটা জিলা আমছুৰ

**ই-সংবাদ, শিমলীতোলা, ৪ এপ্ৰিলঃ** আজি সমগ্ৰ ৰাজ্যতে মোডী চৰকাৰৰ প্ৰস্তাৱিত ৱাকফ সম্পত্তি আইনৰ সংশোধনী বিলখনক লৈ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ সমান্তৰালকৈ দক্ষিণ বৰপেটা জিলা আমছুৰ উদ্যোগত আৰু বাঘমাৰা চৰ আঞ্চলিক আমছুৰ সহযোগত চেঙা সমষ্টিৰ বাঘমাৰা চৰত ৱাকফ আইনৰ সংশোধনীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে মুছলমানে নিজৰ স্থাৱৰ বা অস্থাৱৰ সম্পত্তিৰ একোটা অংশ নিজৰ সম্প্ৰদায়ৰ কল্যাণৰ বাবে ঈশ্বৰৰ নামত দান কৰা ৱাকফৰ সম্পত্তিত কেৱল মুছলমানৰ অধিকাৰ আছে বুলি কোৱাৰ লগতে কেন্দ্ৰীয় চৰকাৰে ৪৪ টা সংশোধনীৰে অনা নতুন ৱাকফ বিলখনে কাৰ্যত ৱাকফ ব'ৰ্ডৰ ক্ষমতা নোহোৱা কৰিব বুলি দাবী কৰে। বিলখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সংশোধনী দফাটোত কোৱা হৈছে যে কোন সম্পত্তি ৱাকফৰ, সেই বিষয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব জিলা আয়ুক্তই। আইনৰ এই দফাটোক লৈয়ে প্ৰতিবাদকাৰীসকলে আপত্তি কৰাৰ লগতে কয় যে বৰ্তমান সময়ত দেশৰ বিভিন্ন প্ৰান্তত যিদৰে হাজাৰ বছৰীয়া ইতিহাস থকা মছজিদ, দৰগাহসমূহ কেতিয়াবা অবৈধ স্থাপন আখ্যা দি, কেতিয়াবা বিতৰ্কিত বুলি ঘোষণা কৰি সেইবোৰ উচ্ছেদ কৰা হৈছে, নতুবা সেইবোৰৰ ইছলামিক চৰিত্ৰ পৰিৱৰ্তনৰ দাবী উত্থাপন কৰা হৈছে, তেনে পৰিস্থিতিত ৱাকফ সম্পত্তিৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা জিলা আয়ুক্তৰ হাতলৈ গ'লে সেই সম্পদবোৰৰ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব বুলি দাবী কৰে। তদুপৰি আইনখনত ৱাকফ কাউন্সিলৰ চেয়াৰমেন কেন্দ্ৰীয় সংখ্যালঘু দপ্তৰৰ মন্ত্ৰী হ'ব বুলি কৈছে। এজন কেন্দ্ৰীয় মন্ত্ৰীৰ নিযুক্তিয়ে এক স্বতন্ত্ৰ ধৰ্মীয় দাতব্য সংস্থা হিচাপে ৱাকফৰ স্বতন্ত্ৰতাক নস্যাৎ নকৰিবনে বুলি কয় প্ৰতিবাদকাৰীসকলে। ৱাকফ সংশোধনী বিলখনত ৱাকফ ব'ৰ্ডত দুজন অ-মুছলমান সদস্যৰ অন্তৰ্ভুক্তি আৰু ব'ৰ্ডৰ চেয়াৰমেনজন মুছলমান হোৱাৰ প্ৰয়োজন নাই বুলি যি সংশোধন অনা হৈছে, ই ৱাকফ সম্পত্তিৰ ওপৰত মুছলমান সম্প্ৰদায়ৰ নিয়ন্ত্ৰণ হ্ৰাস কৰিব। এয়া সংখ্যালঘু সম্প্ৰদায়টোৰ ধৰ্মীয় স্বাধীনতাৰ পৰিপন্থী ইত্যাদি বিভিন্ন অভিযোগ উত্থাপন কৰি আজি আমছুৱে সমগ্ৰ ৰাজ্যতে ৱাকফ আইনৰ সংশোধনীৰ বিৰুদ্ধে মুখত ক'লা কাপোৰ বান্ধি আইনখনৰ প্ৰতিলিপি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্তৰে ক'লা আইনখনৰ বিৰোধিতা কৰে। প্ৰতিবাদকাৰীসকলে আমছু জিন্দাবাদ, ৱাকফ আইন নামানো, ৱাকফ আইন বাতিল কৰক, বিজেপি চৰকাৰ হায় হায়, অমিত শ্বাহ হায় হায়, নৰেন্দ্ৰ মোদী হায় হায়, মুছলমানৰ লগত অন্যায় কৰা নচলিব ইত্যাদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ভাৰতৰ আত্মপৰিচয়ৰ মূল ভাবনা অৰ্থাৎ সাংস্কৃতিক আৰু ধৰ্মীয় ভাবনাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা এনে সংশোধনী অতি শীঘ্ৰে কেন্দ্ৰৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰক বাতিল কৰাৰ দাবী জনায় প্ৰতিবাদকাৰীসকলে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# চাবুৱাৰ শিল্পী সুৰেশ ৰায়ৰ হাতৰ পৰশত প্ৰাণ পাইছে শুকান গছৰ মূঢ়াই

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৪ এপ্ৰিলঃ** তেওঁৰ সু-নিপুন হাতৰ পৰশত প্ৰাণ পাই গছৰ মূঢ়াই। তেওঁৰ ভাস্কৰ্য্য শিল্পই সদায়েই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। ১৫ বছৰে ভাস্কৰ্য্য শিল্পকলাৰ চৰ্চা কৰা শিল্পীগৰাকীৰ হাতৰ পৰশত প্ৰাণ পাই উঠি একোটাকৈ গছৰ মূঢ়াই। গছৰ শুকান মূঢ়াক প্ৰাণ দিছে চাবুৱাৰ ডিকমৰ শিল্পীগৰাকীয়ে। আনে কাটি নিয়া গছৰ মূঢ়া মাটিৰ তলৰ পৰা খান্দি উলিয়াই জীৱন্ত কৰা যুৱকজন হৈছে সুৰেশ ৰায়। গছৰ মূঢ়াক জীৱন্ত কৰা চাবুৱাৰ ডিকমৰ শিল্পী সুৰেশ ৰায়ৰ কৰ্মৰ চৰ্চা চৌদিশে হ'বলৈ ধৰিছে। সামাজিক মাধ্যমত তেওঁৰ কৰ্মৰাজীক ভূয়সী প্ৰশংসা কৰিছে নেটিজেনে। ৰায়ৰ হাতত প্ৰতিদিনে প্ৰাণ পাই উঠে একোটাকৈ শুকান গছৰ মূঢ়াই। প্ৰথমে মাটিৰ তলত থকা গছৰ মূঢ়া খান্দি উলিয়াই শিল্পী ৰায়ে। তাৰ পিছতে ধুই পোখালী পৰিস্কাৰ কৰে। তাৰ পিছতে তাক কুৰুকি কুৰুকি মসৃণ কৰা হয়। পলিচ কৰাৰ পিছতে ৰং সানি শুকান মূঢ়াই এক সুন্দৰ আঁকাৰ লয়। বিগত কেইবাবছৰ ধৰি ডিকমৰ শিল্পীগৰাকীয়ে চাহ গছকে ধৰি বিভিন্ন গছৰ মূঢ়াৰে নিৰ্মাণ কৰিছে ঘৰুৱা বিভিন্ন আচবাব। প্ৰচাৰ বিমুখ শিল্পীজনৰ





সৃষ্টিক লৈ এতিয়া চৰ্চা আৰম্ভ হৈছে। গছৰ মূঢ়াৰে বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি জীৱন্ত ৰূপ দিবলৈ সক্ষম হোৱা শিল্পীজনৰ সামগ্ৰী ক্ৰয় কৰি ভূয়সী প্ৰশংসা কৰি আহিছে। তেওঁ প্ৰস্তুত কৰি বিভিন্ন সামগ্ৰী অসমৰ বিভিন্ন ঠাইৰ লোকে ক্ৰয় কৰি নিছে। গছৰ মূঢ়াৰে সামগ্ৰী নিৰ্মাণ কৰি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে ডিকমৰ সুৰেশ ৰায়। বিগত ১৫ বছৰে চাহ বাগিচা অঞ্চলৰ পৰা চাহ গছসমূহ সংগ্ৰহ কৰি ডাইনিং টেবুল, চাহ টেবুল, ষ্টেণ্ড কৰ্ণাৰ আদি নিৰ্মাণ কৰিছে। নিৰ্মাণ কৰা আচবাব সমূহ অসমৰ বাহিৰৰ লোকেও ক্ৰয় কৰি নিয়া বুলি জানিবলৈ দিছে ৰায়ে। ডিকমৰ এখন আচবাব বনোৱা প্ৰতিষ্ঠানত কিছুদিন কাম কৰাৰ পাছতেই নিজ সাধনাত এতিয়া সামগ্ৰী নিৰ্মাণ কৰি এখন পৃথক বজাৰ গঢ় দিছে ৰায়ে। সামগ্ৰীসমূহ নিৰ্মাণ কৰি পৰিয়াল চলোৱাৰ লগতে আন শ্ৰমিক নিয়োগ কৰি উপাৰ্জনৰ পথ উলিয়াই দিছে। কিন্তু এইগৰাকী শিল্পীক ৰজাঘৰীয়াই কোনো সহায় কৰা নাই। স্থানীয় ৰাইজে শিল্পী ৰায়ক সাহায্য প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

## এবছৰৰ পূৰ্বে ধন জমা লৈয়ো গ্ৰাহকক নিদিলে উপভোক্তা নম্বৰ, বেৰতে ওলমি থাকিল মিটাৰ

# পাইপযোগে ৰন্ধন গেছ যোগানৰ নামত অসম গেছ কোম্পানীৰ চূড়ান্ত প্ৰহসন

**ই-সংবাদ বিশেষ, দুলীয়াজান, ৪ এপ্ৰিলঃ** অসম গেছ কোম্পানীয়ে পাইপযোগে ৰন্ধন গেছ যোগানৰ নামত কৰা ভেকোঁ ভাওনাই ক্ষোভিত কৰি তুলিছে জনসাধাৰণক। বিগত লোকসভা নিৰ্বাচনৰ পূৰ্বে এক লাখ গ্ৰাহকক পাইপযোগে ঘৰুৱা ৰন্ধন গেছৰ যোগান ধৰাৰ বিষয়ে সংবাদমেল যোগে ঘোষণা কৰিছিল উদ্যোগ প্ৰতিষ্ঠানটোৰ অধ্যক্ষ তথা শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়া আৰু পৰিচালন সঞ্চালক গকুল চন্দ্ৰ স্বৰ্গীয়াৰীয়ে। ইয়াৰ পিছতে অসম গেছ কোম্পানীৰ বিভিন্ন গেছ গ্ৰীডৰ বিষয়া কৰ্মচাৰীয়ে এক জোৱাৰ তুলি উজনি অসমৰ বিভিন্ন ঠাইত ৰন্ধন গেছৰ সংযোগ দিয়া বুলি ধাৰাবাহিক প্ৰেছ বিবৃতিৰে সংবাদ মাধ্যমৰ পৃষ্ঠা ভৰাই তুলিছিল। কিন্তু দিন বাগৰাৰ লগে লগে লোকসভা নিৰ্বাচনৰ প্ৰাক মূহুৰ্তত ললিপপ যে ৰাইজক দিছিল সেয়া বৰ্তমান স্পষ্ট হৈ পৰিছে। আমাৰ হাতত আহি পৰা অভিযোগ অনুসৰি দুলীয়াজানৰ একেবাৰে কাষৰীয়া বৃহত্তৰ উষাপুৰ অঞ্চলত এটা বছৰৰ পূৰ্বে ৰন্ধন গেছ সংযোগৰ উদ্বোধন কৰিছিল স্থানীয় বিধায়ক তেৰচ গোৱালাই। অঞ্চলটোত গেছ যোগানৰ ঠিকা লাভ কৰা বসুমতাৰী উপাধিৰ ঠিকাদাৰজনৰ নিজা গৃহতে এক অনুষ্ঠানৰ অনুষ্ঠিত কৰি অঞ্চলটোত গেছৰ সংযোগ উক্ত দিনাৰে পৰা দিয়া হ'ল বুলি ঘোষণা কৰিছিল বিধায়কজনে। লগে লগে অঞ্চলটোৰ শ শ গ্ৰাহকে ৰন্ধন গেছৰ সংযোগ লবলৈ হেতা ওপৰা লগাই নিজ নিজ নথি পত্ৰসহ পাঁচশ টকাকৈ ঠিকাদাৰ গৰাকীক জমা দিছিল। ধন জমা দিয়াৰ পাছতে গ্ৰাহকৰ পাকঘৰৰ বেৰত মিটাৰ ওলমাই দি বহুদিনলৈ বিষয়টো নিতাল মাৰে। ইয়াৰ পিছতে পুনৰ কেইবামাহো বিৰতিৰ অন্তত গেছ যোগানৰ পাইপ পুতি সংযোগ বিচ্ছিন্ন হৈ পৰে বিভাগীয় কৰ্তৃপক্ষ। আনহাতে টেক্টৰ ব্যৱহাৰৰ জৰিয়তে মূল পথৰ কাষতে পাইপ সমূহ পুতি যোৱাৰ পাছত সৃষ্টি হোৱা গাতত সোমাই বহু ঠাইত কেইবাখনো গাড়ী দুৰ্ঘটনাগ্ৰস্ত হৈছে। বিভিন্ন সময়ত গেছ যোগানৰ হেমাহিৰ সন্দৰ্ভত ঠিকাদাৰৰ সৈতে গ্ৰাহকে যোগাযোগ কৰিলে উদ্যোগ প্ৰতিষ্ঠানটোত গেছ যোগানৰ বাবে ব্যৱহাৰ হোৱা কেতবোৰ সামগ্ৰীৰ অভাৱৰ বাবে এনেদৰে পলম হোৱাৰ কথা জনায় আহিছে বুলিও অভিযোগত প্ৰকাশ। আনহাতে প্ৰত্যক্ষ কৰা অনুসৰি দুলীয়াজান গেছ গ্ৰীডৰ দায়িত্বত থকা কোনো বিষয়া কৰ্মচাৰীয়ে ঠিকাদাৰ কৰা কাম নিৰীক্ষণ কৰিবলৈ উদ্বোধনৰ পাছদিনাৰ পৰা পদাৰ্পন কৰা নাই। মনকৰিবলগীয়া যে উক্ত অঞ্চলটো দীৰ্ঘদিনৰ পৰা পাইপ যোগে ৰন্ধন গেছ যোগানৰ লাভৰ পৰা বঞ্চিত হৈ থকাৰ তথ্য লাভ কৰি অসম গেছ কোম্পানীৰ পৰিচালন সঞ্চালক গৰাকীয়ে ৰাইজক গেছৰ যোগান ধৰাৰ ক্ষেত্ৰত বিশেষ তৎপৰতা গ্ৰহণ কৰিছিল। কিন্তু এটা বৰ্ষ পাৰ হৈ যোৱাৰ পাছতো অঞ্চলটোৰ ৰাইজ পণবন্দী হৈ থকা বিষয়টো পৰিচালন সঞ্চালক গৰাকীয়ে কেনেদৰে গ্ৰহণ কৰে সেয়াও লক্ষণীয় হ'ব। উল্লেখযোগ্য যে অসম গেছ কোম্পানীয়ে বৃহত্তৰ অঞ্চলটোত অইল ইণ্ডিয়া লিমিটেডৰ উষাপুৰ অ চি এছৰ পৰা গেছৰ যোগান ধৰাৰ ব্যৱস্থা কৰিছিল। তেনেস্থলত অ চি এছৰ কাষৰীয়া অৰ্থাৎ এশ ডেৰশ মিটাৰ আঁতৰৰ উপভোক্তাকে যদি বৰ্তমান পৰ্যন্ত গেছৰ যোগান ধৰিব নোৱাৰে অন্যান্য উপভোক্তাৰ ক্ষেত্ৰত কি অৱস্থা হব সেয়া সহজে অনুমেয়। ইফালে প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰী এনে কৰ্মকাণ্ডৰ বিৰুদ্ধে অঞ্চলটোৰ ৰাইজ ক্ষোভিত হৈ অসম গেছ কোম্পানীৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত সংযোগ নথকা মিটাৰসমূহ চমজাই দি ৰঙালী বিহুৰ পূৰ্বে প্ৰতিবাদ কৰাৰ সিদ্ধান্তগ্ৰহণ কৰিছে।

# চাবুৱাত চাহ মজদুৰ সংঘ-কংগ্ৰেছ নেতাৰ অসম গণ পৰিষদ দলত যোগদান



**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৪ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ঘোষণা হোৱাৰ লগতে সন্মুখত ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচন। যাৰ বাবে শাসক বিজেপি, অগপ বিৰোধী কংগ্ৰেছে তৎপৰতা বৃদ্ধি কৰিছে। বিজেপিৰ সহযোগী আঞ্চলিক দল অসম গণ পৰিষদে তেওঁলোকৰ দখলত থকা সমষ্টিসমূহৰ লগতে আন সমষ্টিসমূহতো তৎপৰতা বৃদ্ধি কৰিছে। উজনি অসমৰ ডিব্ৰুগড় জিলাৰ অসম গণ পৰিষদৰ দখলত থকা চাবুৱা-লাহোৱাল সমষ্টিত দলটোৱে ব্যাপক তৎপৰতাৰে সাংগঠনিক কাম-কাজ কৰি গৈছে। পঞ্চায়ত নিৰ্বাচনত উন্নত ফলাফল প্ৰদৰ্শন কৰাৰ স্বাৰ্থত প্ৰায় ছয়মাহ ধৰি সমষ্টিটোত বাহৰ পাতি বিধায়ক পোনাকণ বৰুৱাই পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সোমাই পৰিছে। নিতৌ সভা-সমিতি অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ন কৰি গৈছে। সমানে  কৰিছে। সমষ্টিটোৰ ফুকনাৰখাত গাঁও পঞ্চায়তৰ ঢলাজান চাহ বাগিচাৰ অসম চাহ মজদুৰ সংঘৰ বহু সংখ্যক বিষয়-ববীয়াই অসম বিভিন্ন শ্ৰেণীৰ লোকক দলটোৰ প্ৰতি আকৰ্ষিত কৰি দলীয় সভা-সমিতি যোগে শ-শ লোকক দলটোত যোগদান কৰাইছে। তাৰ মাজতে আজিও একাংশ লোকে বিধায়ক বৰুৱাৰ উপস্থিতিত অসম গণ পৰিষদত যোগদান গণ পৰিষদত যোগদান কৰিছে। কংগ্ৰেছ দলৰো একাংশ নেতাই দলটোত যোগদান কৰে। অসম চাহ মজদুৰ সংঘৰ নেতা-কৰ্মী আৰু কংগ্ৰেছ দলৰ নেতা-কৰ্মীক বিধায়ক বৰুৱাই গলবস্ত্ৰ পিন্ধাই দললৈ আদৰণি জনাইছে।

---

**ন-পুখুৰীত ষট পূজা পাতিবলৈ নিদিয়া সিদ্ধান্তক আদৰণি পৰিষদৰ সভাপতি কৈলাশ কুমাৰ গুপ্তাৰ**

# মাৰ্ঘেৰিটাত সদৌ অসম ভোজপুৰী পৰিষদৰ উদ্যোগত বিশেষ বিহুনাচ কৰ্মশালা



**ই-সংবাদ, মাৰ্ঘেৰিটা, ৪ এপ্ৰিলঃ** অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাত্ৰ কেইটামান দিন। ৰাজ্যৰ চৌদিশে এতিয়া বিহুটিক আদৰাৰ ব্যাপক প্ৰস্তুতি চলিছে। ব্যতিক্ৰম নহয় মাৰ্ঘেৰিটাবাসীও। প্ৰতিবৰ্ষৰ দৰে এইবাৰো সদৌ অসম ভোজপুৰী পৰিষদৰ উদ্যোগত মাৰ্ঘেৰিটাত আয়োজন কৰা হৈছে বিহু নাচ কৰ্মশালা। অহা ৪ এপ্ৰিলৰপৰা ৭ দিনীয়াকৈ অনুষ্ঠিত হ'বলগা এই বিহুনাচ কৰ্মশালা আজি শুভাৰম্ভ কৰা হয়। উক্ত বিহুনাচ কৰ্মশালাত আজি প্ৰথম দিনটোতে ভোজপুৰী ভাষী তথা হিন্দী ভাষীৰ অৰ্ধৰ্শতাধিক কিশোৰীয়ে অংশগ্ৰহণ কৰে। বিহুনাচ কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে বিহুৱতী আইচেং গগৈ আৰু বিহুৱা দেৱজিৎ গগৈসহ কেইবাগৰাকীও বিহুৱা-বিহুৱতী। ভোজপুৰী ভাষী অসমীয়াসকলৰ ৰঙালীক আদৰা এই ব্যতিক্ৰমী পদক্ষেপক সকলোৱে আদৰণি জনাইছে। সদৌ অসম ভোজপুৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কৈলাশ কুমাৰ গুপ্তাই মাৰ্ঘেৰিটা সমূহ কিশোৰ- কিশোৰীক এই বিনামূলীয়া বিহুনাচ কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। আনহাতে, তিনিচুকীয়া ন-পুখুৰী ষট পূজা উদাযাপন সমিতিৰ আৰু স্থানীয় দল-সংগঠনৰ হোৱা সংঘাতক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভোজপুৰী পৰিষদ কেন্দ্ৰীয় সমিতিৰ সভাপতি কৈলাশ কুমাৰ গুপ্তায়ে। এই সংঘাতৰ বাবে মুখ্যমন্ত্ৰীক তীব্ৰ ভাষাৰে গৰিহণা কৈলাশ কুমাৰ গুপ্তাই কয় যে ডিব্ৰুগড়ত নতুনকৈ নিৰ্মাণ হোৱা সচিবালয়ত মটক জনগোষ্ঠীয় সংগঠনৰ সৈতে হোৱা আলোচনাত ন-পুখুৰীত ষট পূজা পাতিবলৈ নিদিয়া কথাটো আদৰণী জনাইছো। লগতে তেওঁ মুখ্যমন্ত্ৰীগৰাকীক জগৰীয়া কৰি কয় যে মুখ্যমন্ত্ৰীগৰাকীৰ দায়িত্ব আছিল তেওঁ জিলা আয়ুক্তক নিৰ্দেশ দি ন-পুখৰী ষট পূজাৰ কমিটি লগতে বিভিন্ন দল-সংগঠনৰ সৈতে ত্ৰিপাক্ষিক সভা অনুষ্ঠানত কৰি উক্ত স্থানত পূজা নাপাতি অন্য ঠাইত ষট পূজা পাতিবলৈ ব্যৱস্থা কৰাটো।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# ৯৮ খন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাক চলিত শিক্ষাবৰ্ষত মাধ্যম হিচাপে প্ৰৱৰ্তনৰ সিদ্ধান্ত

## মুখ্যমন্ত্ৰী-শিক্ষা মন্ত্ৰীক ধন্যবাদ তিৱা স্বায়ত্ত পৰিষদ, তিৱা সাহিত্য সভাৰ

**ই-সংবাদ, মৰিগাঁও, ৪ এপ্ৰিলঃ** অসমৰ ভিন্ন প্ৰান্তৰৰ ৯৮ খন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাক মাধ্যম হিচাপে লৈ তিৱা জনগোষ্ঠীটোক শিক্ষা গ্ৰহণৰ অধিকাৰ প্ৰদান কৰিছে ৰাজ্য চৰকাৰে। ইয়াকে লৈ তিৱা জনগোষ্ঠীটো উৎফুল্লিত হৈ পৰিছে। এই সম্পৰ্কত আজি তিৱা স্বায়ত্ত পৰিষদ আৰু তিৱা মাথনলাই তখা অৰ্থাৎ তিৱা সাহিত্য সভাই স্বায়ত্ব পৰিষদৰ মৰিগাঁও চহৰস্থিত মুখ্য কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত কৰি চলিত শিক্ষাবৰ্ষত উক্ত প্ৰাথমিক বিদ্যালয় কেইখনত ভাষাটোৰ প্ৰচলন আৰু শিক্ষা গ্ৰহণৰ সবিশেষ সদৰি কৰে। তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, কাৰ্যবাহী সদস্য ক্ৰমে খগেন চন্দ্ৰ বৰদলৈ, প্ৰণৱজ্যোতি মছৰং, তিৱা সাহিত্য সভাৰ উপ-সভাপতি ড০ বিদ্যুৎ বিকাশ সেনাপতি প্ৰমুখ্যে কেইবাগৰাকীও তিৱা জনগোষ্ঠীয় নেতাই সংবাদমেলত অংশগ্ৰহণ কৰি এই ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। জনগোষ্ঠীটোৰ নেতৃত্ববৃন্দই উল্লেখ কৰে যে প্ৰাগ ঐতিহাসিক সময়ৰে পৰা তিৱাসকলে নিজা ভাষা, কৃষ্টি-সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতিৰে নিজস্ব জাতি সত্তাক জীয়াই ৰাখিছে। সাম্প্ৰতিক সময়ত তিৱা ভাষাই সন্মুখীন হোৱা সংকটৰ বাবে আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষা প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰি অহা হৈছিল। এনে পৰিপেক্ষিতত তিৱা স্বায়ত্ত পৰিষদ, তিৱা মাথনলাই তখা আৰু কেবাটাও তিৱা জাতীয় সংগঠনৰ লগত হোৱা দীঘলীয়া আলোচনাৰ অন্তত যোৱা ০২ মাৰ্চ তাৰিখে ৰাজ্য চৰকাৰে E No.632888/40 নং এক অধিসূচনাৰ জৰিয়তে ৯৮ খন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাক মাধ্যম হিচাপে লৈ শিক্ষা গ্ৰহণৰ অধিকাৰ প্ৰদান কৰে। প্ৰথম পৰ্যায়ত শিক্ষা প্ৰদানৰ বাবে কাৰ্বি আংলং, নগাঁও, মৰিগাঁও, হোজাই, ধেমাজি আৰু কামৰূপ (মহানগৰ) জিলাৰ ৯৮ খন বিদ্যালয় নিৰ্বাচন কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় শিক্ষকৰ তালিকা প্ৰস্তুত কৰি ইতিমধ্যে অসম চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। শিক্ষকসকলক বদলিকৰণ আৰু নিযুক্তিৰ জৰিয়তে পাঠদানৰ বাবে অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। সমান্তৰালভাৱে বিদ্যালয়সমূহত পাঠদানৰ বাবে প্ৰয়োজনীয় কিতাপ-পত্ৰ প্ৰকাশ আৰু বিতৰণৰো ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তিৱা ভাষা মাধ্যম হিচাপে প্ৰৱৰ্তনৰ হ'লে অদূৰ ভৱিষ্যতে তিৱা ভাষাটো সংৰক্ষিত, বিকাশ আৰু সুৰক্ষিত হৈ থাকিব। নিজৰ মাতৃ ভাষাত শিক্ষা গ্ৰহণৰ অধিকাৰ প্ৰদানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নতুন শিক্ষা নীতিৰ আধাৰক (NEP) আদৰণি জনাই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহক ভাষা শিক্ষাৰ মৌলিক অধিকাৰ প্ৰদান কৰা হৈছে। এয়া এক যুগান্তকাৰী সিদ্ধান্ত বুলি জনগোষ্ঠীটোৰ নেতৃবৃন্দই মন্তব্য কৰে। সংবাদমেলৰ অন্তত তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যালয় প্ৰাংগণত জনগোষ্ঠীটোৰ নেতা-কৰ্মীসকলে ফটকা তথা আতচবাজী ফুটাই ৰাজ্য চৰকাৰক অভিনন্দন জ্ঞাপন কৰে।

# যাদৱ পায়েং, পূৰ্ণিমা দেৱী বৰ্মনলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী

## অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থিত মূল চৌহদত ২৫ সংখ্যক সমাৱৰ্তনৰ আয়োজন

**ই-সংবাদ, যোৰহাট, ৪ এপ্ৰিলঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন অহা ৯ এপ্ৰিলত যোৰহাটস্থিত মূল চৌহদত অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত  বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ পৌৰোহিত্যত হ'বলগীয়া সমাৱৰ্তনত অসম কৃষি আয়োগৰ অধ্যক্ষ ড০ হৰিশৰণ গুপ্তাই ভাষণ প্ৰদান কৰিব। অসমৰ কৃষিমন্ত্ৰী অতুল বৰাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিবলগীয়া সমাৱৰ্তনত অৰণ্য মানৱ যাদৱ পায়েং(মুলাই) আৰু গ্ৰীন অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিবলগীয়া এই সমাৱৰ্তনতে প্ৰথমবাৰৰ বাবে গভৰ্নৰ এৱাৰ্ড প্ৰদান কৰা হ'ব। অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয় পৰা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীৰ লগতে পি এইচ ডি লাভ কৰা ৫৪৮ শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰাৰ লগতে সোণৰ পদক আৰু অন্যান্য পুৰস্কাৰসমূহো প্ৰদান কৰা হ'ব। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকা আৰু পৰিচালনা সমিতিয়ে এই অনুষ্ঠানত শৈক্ষিক সমাজৰ সহায়-সহযোগ কামনা কৰিছে।

# মাৰ্ঘেৰিটাৰ দিহিং বাগিছাত নিজ বাসগৃহত মাতালৰ অগ্নিসংযোগ

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৪ এপ্ৰিলঃ** মাৰ্ঘেৰিটাৰ দিহিং চাহ বাগিচাৰ ১২ নং লাইনৰ পথাৰবস্তিত সংঘটিত হয় এক ভয়ানক অগ্নিকাণ্ড। মদৰ ৰাগিত মাতাল হৈ বিজয় বাগ(৪০) নামৰ লোকজনে নিজ গৃহতে অগ্নি সংযোগ কৰে। মাৰ্ঘেৰিটাৰ দিহিং চাহ বাগিচাৰ ১২ নং লাইনৰ পথাৰবস্তিত সংঘটিত এই অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয় বিজয় বাগৰ গৃহটো। স্থানীয় ৰাইজ, অগ্নিনিৰ্বাপক বাহিনী আৰু আৰক্ষীৰ তৎপৰতাত জুই নিৰ্বাপণ কৰা হয়। ৰাইজৰ তৎপৰতাত ভয়ংকৰ বিপদৰ পৰা ৰক্ষা পৰে কাষৰ আৱাসীসকল। ইতিমধ্যে মাৰ্ঘেৰিটাৰ আৰক্ষীয়ে আটক কৰিছে মদৰ ৰাগিত মাতাল বিজয় বাগক। অগ্নিকাণ্ডত গৃহহীন হৈ পৰিছে বিজয় বাগৰ পত্নী আৰু কণমানি কিশোৰী।

# চেলেংহাটত নগাৰ আগ্ৰাসন ৰোধৰ দাবীত 'আছা'ৰ প্ৰতিবাদ

**ই-সংবাদ, মৰিয়নি, ৪ এপ্ৰিলঃ** যোৰহাট জিলাৰ চেলেংহাটত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ টীয়ক আৰু চেলেংহাট আঞ্চলিক সমিতিৰ উদ্যোগত অসম-নাগালেণ্ড সীমান্তৰ এলেকাত নগাৰ আগ্ৰাসন ৰোধ কৰাৰ লগতে ৰাইজক নিৰাপত্তা দিয়া আৰু ঐতিহাসিক ধোদৰ আলিৰ পুনৰ নিৰ্মাণৰ গতি ক্ষীপ্ৰ কৰাৰ দাবীত ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি সীমান্তৱৰ্তী অঞ্চলটোত অসমৰ মাটিত বসবাস কৰি থকা অসমৰ স্থায়ী বাসিন্দাই স'ততে নগা দুৰ্বৃত্তৰ আতিশয্য ভোগ কৰিবলগীয়া হৈ আছে। প্ৰতিবাদকাৰীসকলে জাতি, মাটি, ভেটিৰ সপোন দেখুৱাই শাসনলৈ অহা বিজেপি চৰকাৰে সীমান্তবাসীৰ নিৰাপত্তাৰ দায়িত্বক আওকাণ কৰাটো দুৰ্ভাগ্যজনক আখ্যা দিয়ে। লগতে নকচাৰী-জাঁজী দলং সংযোগী পথছোৱা অসম মালা আঁচনিৰ অধীনত দুশ কোটি টকা আবণ্টন দিয়া হৈছে যদিও পথছোৱা নিৰ্মাণৰ শামুকীয়া গতিত আক্ষেপ প্ৰকাশ কৰে। ধৰ্মঘটস্থলীত বিজেপি চৰকাৰ গ' বেক, জিলা প্ৰশাসন হায় হায়, নগাৰ আগ্ৰাসন ৰোধ কৰক আদি বিভিন্ন শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ৰাজহ চক্ৰ বিষয়াৰ যোগেদি মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ৰাজ্য চৰকাৰে শীঘ্ৰে ইয়াৰ সমাধান নকৰিলে ইয়াতকৈও ভয়াৱহ জংগী আন্দোলনৰ হুংকাৰ দিছে প্ৰতিবাদকাৰীসকলে।

# ছাগলীয়াত ড্ৰাগছ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ৪ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ছাগলীয়া দ্বিতীয় খণ্ড গাঁৱত সন্ধিয়া আৰক্ষীয়ে অভিযান চলাই এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। আটকাধীন সৰবৰাহকাৰীটো গাঁওখনৰ সোনাউদ্দিন সেখৰ পুত্ৰ হাসেন আলী (৫৭)। অভিযোগ মতে, দীৰ্ঘদিনৰ পৰাই হাসেনে গাঁওখনত অবৈধ ড্ৰাগছৰ ব্যৱসায় চলাই আহিছে। আজি গোলকগঞ্জ থানাৰ আৰক্ষী গোপন খবৰৰ ভিত্তিত গাঁওখনত অভিযান চলাই সৰবৰাহকাৰীটোক আটক কৰে। আৰক্ষীয়ে তালাচী চলাই হাসেন আলীৰ পৰা এটা সন্দেহজনক ব্ৰাউন ছুগাৰৰ কণ্টেইনাৰসহ চাৰিটা খালি কণ্টেইনাৰ উদ্ধাৰ কৰে। আৰক্ষীয়ে আটকাধীন লোকজনক গোলকগঞ্জ থানাত সোধা-পোছা অব্যাহত ৰাখিছে।

# আঠদিনীয়া কাৰ্যসূচীৰে বংশৰত সমন্বয় যুৱ ঐক্য মঞ্চৰ বিহু কৰ্মশালা

**ই-সংবাদ, শুৱালকুছি, ৪ এপ্ৰিলঃ** কামৰূপৰ বংশৰত 'পূব বংশৰ সমন্বয় যুৱ ঐক্য মঞ্চ'ৰ উদ্যোগত ৩ এপ্ৰিলৰ পৰা আৰম্ভ হৈছে আঠদিনীয়াকৈ বিহু নৃত্যৰ কৰ্মশালা। বংশৰ মিনি ষ্টেডিয়ামৰ সমীপত ৩ এপ্ৰিলৰ পৰা অনুষ্ঠিত হোৱা কৰ্মশালাৰ শুভাৰম্ভ উপলক্ষে সেইদিনা পুৱা পতাকা উত্তোলন কৰে পূব বংশৰ সমন্বয় যুৱ ঐক্য মঞ্চৰ সভাপতি মনোৰঞ্জন দাসে। শ্বহীদ তৰ্পণ কৰে মৃদুল কলিতা, হিতেশ লহকৰ, তপন বৈশ্য, নিপন ৰাজবংশী, মানৱ দাস আৰু মানস দাসে। ইয়াৰ পিছত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপণ কৰা হয়। আবেলি ৩ বজাত বিহু কৰ্মশালাৰ দ্বাৰ মুকলি কৰে বিশিষ্ট সমাজকৰ্মী কেশৰ কলিতাই। উদ্বোধনী অনুষ্ঠানত বংশৰৰ জ্যেষ্ঠ ব্যক্তি বগাৰাম বৈশ্য, বিশিষ্ট নাগৰিক শিক্ষাবিদ কনক দাস আৰু সমাজকৰ্মী দেবেন্দ্ৰনাথ কাকতি প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কৰ্মশালাখনত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বিহুৱা অভিজিৎ দাস, অসম কুঁৱৰী ভাস্বতী শইকীয়া আদি কেইবাগৰাকী প্ৰখ্যাত বিহু প্ৰশিক্ষক। আনহাতে, কৰ্মশালাৰ লগত সংগতি ৰাখি ১০ এপ্ৰিলৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিদ্যাসাগৰ আৰু দীপান্বিতা ডেকা। বিহু কৰ্মশালাত দ্বি-শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# ভূ-মাফিয়া, বন ধ্বংসকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীত গেলেকী প্ৰেছ ক্লাবৰ স্মাৰকপত্ৰ প্ৰদান

**ই-সংবাদ, গেলেকী, ৪ এপ্ৰিলঃ** দীৰ্ঘদিন ধৰি নাজিৰা সমজিলাৰ অন্তৰ্গত গেলেকী, আঠখেল, নামদংগীয়া, দেওপানী, মিছাজান আৰু ন-পাম বাৰুৱতীৰ বিভিন্ন প্ৰান্তত একাংশ ব্যৱসায়ীয়ে দিনে ৰাতিয়ে অবাধ গতিত ভূমি খনন কৰি থকা ফলত খেতিপথাৰ বিনষ্ট হোৱাৰ লগতে গছ-গছনি ধ্বংস হৈ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হৈছে। একাংশই জধে-মধে অবৈধ কাঠফলা মিল বহুৱাই দিনে-ৰাতিয়ে বনজ সম্পদৰো বিলুপ্তি সাধন কৰি আহিছে। এই বিষয়ে বিভিন্ন সময়ত বাতৰি পৰিৱেশন কৰি থকা হৈছে যদিও প্ৰশাসন অথবা বন বিভাগৰ ফালৰ পৰা এই অবৈধ ব্যৱসায়সমূহ বন্ধ কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা দৃষ্টি গোচৰ হোৱা নাই বুলি স্মাৰক পত্ৰত উল্লেখ কৰিছে গেলেকী প্ৰেছ ক্লাবে। গতিকে এই সমগ্ৰ বিষয় সামৰি তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ গেলেকী প্ৰেছ ক্লাবৰ তৰফৰ পৰা আজি নাজিৰা সমজিলা আয়ুক্ত, নাজিৰা ৰাজহ চক্ৰ বিষয়া আৰু গেলেকী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰা হয়। এই সন্দৰ্ভত গেলেকী প্ৰেছ ক্লাবৰ সভাপতি/সম্পাদকে সংবাদ মাধ্যমৰ আগত জনোৱা মতে, এই অবৈধ কামবিলাক গেলেকী অঞ্চলত দিনক দিনে বৃদ্ধি পাবলৈ ধৰা বিষয়টোয়ে সচেতন মহলক চিন্তাত পেলাইছে। এইসমূহ নিৰ্মূল কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহৰ যি দায়িত্ব আৰু কৰ্তব্য আছিল সেই দায়িত্ব আৰু কৰ্তব্য পালন কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলি গেলেকী প্ৰেছ ক্লাবে অভিযোগ কৰিছে। দিনৰ পোহৰতে ভূ-মাফিয়াই হাজাৰ হাজাৰ টকাৰ কৰ ফাঁকিৰে গেলেকীত সন্ত্ৰাস চলোৱাৰ অভিযোগ উঠি আহিছে ৰাজহুৱাভাৱে। লগতে গেলেকী অঞ্চলৰ দল-সংগঠনৰ এই ক্ষেত্ৰত নিৰৱ ভূমিকাই সমগ্ৰ বিষয়টো ৰহস্যৰ আৱৰ্তলৈ ঠেলি দিছে বুলি জনাইছে গেলেকী প্ৰেছ ক্লাবে। স্মাৰক পত্ৰ প্ৰদান কৰি গেলেকী প্ৰেছ ক্লাবৰ বিষয়ববীয়াই বিষয়টো তাৎক্ষণিকভাৱে সমজিলাৰ আয়ুক্তই ব্যৱস্থা গ্ৰহণৰ আশা কৰিছে।

# বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ত দুদিনীয়াকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৪ এপ্ৰিলঃ** নগাঁও জিলাৰ বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা 'ভাৰতৰ ঔপনিৱেশিক আৰু উত্তৰ ঔপনিৱেশিক যুগৰ উত্তৰ-পূব অঞ্চলৰ বিশেষ উল্লেখিত অখ্যাত নায়িকাসকলৰ অন্বেষণ' শীৰ্ষক বিষয়ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰখনিৰ শুকুৰবাৰে সামৰণি পৰে। ভাৰতীয় ঐতিহাসিক অনুষ্ঠান পৰিষদ (Indian Council of Historical Research)ৰ পৃষ্ঠপোষকতাত তথা বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ ইতিহাস আৰু অৰ্থনীতি বিভাগৰ উদ্যোগত অনুষ্ঠিত আলোচনাচক্ৰখনিত সহযোগিতা আগবঢ়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় আৰু জুৰীয়া মহাবিদ্যালয়ে। বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যাপক শ্বফিকুল ইছলামে সঞ্চালনাৰ দায়িত্ব গ্ৰহণ কৰা আলোচনাচক্ৰ খনি পৰিচালনা কৰে অধ্যাপক ড০ আশ্বিক ইলাহীয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱজিৎ মহন্তই শুভাৰম্ভ কৰা আলোচনাচক্ৰখনিৰ আৰম্ভণিতে মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ভোগেশ্বৰ বৰাই বন্তি প্ৰজ্বলন কৰাৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ শৰৎ হাজৰিকাই আৰম্ভণি ভাষণ প্ৰদান কৰে। হাতীচোং মহাবিদ্যালয়ৰ অধ্যক্ষ লুইত হাজৰিকা আৰু জুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ হাছমত আলীকে ধৰি কেইবাগৰাকী অতিথিৰ উপস্থিতিত অনুষ্ঠিত হোৱা আলোচনাচক্ৰখনিত ডবকাৰ হাজী আনফৰ আলী কলেজৰ অধ্যক্ষ ড০ মামুন আজম বৰভূঞাই মূল ভাষণ প্ৰদান কৰে। আলোচনাচক্ৰত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰি কাশ্মীৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধ্যাপক ড০ জহিৰুল ইছলাম, ইউএছটিএমৰ ড০ বাহাৰুল ইছলাম, ড০ এ ৰশিদ, থং নকবে কলেজৰ ড০ আলকাফিল চৌধুৰী, ৰবীন্দ্ৰ ঠাকুৰ বিশ্ববিদ্যালয়ৰ ড০ নজৰুল ইছলাম বৰভূঞা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ববিদ্যালয়ৰ ড০ অজিত দেবনাথ, চৰাইবাহী কলেজৰ ড° বিজয় কুমাৰ নাথ, ড° প্ৰাঞ্জল হাজৰিকা আৰু জুৰীয়া কলেজৰ ড০ মুজাহিদুলে ভাষণ আগবঢ়ায়। আলোচনাচক্ৰৰ জৰিয়তে আগন্তুক গৱেষণাত সহায়ক হোৱাকৈ উত্তৰ-পূৰ্বাঞ্চলৰ অপৰিচিত মহিলা নায়িকাসকলৰ ইতিহাস আৰু তেওঁলোকৰ অৱদান সম্পৰ্কে অধ্যয়ন চলোৱা হয়, যি আলোচনাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় প্ৰণামিকা গোস্বামীয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# পাঠশালাত 'মহানায়ক মহাৰাজ পৃথু'ৰ আড়ম্বৰপূৰ্ণ সফল মঞ্চায়ন

■ প্ৰাঞ্জল এ. শৰ্মা

যোৰা ৩০ মাৰ্চ, দেওবাৰ সন্ধিয়া ৬ বাজি ৩০ মিনিটৰ পৰা পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আড়ম্বৰপূৰ্ণ আয়োজনেৰে মঞ্চস্থ কৰা হয় 'মহানায়ক মহাৰাজ পৃথু' নাটকখন। অসমৰ অগ্ৰণী সমাজ-সাংস্কৃতিক সংস্থা 'প্ৰজ্ঞা'ৰ ব্যয়বহুল প্ৰযোজনা 'মহানায়ক মহাৰাজ পৃথু' নাটকখনৰ ৰচনা প্ৰসিদ্ধ নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ। পৰিকল্পনা আৰু পৰিচালনা অসীমকৃষ্ণ বৰুৱাৰ। সহকাৰী পৰিচালক নৱ বিকাশ শৰ্মা।

কিছুমান ইতিহাস বুৰঞ্জীয়ে বিস্তৃতভাৱে সামৰি লোৱা নাই। তেনেকুৱা এক ইতিহাস হৈছে কামৰূপৰ ৰজা পৃথুৰ ইতিহাস। ১২০০ শতিকাৰ সেই পৰাক্ৰমী ৰজা পৃথু সন্দৰ্ভত বিস্তাৰিত ৰূপত বুৰঞ্জী পাবলৈ নাই। কিন্তু উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলৰ পৰা আৰম্ভ কৰি জলপাইগুৰীৰ বিভিন্ন স্থানলৈ যি সমান্য উপাদান আছে, তাৰে ওপৰত ভিত্তি কৰি তথা লোক কথাৰ আধাৰতেই মহাৰাজ পৃথুৱে তুৰ্কী বখতিয়াৰ খিলজী বাহিনীক পৰাভূত কৰা মহা বিচক্ষণ কৌশল আৰু পৰাক্ৰমক নাটক আকাৰে তুলি ধৰিছে অসমৰ বিশিষ্ট নাট্যকাৰ হিল্লোল কুমাৰ পাঠকে। মন্মথ বৰুৱাৰ সামগ্ৰিক ব্যৱস্থাপনাৰে ইতিপূৰ্বে একেখন নাটক গুৱাহাটীৰ লাচিত ঘাটত দুটাকৈ দৰ্শনীৰ পাছত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহতো সহস্ৰাধিক দৰ্শকৰ আগত মঞ্চস্থ হৈছিল। একেই ভব্য ৰূপত বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত প্ৰায় ২হাজাৰোধিক দৰ্শকৰ সমুখত



নাটকখন মঞ্চস্থ কৰা হয়। নাটকখনৰ ব্যয়বহুল প্ৰযোজনা তথা সুপৰিকল্পিত পৰিচালনাই উপস্থিত দৰ্শক ৰাইজক মন্ত্ৰমুগ্ধ কৰি ৰাখে। নাটকৰ অন্তত দৰ্শকসকলে প্ৰজ্ঞাৰ প্ৰযোজনা আৰু ব্যৱস্থাপনাৰ লগতে সু-নাট্যলিখন আৰু সুন্দৰ পৰিচালনাৰ শলাগ লয়। সমান্তৰালভাৱে মূল চৰিত্ৰত অভিনয় কৰা অভিনেত্ৰীসকলৰ অনবদ্য অভিনয়ৰ লগতে অন্য কলা-কুশলীকে ধৰি প্ৰায় ৮০গৰাকী শিল্পীৰ দলটোৰ উন্নত প্ৰদৰ্শনক ভূয়সী প্ৰশংসা কৰি।

নাটকখনত নাম ভূমিকাত অভিনয় কৰে জনপ্ৰিয় অভিনেতা দিব্যজ্যোতি দাসে। তদুপৰি অন্যান্য গুৰুত্বপূৰ্ণ চৰিত্ৰসমূহ ৰূপায়ণ কৰে ক্ৰমে কাৰ্দিছৰ ৰূপত ভবেশ দাস, ভূঞাৰ ৰূপত অমিতাভ ৰাজখোৱা, ৰায়ৰ ৰূপত পল ফুকন, মণ্ডলৰ ৰূপত মনোজ কুমাৰ দাস, আলীমেচৰ ভাৰত জয়ন্তজিৎ দাস,বখতিয়াৰ খিলজীৰ ভাৰত প্ৰানজিৎ প্ৰীতম



কলিতা,চোৰাহদৰৰ ৰূপত জ্যোতিস্মান কাশ্যপ, পুৰোহিতৰ ৰূপত কবিন্দ্ৰ দাস আৰু চন্দন বৰুৱা,ৰতৰৰ ৰূপত হেমাংগ মহন্ত, মদনৰ ৰূপত হিৰকজ্যোতি শৰ্মা, পুৰোহিতৰ পত্নীৰ ৰূপত মালা মহন্ত, ভৈৰৱীৰ ৰূপত দীপান্বিতা দাস,বিৰুবালাৰ ভাৰত বনলতা বৈশ্য,ৰম্ভাৰ ভাৰত নিজৰা নমামী গগৈ, বাসবীৰ ৰূপত অঞ্জু হাজৰিকা আদিয়ে। নাটকখনৰ সংগীত ব্যৱস্থাপনা মনদ্বীপ মহন্ত আৰু শৰৎ ৰাগৰ। পোহৰ কৌশিক বৰবৰাৰ। সাজ সজ্জা গীতাৰাণী গোস্বামীৰ আৰু ৰূপসজ্জা অচিতাভ বৰুৱা,ধন বৰা,তীব্ৰজ্যোতি বৈৰাগী, নিতুল থেঙাল আৰু ইম্পি বৰাৰ। নাটকখনৰ মঞ্চসজ্জা ধনজিত শৰ্মাৰ। কাৰিকৰি সহযোগী চুনম দেৱী,দিব্যজ্যোতি ভড়ালী,বিকুল বড়ো,পংকজ বৰুৱা। নৃত্য সংৰচনা বনলতা বৈশ্যৰ আৰু সমৰদৃশ্য নিৰ্দেশনা নিকু দাসৰ।

---

## সফলতাৰে মঞ্চায়ন গুৰেৰ্ণিকাৰ

### "এ বিপিএল লাভ ষ্টৰী"



• ইউ পি ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

অসমৰ আগশাৰীৰ নাট্য সংগঠন গুৰেৰ্ণিকাই প্ৰতিটো বছৰতেই একাধিক নাট প্ৰযোজনা কৰি অসমৰ নাট্যজগতখনত এক সুকীয়া স্থান অধিকাৰ কৰিছে। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক হিমাংশু প্ৰসাদ দাসৰ সঞ্চালনাত পৰিচালিত নাট্যদলটোৱে এইবেলিও পৰিৱেশন কৰিছে এখন ভিন্নস্বাদৰ নাটক। যোৰা ৩০ মাৰ্চ দেওবাৰে মিৰ্জাৰ আমৰাংগা



দৰ্শকে উপভোগ কৰে। প্ৰয়াত নাট্যকৰ্মী-সমাজকৰ্মী দীপক দাসলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনাৰ্থে এই নাট্য সন্ধিয়াৰ আয়োজন কৰা হৈছিল। বৰিহাটস্থিত গুৰেৰ্ণিকাৰ আৰ্টিষ্ট ফেক্টৰীত নাট্যদলটোৰ অভিনেতা অভিনেত্ৰীসকলে পৰিৱেশন কৰে A BPL Love story নামৰ এখন বিশেষ নাটক। হিমাংশু প্ৰসাদ দাসৰ ৰচনা আৰু পৰিচালনাৰে মঞ্চস্থ হোৱা নাটকখন শতাধিক এখন গাঁৱৰ পটভূমিত ৰচিত নাটকখনত চৰকাৰী সুবিধাক কেন্দ্ৰ কৰি মানুহৰ মনত আৰু সম্বন্ধত কি ধৰণ প্ৰভাৱ পৰিব পাৰে বা পৰে, সেই কথা দেখুওৱা হৈছে। চৰকাৰে প্ৰদান কৰা হিতাধিকাৰীৰ কাৰ্ড এখন কিদৰে দুই স্বামী-স্ত্ৰীৰ মাজৰ প্ৰেম-ভালপোৱা, বিশ্বাসৰ সম্পৰ্কতকৈয়ো ডাঙৰ হৈ পৰে, তাকেই বলিষ্ঠ অথচ চতুৰতাৰে দেখুওৱা হৈছে। নাটকখনত সুন্দৰ অভিনয় কৰে ক্ৰমে ৰূপমজ্যোতি দাস, অপূৰ্ব বৰ্মন,প্ৰদীপ দত্ত,কংকন দাস, মিতালী দাস, বৰ্ষা মেধি, নৱনীতা গগৈ, সুনিত, ইন্দ্ৰজিত লালুং, শুভজিত পুৰকায়স্থ আদিয়ে। নাটকখনৰ সংগীত ব্যৱস্থাপনা জ্যোতিষ্ম দাসৰ। নাটকখন উপভোগ কৰি উঠি দৰ্শকসকলে নাট্য ৰচনা, পৰিচালনা আৰু অভিনয়ৰ ভূয়সী প্ৰশংসা কৰে।

অনাগত সময়ত একেখন নাটকেই অসমৰ ভিন্ন প্ৰান্তত আমন্ত্ৰণমৰ্মে পৰিৱেশন কৰা হ'ব বুলি গুৰেৰ্ণিকাৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে।

# আন্তঃজিলা ক্ৰিকেটৰ চেন্ট্ৰেল মণ্ডলৰ খেলত হোজাইৰ জয়

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৪ এপ্ৰিলঃ** এচিএ ক্ৰিকেট একাডেমীৰ সৌজন্যত নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত চলি থকা দ্বিতীয় পুলিন দাস অনূৰ্ধ্ব-১৪ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেন্ট্ৰেল অসম মণ্ডলৰ গ্ৰুপ- 'বি'ৰ লীগৰ খেলত আজি হোজাই দলে ঘৰুৱা নগাঁও জিলা দলক ১৫ ৰাণত হৰুৱাই সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। খেলখনত হোজাই জিলা দলটোৱে টছত জিকি পোনতে বেট ধৰি দিব্যম কুমাৰৰ-৪৪, বিৰাট ৰত্ন দেবৰ-২৪ আৰু অধিনায়ক ৰাজদ্বীপ দে'ৰ-১১ ৰাণৰ উল্লেখ্যনীয় বৰঙনিৰে ৩২.৪ অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত ১২০ ৰাণ সংগ্ৰহ কৰে। বলিঙত নগাঁৱৰহে তন্ময় দাসে তিনিটা, অংশুমান সাহানীয়ে দুটা, মহচীন আখটাৰ ৰহমান আৰু উন্নভ গোস্বামীয়ে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত নগাঁও দলে প্ৰিয়ম কুণ্ডুৰ অপৰাজিত-৫৩ আৰু গৌৰব দাসৰ-১৫ ৰাণৰ উল্লেখ্যনীয় অৱদান স্বত্বেও ৩৩.২ অভাৰত ১০৫ ৰাণ সংগ্ৰহ কৰোতেই আটাইকেইটা উইকেট হেৰুৱাবলগীয়াত পৰে। বলিঙত হোজাইৰহে অনুৰাগ দাসে ছটা (৬/৩০), আয়ুস চৌধুৰীয়ে দুটা আৰু বিৰাট দে'য়ে এটা উইকেট দখল কৰে। মনকৰিবলগীয়া যে, আজি নগাঁৱৰ ছজনকৈ বেটাৰ শূন্য ৰাণতে পেভিলিয়নমুখী হয়। দিগন্ত বৰ্মন আৰু জয়দ্বীপ ৰয় আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত হোজাইৰ অনুৰাগ দাসক প্লেয়াৰ অব দ্যা মেচৰ বঁটা ক্ৰীড়া সংগঠক মৃনাল কুমাৰ হাজৰিকাই বিতৰণ কৰে। কাইলৈৰ খেলত হোজাইয়ে কলিয়াবৰ দলৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।



আইপিএল ২০২৫: লক্ষৌ ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে উইকেট আপীল মুম্বাইৰ বল্টৰ



আইপিএল ২০২৫: মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে দুৰ্দান্ত অৰ্ধশতক লক্ষৌ ছুপাৰ জায়েণ্টৰ মিচেল মাৰ্চৰ

**ভাৰতীয় ক্ৰিকেট প্ৰেমীৰ নয়নৰ মণি শ্ৰীলংকাৰ মাথিছা পাথিৰানা**

# মহেন্দ্ৰ সিং ধোনীক নিজৰ 'ক্ৰিকেটিং ফাদাৰ' আখ্যা পাথিৰানাৰ

**চেন্নাই, ৪ এপ্ৰিলঃ** আইপিএলৰ অন্যতম উজ্জ্বল যুৱ প্ৰতিভা হিচাপে আত্মপ্ৰকাশ কৰিছে মথিছা পাথিৰানা। ইতিমধ্যে এই শ্ৰীলংকাৰ পেচাৰজনে নিজৰ অনন্য বলিং একচন আৰু তীক্ষ্ণ ইয়ৰ্কাৰৰ বাবে জনপ্ৰিয়তা লাভ কৰিছে। ২০২২ চনত চেন্নাই ছুপাৰ কিংছে মাত্ৰ ২০ লাখ টকাত তেওঁক চুক্তিবদ্ধ কৰিছিল। সেই সময়ৰ পৰাই তেওঁ দলটোৰ বাবে এক নিৰ্ভৰযোগ্য অস্ত্ৰ হৈ পৰিছে। আজি তেওঁ চিএছকেৰ ডেথ অভাৰ বিশেষজ্ঞ। তেওঁৰ ৰূপান্তৰৰ আঁৰত মাত্ৰ এজন ব্যক্তি- মহেন্দ্ৰ সিং ধোনী। আৰু সেইবাবেই পাথিৰানাই ধোনীক তেওঁৰ 'ক্ৰিকেটিং ফাদাৰ' হিচাপে সন্মান জনায়। বৰ্তমান আইপিএলৰ মেগা নিলামত পাথিৰানাক ধৰি ৰাখিবলৈ চিএছকেয়ে ১৩ কোটি টকা ব্যয় কৰিছিল। ই কেৱল ধনৰ বিনিয়োগ নহয়, বিশ্বাসৰ প্ৰতিফলনও। খোদ পাথিৰানাই কৈছে যে ২০২২ চনত আইপিএলত অভিষেক ঘটোৱাৰ পৰাই ধোনীয়ে তেওঁক বিকশিত কৰি আহিছে। ধোনীয়ে তেওঁক কেৱল ক্ৰিকেট ভিত্তিক নহয়, মানসিকভাৱেও প্ৰস্তুত কৰি আছে। আইপিএলত ভাল প্ৰদৰ্শনৰ বাবে শ্ৰীলংকাৰ জাতীয় দলত সুযোগ লাভ কৰিছিল। এই সাফল্যৰ সকলো কৃতিত্ব তেওঁ ধোনীক দিয়ে। শেহতীয়াকৈ চিএছকেয়ে প্ৰকাশ কৰা এটা ভিডিঅ'ত পাথিৰানাই কয় যে, "ধোনী মোৰ পিতৃৰ দৰেই। তেওঁ মোক পথ প্ৰদৰ্শন কৰিছে, সাহস দিছে, মেণ্টৰ কৰিছে। মোৰ দেউতা মোৰ বাবে যিদৰে সদায় আছে, ঠিক তেনেদৰে ধোনীও মোৰ বাবে আছে।" তেওঁৰ পৰিয়ালেও ভিডিঅ'টোত ধোনীৰ অৱদানক মুকলিকৈ স্বীকাৰ কৰে। দলৰ বাবে এতিয়া অপৰিহাৰ্য হৈ পৰিছে পাথিৰানাৰ ভূমিকা। নতুন বল হওক বা পুৰণি বল হওক, দলটোৱে যেতিয়াই উইকেটৰ আশা কৰে, তেতিয়াই চমকপ্ৰদ প্ৰদৰ্শন কৰি আহিছে পাথিৰানাই। বিশেষকৈ ডেথ অভাৰত তেওঁৰ ভয়ংকৰ ফৰ্মে বিপক্ষৰ বেটছমেনৰ বাবে মূৰৰ বিষৰ কাৰণ হৈ আহিছে। তেওঁৰ ব্যতিক্ৰমী বলিং ষ্টাইলে ক্ৰিকেট অনুৰাগীকো আকৰ্ষিত কৰি আহিছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি